GJMC S3 02 (M)

পৰম্পৰাগত লোক মাধ্যম

তৃতীয় ষাণ্মাসিক

সাংবাদিকতা আৰু গণসংযোগ

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

(১) অধ্যাপক কে.ভি. নাগৰাজ, প্ৰাক্তন অধ্যাপক, গণসংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
(২) অধ্যাপক অভিজিত বৰা, মুৰব্বী, গণসংযোগ আৰু সাংবাদিক বিভাগ,তেজপুৰ বিশ্ববিদ্যালয়
(৩) ড° অংকুৰণ দত্ত, সহযোগী অধ্যাপক তথা মুৰব্বী, সংযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
(৪) ড° কে. এইছ কাবি, সহযোগী অধ্যাপক তথা মুৰব্বী, গণসংযোগ বিভাগ, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুণাচল প্ৰদেশ

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° তৃষা দুৱৰা বৰুৱা আৰু ড° জুৰি হাজৰিকা, ভূপেন হাজৰিকা গণসংযোগ সত্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১ আৰু ৬	ড° ৰশ্মি শর্মা প্রচাৰ মাধ্যম গৱেষক আৰু শিশু অধিকাৰ কর্মী	শ্রীকন্যাকুমাৰী দাস কৌটিল্য একাডেমী কণিষ্ঠ মহাবিদ্যালয় (অধ্যায় ১)
২ আৰু ৪	শ্রীচয়নিকা দত্ত সৰকাৰ, ড° ভূপেন হাজৰিকা গণসংযোগ কেন্দ্র কটন মহাবিদ্যালয় আৰু ড° তৃষা দুৱৰা বৰুৱা	বিনোদ বৰা (অধ্যায় ২,৭)
৩	ড° তৃষা দুৱৰা বৰুৱা	বিজয় কৃষ্ণ কোঁচ, অম্বিকা একাডেমী, হাতীগাওঁ (অধ্যায় ৩,৪,৬)
৫	ড° অঞ্জুমন বৰা সহকাৰী অধ্যাপিকা গণ সংযোগ আৰু সাংবাদিকতা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়,	ৰুমী চৌধুৰী গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ৫)
৭	শ্রী কৌশিক ভূঞা, সহকাৰী অধ্যাপক, গণসংযোগ বিভাগ, অসম ডনবস্ক' বিশ্ববিদ্যালয়	

সম্পাদক মণ্ডলী ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক কে. ভি. নগেৰাজ, গণ সংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
ভাষা সম্পাদনা ঃ অধ্যাপিকা দীপ্তি ফুকন পাটগিৰি, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায়-৩),
ড° গীতাঞ্জলি তালুকদাৰ, পূৱ বংশৰ মহাবিদ্যালয় (অধ্যায়-৭)
ৰুমী চৌধুৰী (অধ্যায়-২), ড° তৃষা দুৱৰা বৰুৱা (অধ্যায়-১, ৪, ৫)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° তৃষা দুৱৰা বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মে', ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
নগৰ কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদ**ৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিস্তৃত পাঠ্যক্রম

স্নাতক কলা

সাংবাদিকতা আৰু গণসংযোগ

তৃতীয় ষাণ্মাসিক

খণ্ড - ১

পৰম্পৰাগত লোক মাধ্যম

পৃষ্ঠা নং

অধ্যায় ১ ঃ **পৰম্পৰাগত লোক মাধ্যম** ৭ - ১৮

পৰম্পৰাগত লোক মাধ্যম এটি পৰিচয়, পৰম্পৰাগত লোক মাধ্যমৰ প্ৰকৃতি, পৰম্পৰাগত লোক মাধ্যমৰ জৰিয়তে যোগাযোগ, সামাজিক-সাংস্কৃতিক আৰু ধৰ্মীয় আচাৰমূলক যোগাযোগৰ অংশ হিচাপে পৰম্পৰাগত মাধ্যম

অধ্যায় ২ ঃ **পৰম্পৰাগত লোক মাধ্যমৰ বৈশিষ্ট্য** ১৯ - ৩০

গণ মাধ্যম হিচাপে পৰম্পৰাগত মাধ্যম, পৰম্পৰাগত মাধ্যমৰ বৈশিষ্ট্য আৰু ইয়াৰ সুবিধা-অসুবিধাসমূহ, পৰম্পৰাগত মাধ্যম হিচাপে কাহিনী কথন

অধ্যায় ৩ ঃ **ভাৰতবৰ্ষত পৰম্পৰাগত মাধ্যম** ৩১ - ৪৩

ভাৰতবৰ্ষত পৰম্পৰাগত মাধ্যমৰ ইতিহাস আৰু বিকাশ- ভাৰতবৰ্ষৰ কিছুমান পৰম্পৰাগত লোক মাধ্যমৰ চমু অৱলোকন, উন্নয়নমূলক উদ্দেশ্যত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ

অধ্যায় ৪ ঃ **পৰম্পৰাগত লোকমাধ্যমত প্ৰযুক্তিগত সংযোজন** ৪৪ - ৫৩

পৰম্পৰাগত মাধ্যমত বৈদ্যুতিক মাধ্যমৰ প্ৰভাৱ, গণসংযোগ মাধ্যম লোককলাৰ তুলনা, সামাজিক পৰিৱৰ্তন তথা উন্নয়নৰ আহিলা হিচাপে পৰম্পৰাগত মাধ্যম ব্যৱহাৰৰ সফলতা

অধ্যায় ৫ ঃ **উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত মাধ্যম** ৫৪ - ৬৪

উন্নয়নমূলক সংযোগ আৰু পৰম্পৰাগত মাধ্যম-উন্নয়নমূলক সংযোগ, উন্নয়নমূলক সংযোগ হিচাপে পৰম্পৰাগত মাধ্যম, উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত মাধ্যম কিদৰে ব্যৱহাৰ কৰিব পাৰি

অধ্যায় ৬ ঃ **পৰম্পৰাগত লোক মাধ্যম আৰু ভাৰতীয় সংস্কৃতি** ৬৫ - ৭৬

লোক পৰম্পৰাৰ বৈশিষ্ট্য- লোক পৰম্পৰাৰ বৈশিষ্ট্য, সামাজিক লোকাচাৰ প্ৰচাৰৰ ক্ষেত্ৰত গণমাধ্যম-পৰম্পৰাগত মাধ্যম আৰু সামাজিক লোকাচাৰ, আধুনিক গণমাধ্যম আৰু সামাজিক লোকাচাৰ, ভাৰতীয় সংস্কৃতিৰ তথ্য সম্প্ৰচাৰৰ মঞ্চ হিচাপে লোকমাধ্যম

অধ্যায় ৭ ঃ **পৰম্পৰাগত লোকমাধ্যম আৰু ইয়াৰ প্ৰাসংগিকতা** ৭৭ - ৮৭

ভাৰতীয় গ্ৰাম্য অঞ্চলৰ পৰম্পৰাগত লোকমাধ্যমসমূহ-লোক নাট, লোকগীত, বৰ্ণনাত্মক আখ্যান, ধৰ্মীয় চিন্তাধাৰা, পুতলা নাচ, গ্ৰাম্য উন্নয়নত লোকমাধ্যমসমূহৰ প্ৰভাৱ, বিভিন্ন ক্ষেত্ৰত লোকমাধ্যমৰ প্ৰয়োগ

পাঠ্যবিষয়ৰ পৰিচয় ঃ

সাংবাদিকতা আৰু গণসংযোগৰ স্নাতক পাঠ্যক্ৰমৰ তৃতীয় ষান্মাসিকৰ দ্বিতীয় পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল 'পৰম্পৰাগত লোক মাধ্যম'। পাঠ্যবিষয়টো দুটা খণ্ডত ভগোৱা হৈছে। প্ৰথম খণ্ডত সাতটা আৰু দ্বিতীয় খণ্ডত আঠটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। এই কাকতখনৰ অন্তৰ্গত অধ্যায়বোৰ পঢ়ি আপুনি পৰম্পৰাগত লোক মাধ্যম সম্পৰ্কে এক আভাস পোৱাৰ লগতে ইয়াৰ মৌলিক বৈশিষ্ট্য সমূহ, সমাজত ইয়াৰ প্ৰাসংগিকতা আৰু এই মাধ্যমত প্ৰযুক্তি সংযোজনৰ ফলত হোৱা পৰিৱৰ্তনবোৰৰ বিষয়ে জানিব পাৰিব। সংযোগৰ পৰম্পৰাগত ৰূপবোৰক অৰ্থনৈতিক তথা সামাজিক উন্নয়নৰ বাৰ্তা প্ৰচাৰ কৰাৰ এক সম্ভাব্য উৎস বুলি ধৰা হয়। এই পাঠ্যবিষয়ত অন্তৰ্ভুক্ত অধ্যায়কেইটাত বিষয়টোৰ সৈতে জড়িত বিভিন্ন ধাৰণা, বিষয়বস্তু আৰু উপ-বিষয় সৰল আৰু প্ৰাঞ্জল ভাষাত বহলাই আলোচনা কৰা হৈছে। অধ্যায়কেইটা পঢ়ি আপুনি অতি সহজে এই কথাবোৰ আয়ত্ত্ব কৰিব পাৰিব। এই পাঠ্যবিষয় অধ্যয়ন কৰাৰ পাচত আপুনি পৰম্পৰাগত লোক মাধ্যম সম্পৰ্কে এটা স্পষ্ট আৰু বিস্তৃত ধাৰণাৰ গৰাকী হ'ব বুলি আশা কৰিলোঁ।

খণ্ড পৰিচয় ঃ

এইটো হ'ল 'পৰম্পৰাগত লোক মাধ্যম' শীৰ্ষক পাঠ্যবিষয়টোৰ প্ৰথম খণ্ড। তলত খণ্ডটোত সন্নিৱিষ্ট অধ্যায় সাতটাৰ চমু পৰিচয় দাঙি ধৰা হ'ল-

অধ্যায় ১ ঃ পৰম্পৰাগত লোক মাধ্যম

এইটো হ'ল 'পৰম্পৰাগত লোক মাধ্যম' শীৰ্ষক পাঠ্যবিষয়ৰ প্ৰথম খণ্ডৰ প্ৰথম অধ্যায়। এই অধ্যায়টোৰ জৰিয়তে পৰম্পৰাগত লোক মাধ্যম বোলা ধাৰণাটো ব্যাখ্যা কৰাৰ প্ৰয়াস কৰা হৈছে। এনে মাধ্যমৰ প্ৰকৃতি, এনে মাধ্যমৰ দ্বাৰা সংযোগ স্থাপনৰ উপায় আৰু সমাজ-সাংস্কৃতিক তথা লোকাচাৰভিত্তিক সংযোগৰ এক অংশৰূপে পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ হ'ল অধ্যায়টিত আলোচনা কৰা আন কেইটামান গুৰুত্বপূৰ্ণ বিষয়।

অধ্যায় ২ ঃ পৰম্পৰাগত লোক মাধ্যমৰ বৈশিষ্ট্য

'পৰম্পৰাগত লোক মাধ্যম' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো হ'ল দ্বিতীয় অধ্যায়। অধ্যায়টিয়ে আপোনাক পৰম্পৰাগত লোক মাধ্যমৰ বিভিন্ন বৈশিষ্ট্য আৰু ইয়াৰ সুবিধা-অসুবিধাবোৰৰ বিষয়ে বুজাত সহায় কৰিব। দৰ্শক / পাঠকৰ কাষ চাপিবলৈ লোক মাধ্যমবোৰে কেনেকৈ কাহিনী কথনৰ উপায় ব্যৱহাৰ কৰে সেই বিষয়েও অধ্যায়টিত আলোচনা কৰা হৈছে।

অধ্যায় ৩ ঃ ভাৰতত পৰম্পৰাগত মাধ্যম

এই অধ্যায়টোত ভাৰতৰ কেইটামান পৰম্পৰাগত লোক মাধ্যমৰ ওপৰত বিশেষ আলোকপাতৰ সহায়ত পৰম্পৰাগত মাধ্যমবোৰৰ ইতিহাস আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা হৈছে।

অধ্যায় ৪ ঃ পৰম্পৰাগত লোকমাধ্যমত প্ৰযুক্তিগত সংযোজন

এই অধ্যায়টো পঢ়ি আপুনি বৈদ্যুতিক মাধ্যমে পৰম্পৰাগত লোক মাধ্যমৰ ওপৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে অৱগত হ'ব। সামাজিক পৰিৱৰ্তন আৰু উন্নয়নত অনুঘটকৰ ভূমিকা পালন কৰা পৰম্পৰাগত মাধ্যমৰ সফল প্ৰয়োগৰ কেইটামান উদাহৰণ হ'ল অধ্যায়টোত আলোচিত আন এক গুৰুত্বপূৰ্ণ বিষয়।

অধ্যায় ৫ ঃ উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত মাধ্যম

এই অধ্যায়টোত পৰম্পৰাগত মাধ্যমবোৰে কেনেকৈ উন্নয়ন মাধ্যম আৰু উন্নয়ন সংযোগৰ পন্থাৰূপে কাম কৰিব পাৰে সেয়া আলোচনা কৰা হৈছে।

অধ্যায় ৬ ঃ পৰম্পৰাগত লোক মাধ্যম আৰু ভাৰতীয় সংস্কৃতি

এই অধ্যায়টি পঢ়ি আপুনি পৰম্পৰাগত মাধ্যম আৰু সামাজিক বিশ্বাস-প্ৰথা আদিৰ মাজৰ সম্পৰ্ক বুজিব পাৰিব। লোক পৰম্পৰাৰ বৈশিষ্ট্য আৰু ভাৰতীয় সংস্কৃতি বিষয়ক তথ্য প্ৰচাৰৰ এক মঞ্চৰূপে লোক মাধ্যমে পালন কৰা ভূমিকা হ'ল অধ্যায়টিত আলোচিত আন দুটা গুৰুত্বপূৰ্ণ বিষয়।

অধ্যায় ৭ ঃ পৰম্পৰাগত লোকমাধ্যম আৰু ইয়াৰ প্ৰাসংগিকতা

সপ্তম অধ্যায়ত লোকনাট্য, লোকগীত, বৰ্ণনামূলক গীতি-কাব্য, ধৰ্মীয় আলাপ আলোচনা আৰু পুতলা নাচৰ দৰে ভাৰতৰ গ্ৰামাঞ্চলত প্ৰচলিত বিভিন্ন পৰম্পৰাগত লোক মাধ্যমৰ বিশ্লেষণ আগবঢ়োৱা হৈছে। অধ্যায়টিত গ্ৰাম্য উন্নয়নত পৰম্পৰাগত লোক মাধ্যমৰ প্ৰভাৱ সম্পৰ্কেও আলোচনা কৰা হৈছে।

অধ্যায় ১ ঃ পৰম্পৰাগত লোকমাধ্যম

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ পৰম্পৰাগত লোকমাধ্যম —এটি পৰিচয়
১.৪ পৰম্পৰাগত লোকমাধ্যমৰ প্ৰকৃতি
১.৫ পৰম্পৰাগত লোকমাধ্যমৰ জৰিয়তে যোগাযোগ
১.৬ সামাজিক-সাংস্কৃতিক আৰু ধৰ্মীয় আচাৰমূলক যোগাযোগৰ অংশ হিচাপে পৰম্পৰাগত লোকমাধ্যম
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্ৰগতিৰ খতিয়ান
১.১০ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰম্পৰাগত লোকমাধ্যম কি তাক ব্যাখ্যা কৰিব পাৰিব
- পৰম্পৰাগত লোকমাধ্যমৰ প্ৰকৃতি বিশ্লেষণ কৰিব পাৰিব
- পৰম্পৰাগত লোকমাধ্যমৰ জৰিয়তে যোগাযোগ কেনেকৈ সম্ভৱ তাক আলোচনা কৰিব পাৰিব
- সামাজিক-সাংস্কৃতিক আৰু ৰীতিমূলক যোগাযোগ হিচাপে পৰম্পৰাগত মাধ্যমে কেনে ভূমিকা লয়, ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

পৰম্পৰাগত লোকমাধ্যমৰ ওপৰত এইটো প্ৰথম অধ্যায়। এই অধ্যায়টিয়ে সূচায় যে পৰম্পৰাগত লোকমাধ্যমৰ প্ৰাথমিক ধাৰণাসমূহৰ ওপৰত এক সম্যক পৰিচয়। এই অধ্যায়ত আমি পৰম্পৰাগত লোকমাধ্যমৰ অৰ্থ আৰু প্ৰকৃতি আলোচনা কৰিম আৰু সামাজিক-সাংস্কৃতিক আৰু ৰীতিমূলক যোগাযোগৰ অংশ হিচাপে পৰম্পৰাগত লোকমাধ্যমৰ সেয়াও আলোচনা কৰিম। আহক আমি পৰম্পৰাগত লোকমাধ্যম কি তাক আলোচনা কৰো।

১.৩ পৰম্পৰাগত লোকমাধ্যম —এক পৰিচয়

পৰম্পৰাগত লোকমাধ্যম ধাৰণাটি সাধাৰণ মানুহৰ পৰিৱেশন বুজাবলৈ ব্যৱহাৰ কৰা হয়। এই ধাৰণাটিয়ে পৰিৱেশ্য কলা বুজায়, যাক সাধাৰণ মানুহৰ সাংস্কৃতিক প্ৰতীক হিচাপে গণ্য কৰিব পাৰি।

পৰম্পৰাগত লোকমাধ্যম কেৱল নৃত্য আৰু সংগীততেই সীমাবদ্ধ নহয়, বৰঞ্চ ই কলা আৰু হস্তশিল্পকো সামৰি লয়। পৰিৱেশ্য কলাই আৰু দৃশ্যণীয় কলাই সংগীত, গীত, নাটক, বিভিন্ন কৌশল, পুতলা নাচ, কবিতা, বক্তব্য, শব্দ, ভংগীমা, আড্ডা, কৌতুক, ফকৰা যোজনা, ছবি, নিৰ্দিষ্ট ছপা সাহিত্য, ভাস্কৰ্য্য, হস্তশিল্প, সাজ-সজ্জা, বস্তুৰ ওপৰত কৰা ৰং আৰু ধাৰণা আৰু Head Gearৰ ব্যৱহাৰ আদি সকলোকে সামৰি লয়।

মূলতঃ সাধাৰণ লোকসকলে আত্মপ্ৰকাশ কৰাৰ প্ৰয়োজনীয় আৰু তেওঁলোকে বৰ্তি থকা সমাজখনত অনুগামীসকলৰ সৈতে কিবা এটি সৌন্দৰ্যময় সৃষ্টি আদান-প্ৰদান কৰাৰ প্ৰবৃত্তিৰ বাবেই পৰম্পৰাগত লোকমাধ্যমৰ জন্ম হৈছিল। ইয়েই সৃষ্টিশীল একোটা ডিজাইনৰ সতে সংলগ্ন উদগতিমূলক চেতনাৰ সঞ্চাৰ কৰিলে। এই পৰিৱেশ্য কলাসমূহে জীৱনৰ সতে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিল আৰু লাহে লাহে সময়ৰ সোতত পৰিৱৰ্তনো হৈ থাকিল। কিন্তু একেধাৰে হৈ থকা পৰিৱৰ্তন সত্ত্বেও, এইসমূহ সমাজত সদায়ে প্ৰাসংগিক হৈ আহিছে।

'পৰম্পৰাগত লোকমাধ্যম' শীৰ্ষক শব্দটি লৈ আমি দেখো, আমি বুজো ই সাতামপুৰুষীয়া মূল্যবোধসমূহ নতুন প্ৰজন্মক অৰ্পণ কৰা এটি প্ৰক্ৰিয়া। লগতে ই বিশ্বজগতৰ ব্যাখ্যা আগবঢ়োৱা মাধ্যম। ই কেৱল সম্প্ৰদায়সমূহৰ আচৰণগত ধৰণৰ নতুন কিছুমান অপৰিৱৰ্তিত প্ৰতীক তথা উদ্দেশ্যৰ বাবেই নহয়। তাৰ পৰিৱৰ্তে জনসাধাৰণৰ জীৱনী শক্তিক পুনঃ গোটকৰণ আৰু পুনঃ জাগৰণৰ এক প্ৰতীকমূল সমূহীয়া প্ৰচেষ্টা। সেয়ে, পৰম্পৰাগত লোকমাধ্যম বহু পৰিমাণে সাংস্কৃতিক সঁহাৰি আৰু অৱস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে।

ভাৰতবৰ্ষত লোক পৰিৱেশন এক সন্মিলিত কলা। ই সংগীত, নৃত্য, ভাওনা, কাব্য, মহাকাব্যিক বচনসমূহ, ধৰ্মীয় আৰু কৃষিভিত্তিক উৎসৱসমূহৰ এক সংমিশ্ৰণ। ইয়াত বিভিন্ন উপলক্ষসমূহ ৰীতি-নীতি, বিশ্বাস আৰু সামাজিক ব্যৱস্থাৰ প্ৰথাসমূহ সন্নিৱিষ্ট হৈ থাকে।

লোকমাধ্যমৰ এগৰাকী প্ৰখ্যাত পণ্ডিত বলৱন্ত গাৰ্গীৰ মতে, "লোকমাধ্যমে এমুঠি লোকৰ মাজৰ সকলো বৈপৰীত্য আৰু বাৰেৰহনীয়া কাম-কাজৰ সৈতে, তেওঁলোকৰ এক প্ৰাকৃতিক বাসস্থানক প্ৰতিনিধিত্ব কৰে"। ই তেওঁলোকৰ কথন ভংগী, সংগীত, নৃত্য, সাজ-পোছাক আৰু জ্ঞানৰ এক ৰেঙণি আগবঢ়ায়। ইয়াত পৌৰাণিক বীৰসকলৰ কাহিনীৰ এক চহকী ভঁৰাল, মধ্যযুগীয় ৰোমান্স, বীৰত্বৰ সাধুসমূহ, সামাজিক প্ৰথা, বিশ্বাস আৰু কিম্বদন্তি নিহিত থাকে। ভাৰতবৰ্ষৰ বহুৰঙী বৈচিত্ৰ্যতা আৰু একতাক উপলব্ধি কৰিবলৈ হ'লে, প্ৰাকৃতিক সাজ-সজ্জাত পৰিৱেশিত লোকনাট্যসমূহ দৰ্শন কৰাটো অতি জৰুৰী।

গ্ৰাম্য ভাৰত বিভিন্ন লোককলা, থিয়েটাৰ, সংগীত, নৃত্য, কলা আৰু শিল্পৰ এক আপুৰুগীয়া সংৰক্ষণ থলী। লোককলাই আমাৰ আত্মপ্ৰকাশৰ সহজাত প্ৰবৃত্তিক পৰিতৃপ্তি প্ৰদান কৰে। পৰম্পৰাগত কলাৰ ৰূপসমূহে আমাৰ পূৰ্বপুৰুষসকলৰ পৰম্পৰা আৰু সংস্কৃতিক সংৰক্ষণ আৰু উদগণি দি সেইসমূহ জীৱন্ত কৰি তোলে। প্ৰত্যেক অঞ্চলৰে স্বকীয় লোককলা থাকে যিখিন সেই অঞ্চলত অতি জনপ্ৰিয় আৰু প্ৰাসংগিক। অসমো তাৰ পৰা পৃথক নহয়। বিহু, লোকগীত, বৰগীত, বনগীত, সত্ৰীয়া ভাওনা, নিচুকনি গীত, আইনাম, ওজাপালি, বৈৰাগী ইত্যাদি অসমৰ লোককলাৰ ভিন্ ভিন্ ৰূপ। আকৌ, একোটা কলাৰে বহুতো প্ৰকাৰৰ ভাগ থাকে। উদাহৰণ স্বৰূপে, ভাওনা, এক শাস্ত্ৰীয় কলা যাক কিছুমান কঠিন নিয়মাৱলীৰ মাজেৰে নামঘৰত পৰিৱেশন কৰা হয়। আনহাতেদি, নামনি অসমৰ কিছুমান ঠাইত প্ৰচলিত স্কুলীয়া ভাওনা আৰু খুলীয়া ভাওনা শাস্ত্ৰীয় ভাওনাৰ কঠিন নিয়মাৱলীৰ পৰা মুক্ত আৰু সেইসমূহ অতি শিথিল। একেদৰেই, বিহুক অসমীয়া, মিছিং বড়ো, কাৰ্বিসকলে কিছু ভিন্ ভিন্ ধৰণেৰে পৰিৱেশন কৰে। পশ্চিমবংগৰ যাত্ৰা আৰু বাউল, মহাৰাষ্ট্ৰৰ লাৱনি আৰু তমাছা, কৰ্ণাটকৰ যক্ষগান হ'ল অন্য ৰাজ্যসমূহত দেখিবলৈ পোৱা কিছুমান জনপ্ৰিয় লোককলা। আমি পৰৱৰ্তী অধ্যায়সমূহত এই বিভিন্ন লোককলাসমূহ আলোচনা কৰিম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'পৰম্পৰাগত লোকমাধ্যম'ৰ সংজ্ঞা দিয়ক।

.....

.....

.....

প্ৰশ্ন নং ২ ঃ পৰম্পৰাগত লোকমাধ্যম কেৱল নৃত্য আৰু সংগীততেই সীমাবদ্ধ নহয়, বৰঞ্চ ই ..... সামৰি লয়।

প্ৰশ্ন নং ৩ ঃ অসমৰ কেইটামান বিখ্যাত লোককলাৰ নাম উল্লেখ কৰক।

.....

.....

১.৪ পৰম্পৰাগত লোকমাধ্যমৰ প্ৰকৃতি

আমি পৰম্পৰাগত লোককলাৰ ধাৰণাৰ ভিতৰত বিশাল পৰিসৰৰ মানৱ কাৰ্যাৱলী আৰু অভ্যাসসমূহক শ্ৰেণীকৰণ কৰিব পাৰো। এইসমূহ হ'ল লোক-সংস্কৃতিত নিহিত থকা বিভিন্ন প্ৰথা, পৰম্পৰা, একোটা মাধ্যম হিচাপে এইসমূহক 'মৌখিক, শ্ৰৱণ আৰু দৃশ্যমান' ৰূপ বুলি সংজ্ঞা দিব পাৰি, যিবিলাক সাধাৰণ লোকজীৱনৰ বাবে পৰিচিত, তেওঁলোকৰ দ্বাৰা গ্ৰহণীয় আৰু তেওঁলোকক বিনোদন, তথ্য প্ৰদান, সমৃদ্ধিশালী, শিক্ষিত আৰু নিৰ্দেশনা কৰিবৰ উদ্দেশ্য তেওঁলোকৰ দ্বাৰা পৰিৱেশন কৰা হয়।

লোককলাৰ সৃষ্টিৰাজি বা প্ৰকাশ হিচাপে লোকমাধ্যমৰ কম-বেছি পৰিমাণে নিজৰ পৰিচয় একোটা আছেই, সেয়া হ'ল তেওঁলোকৰ নিজা সংগঠনৰ বিধি বা নিয়মসমূহ নতুবা তেওঁলোকৰ উপস্থাপনৰ নিজা কৌশলসমূহ। অতি প্ৰয়োজনীয় কথা হ'ল এই মাধ্যমসমূহত প্ৰায় সকলো উপাদানতে সংগীতৰ জৰিয়তে বা অ-মৌখিক প্ৰতীকৰ জৰিয়তে প্ৰত্যেক্ষ বা পৰোক্ষভাৱে একোটা বাৰ্তা বহন কৰা হয়। এই বাৰ্তাসমূহ সাধাৰণ লোকৰ বোধগম্য হয় কিয়নে এই বাৰ্তাসমূহৰ পৰিভাষাসমূহ লোকজীৱনৰ পৰাই আহৰণ কৰা হয়।

লোক মাধ্যমৰ কথা ভবাৰ লগে লগে আমাৰ মানস পটেৰে লোকগীত, লোক কবিতা, লোক নৃত্য, পুতলা নাচ, কাহিনী কথন, লোক নাট্য আদিৰ ছবি পাৰ হৈ যায়। সমগ্ৰ বিশ্বৰে লোক মাধ্যমবোৰৰ ভিতৰত কেইটামান সকলোৱে জনা লোক কলাৰ উদাহৰণ হ'ল চীনা অপেৰা, ভাৰতীয় যক্ষগান, ইণ্ডোনেচিয়াৰ ৱায়াং কুলিট আৰু ফিলিপাইন জাৱজুৱেলা। লোকমাধ্যমৰ এতিয়াও ক্ৰমবিকাশ ঘটি আছে। ই এক গতিশীল, পৰিৱৰ্তনশীল আৰু অভিযোজন ধৰ্মী মাধ্যম। লোক মাধ্যমবোৰৰ বিভিন্ন ৰূপত বিভিন্ন নতুন ৰূপ, পদ্ধতি আৰু কৌশলৰ সংযোগ ঘটি গৈ থাকে। বহুতো লোকমাধ্যমে পুৰণি ৰূপ, ধাৰণা আৰু কৌশল সম্পূৰ্ণৰূপে পৰিহাৰ কৰিছে। বহুতো লোকমাধ্যমবোৰ যিবোৰ সমাজত প্ৰচলিত তাত পুৰণি ৰূপবোৰ সম্প্ৰতি অৰ্থবহ নাইবা ফলপ্ৰসূ কাৰ্যসম্পাদনকাৰী হৈ থকা নাই। বৰ্তমান আমি প্ৰায়েই পৰিয়াল পৰিকল্পনা আৰু এইডচ্ সজাগতাৰ দৰে সামাজিক বিষয়বোৰ সমাজ ব্যৱস্থাৰ অংগাংগী হৈ পৰা দেখোঁ। কিন্তু কিছু বছৰ আগলৈকে এনে বিষয়বোৰক ভাৰতীয় সমাজত মুকলিকৈ আলোচনা কৰিব নোৱাৰা প্ৰতিষিদ্ধ (taboo) বিষয় বুলি গণ্য কৰা হৈছিল।

১৯৭০ৰ দশকৰ প্ৰথম ভাগত উন্নয়নমূলক কাম-কাজ আগবঢ়াই নিয়াৰ এক মাধ্যম ৰূপে লোক মাধ্যম প্ৰয়োগৰ ধাৰণাটোৰ অভ্যুদয় ঘটিছিল। ১৯৭২ আৰু ১৯৭৪ চনত ইউনেস্কোই লণ্ডন আৰু নতুন দিল্লীত দুখন 'বিশেষ পৰ্যায়ৰ বৈঠক' অনুস্থিত কৰিছিল। এই বৈঠকত সংযোগ বিষয়ৰ পণ্ডিত, চৰকাৰী আমোলা, লোক মাধ্যম বিশেষজ্ঞ আৰু লোক কলা অনুশীলনকাৰীসকলে মিলিত হৈ কেনেদৰে কিছুমান বিশেষ উন্নয়নমূলক কাৰ্যসূচীৰ কাৰ্যৰূপায়ণত লোকমাধ্যম আৰু গণমাধ্যম ব্যৱহাৰ কৰিব পৰা যায় তাৰ বিষয়ে আলোচনা কৰিছিল। এই বৈঠক দুখনক উন্নয়ন ক্ষেত্ৰত লোক মাধ্যম প্ৰয়োগৰ বিষয়টো পৰীক্ষা কৰি চোৱাৰ দিশত হোৱা সবাতোকৈ বিস্তৃত আলাপ-আলোচনা বুলি গণ্য কৰা হয়। পৰম্পৰাগত লোক মাধ্যমৰ কোনো সুনিৰ্দিষ্ট ভাষা, নীতি-নিয়ম অথবা সাহিত্য নাই। এই মাধ্যম কেৱল মৌখিক আৰু কাৰ্য সম্পাদনকাৰী উৎসবোৰৰ পোষকতা প্ৰচলিত হৈ আহিছে। পৰম্পৰাগত লোক মাধ্যম পৰিচিত, ব্যক্তিগত আৰু অধিক ভাৰসাযোগ্য প্ৰকৃতিৰ। এইবোৰ বৈশিষ্ট্যৰ বাবে মানুহে লোককলাৰ কোনো এটা ৰূপৰ সৈতে সহজে আত্মীয়তা স্থাপন কৰিব পাৰে। পৰম্পৰাগত লোক মাধ্যমত সংশ্লিষ্ট ভাষিক-সাংস্কৃতিক গোটবোৰৰ সামাজিক-ৰীতি ভিত্তিক, নৈতিক আৰু আৱেগিক প্ৰয়োজনীয়তা প্ৰকাশ কৰিব পৰাকৈ বহুতো উপযুক্ত ছেনেল (পন্থা) থাকে।


জানি থোৱা ভাল



চীনা অপেৰা ঃ ই চীন দেশৰ প্ৰাচীন কলাৰ পৰিচয় থকা চীনৰ এক জনপ্ৰিয় নাটশৈলী আৰু সাংগীতিক থিয়েটাৰ। ই এক সন্মিলিত পৰিৱেশ্য কলা যি প্ৰাচীন চীন দেশত প্ৰচলিত বিভিন্ন কলা কথাশৈলীসমূহৰ এক মিলন। ই হাজাৰ বছৰৰ মূৰত লাহে লাহে পৰিৱৰ্তিত হৈ, তেৰশ শতিকাৰ চুং সাম্ৰাজ্যৰ কালত এক পৰিপক্ক পৰ্যায়ত উপনীতি হৈছিল।



Fig : ছেংগ্‌ডুৰচিছুৱান অপেৰা



জাভা ৱায়াং কুলিত মহাভাৰতৰ পাঁচ পাণ্ডৱ ভাতৃসকল
(Source : Gunawan Kartapranata (2008), https://commons. wikimedia. org/wiki/ File: Wayang_ Pandawa. jpg)

ৱায়াং কুলিট ঃ ৱায়াং কুলিট হ'ল ভাৰতীয় মূলৰ আৰু বৰ্তমান ইন্দোনেচিয়াত পৰিৱেশন কৰা এবিধ পৰম্পৰাগত পুতলা নাচ। ই প্ৰথা ৰীতি, শিক্ষণ আৰু বিনোদনৰ এক অনন্য সংমিশ্ৰণ। বন্ধনীকৃত ছবিসমূহ এখন দীঘলীয়া স্ক্ৰীণত নাৰিকল তেল বা ইলেক্ট্ৰিক লাইটৰ সৈতে উলম্বকৈ প্ৰদৰ্শন কৰা হয়। দলং (ছাঁৰ শিল্পী)-এ ছাঁ-জীৱনক দেখুৱাবলৈ লেম্প আৰু স্ক্ৰীণৰ মাজত ৰৈখিক আকাৰবিলাকক পৰিবৰ্দ্ধিত কৰে। ৱায়াং কুলিত বিশেষভাৱে জাভাত বিবাহ উৎসৱৰ সময়ত পৰিৱেশন কৰা হয়।

ফিলিপিন জাৰজুৱেলা ঃ ফিলিপিন জাৰজুৱেলা এক প্ৰকাৰৰ (ছাৰচুৱেলা) নাটক যাৰ মূল আছিল স্পেইনত আৰু ই হ'ল মঞ্চত পৰিৱেশন কৰা গীত আৰু নাটক। এই গীতসমূহ কাৰ্যকৰী (Operate) আৰু জনপ্ৰিয় লয় দুয়ো ধৰণতে কোৱা আৰু গোৱা হয়। এই ফিলিপিন থিয়েটাৰৰ কলাত্মক ৰূপ আৰু পৰিৱেশনে ফিলিপিনৰ সাংস্কৃতিক আৰু তেওঁলোকৰ জীৱনৰ বিভিন্ন দৃশ্যপটক প্ৰতিফলিত কৰে। ফিলিপিন জাৰজুৱেলাৰ এই পটভূমিয়ে ফিলিপিন জীৱনৰ Positive আৰু Negative দুয়ো দিশ দেখুৱাই, যেনে— পৰিয়াল ৰাজনীতি, মূল্যবোধসমূহ,



Fig : ফিলিপিন জাৰজুৱেলা
(উৎস ঃ http://philippinereporter.com/ files/2009/12/valentina-casts.jpg

চৰকাৰৰ দুর্নীতি ইত্যাদি।

যক্ষগান ঃ যক্ষগান হ'ল এক লোক থিয়েটাৰৰ ৰূপ যি এক সংগীত, বচন, সাজ-সজ্জা, মেকআপ আৰু মঞ্চ কৌশলৰ এক সুকীয়া সংমিশ্রণ আৰু শৈলিক দেখুৱায়। এই লোক থিয়েটাৰ প্রধানত কর্ণাটকৰ মালানাডু অঞ্চলত পোৱা যায়। যক্ষগান সন্ধিয়াৰ পৰা পুঁৱতি নিশালৈ পৰম্পৰাগত পদ্ধতিৰে পৰিৱেশন কৰা হয়।



Fig : ৰাজুকচ্ (২০১০), https://commons.wikimedia.org/wiki/File: Yakshaganads.jpg



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ উন্নয়নৰ উদ্দেশ্য লোকমাধ্যমৰ ব্যৱহাৰৰ ধাৰণাই কেতিয়া প্রথম স্থান লৈছিল?

.....

.....

প্রশ্ন নং ৫ ঃ লোকমাধ্যম স্থবিৰ প্রকৃতিৰ নে সমাজত পৰিৱর্তনৰ এক বিষয়?

.....

.....

১.৫ পৰম্পৰাগত লোকমাধ্যমৰ জৰিয়তে যোগাযোগ

ভাৰতত লোক-সংস্কৃতি প্রচুৰ আছে। এয়া মূলতঃ বর্তি আছে ভৌগোলিক বৈচিত্র্যতা, গ্রাম্য অৱস্থিতি আৰু আধুনিক শিক্ষাৰ অভাৱৰ বাবে। পৰিয়াল শ্রেণী, জনগোষ্ঠী আৰু গোত্রসমূহৰ গাঁথনিৰে বর্তি থকা ভাৰতীয় সমাজৰ বর্তমানলৈকে লোক-সংস্কৃতি আৰু পৰম্পৰাৰ গভীৰ সম্পর্ক আছে।

ইতিমধ্যে আলোচনা কৰাৰ দৰে পৰম্পৰা শীর্ষক বিষয়টো যিয়ে ৰীতি-নীতি, অভ্যাস আৰু মানুহৰ জীৱন ধাৰণৰ পদ্ধতিক সূচায়, মানৰ সভ্যতাৰ আৰম্ভণিৰ পৰাই সমাজত চলি আহিছে আৰু এটা প্রজন্মৰ পৰা আনটো প্রজন্মলৈ বাগৰি অহাৰ মাধ্যম হৈছে লিখিত অথবা কথিত ৰূপত। সকলো লোকৰ অংশগ্রহণ আৰু স্বতঃস্ফূর্ততাই হৈছে 'লোক' বা 'গণ' শব্দটোৰ অন্তর্নিহিত অর্থ। এখন সমাজৰ লোক-সংস্কৃতিক চাৰিটা ভাগত বিভক্ত কৰা হয়—

১) **মৌখিক পৰম্পৰা ঃ** যিসমূহ পৰম্পৰা সমাজত মানুহৰ মুখে মুখে প্রচলিত হৈ আহিছে সেয়ে মৌখিক পৰম্পৰা। যেনে— লোক-কথা, লোক-সংগীত আৰু বাণী। ইয়াৰ ভিতৰত

আমাৰ সমাজত প্ৰচলিত বহু লোকগীত ৰূপকথা বা লোককথা, লোক কবিতা, বেলাড বা শোকগাথা, পদ্য, প্ৰবচন, বৰ্ণনাধৰ্মী মহাকাব্যক সাঙুৰি ল'ব পাৰি।

২) **বস্তুগত সংস্কৃতি ঃ** আগতেই উল্লেখ কৰি অহা হৈছে যে পৰম্পৰাগত লোক-সংস্কৃতি পৰিৱেশনৰ ওপৰত নিৰ্ভৰশীল নহয়, কিন্তু ই প্ৰকৃততে বিভিন্ন উপলক্ষত মানুহৰ বিশাল জীৱনক সন্নিৱিষ্ট কৰাৰ বাবে প্ৰসাৰিত হয়। সেয়ে বস্তুগত সংস্কৃতিয়ে লোকাচাৰৰ দৃশ্যমান দিশসমূহক অন্তৰ্ভুক্ত কৰে। ই লোকজীৱনৰ বিভিন্ন কৌশলসমূহ, খাদ্যপ্ৰণালী, গ্ৰাম্য কলা আৰু হস্তশিল্পত চালিত সূত্ৰসমূহ, পাৰম্পৰিক নাটসমূহ, ঘৰৰ ডিজাইন, কাপোৰ ফেচন, কৃষিকাৰ্য, মৎস্যপালন, বিভিন্ন ধৰণৰ সা-সঁজুলি, যন্ত্ৰপাতি আদিক সামৰি লয়।

৩) **সামাজিক লোকপ্ৰথাসমূহ ঃ** সামাজিক লোকপ্ৰথাসমূহ পৰম্পৰাগত লোকজীৱনৰ অংগ কিন্তু এই প্ৰথাসমূহে ব্যক্তিগত কৌশল তথা পৰিৱেশনতকৈ সমগ্ৰ সম্প্ৰদায় বা গোষ্ঠীৰ ওপৰত গুৰুত্ব দিয়ে। বৃহৎ পৰিয়াল আৰু সম্প্ৰদায়ৰ পালনীয়সমূহ বিভিন্ন ধৰ্মীয় বিধানৰ সতে জড়িত, যেনে— জন্ম, শৰণ-ভোজন, বিবাহ, মৃত্যু নতুবা বছেৰেকীয়া সকাম, উৎসৱ, মেলা, ৰীতি-নীতিমূলক সন্মিলনসমূহ, বজাৰ উপলক্ষসমূহ আৰু গ্ৰাম্য উৎসৱসমূহ। এই সকলোকে সামাজিক লোক প্ৰথা হিচাপে আখ্যা দিব পাৰি।

৪) **পৰিৱেশ্য কলা ঃ** লোক-সংস্কৃতিক অতিকৈ ৰঙীন আৰু সজীৱ ভাগসমূহেই পৰিৱেশ্য কলা আৰু এইসমূহৰ পৰাই অন্য লোকে এটি বিশেষ সংস্কৃতিক চিনাক্ত কৰিব পাৰে। এইসমূহ হ'ল পাৰম্পৰিক সংগীত, মুখ্য শিল্প, নৃত্য আৰু নাটক।

এতিয়া আপোনালোকে উপৰ্যুক্ত চাৰিওবিধ কলাৰ ৰূপ যদি বিবেচনা কৰে, আপোনালোকে দেখিব যে মৌখিক পৰম্পৰা আৰু পৰিৱেশ্য কলাই যোগাযোগৰ প্ৰধান মাধ্যম। যিহেতু প্ৰাচীন কলাত সাধু কওঁতাই, গীতিকাৰে কবি বা লোক-সংস্কৃতিৰ অন্যান্য মনোৰঞ্জনকাৰীসকলে মুখা-মুখি আদান-প্ৰদানৰ যোগেদি বাতৰি আৰু তথ্য যোগানৰ উপায় হিচাপে ব্যৱস্থা কৰিছিল আৰু ইয়াৰ প্ৰেক্ষাপটসমূহ আছিল পৰিয়ালৰ সভাসমূহ, সামাজিক আৰু সাম্প্ৰদায়িক সবাসমূহ। লোক কলাৰ এই ৰূপসমূহৰ জৰিয়তে মানুহৰ সংস্কৃতিৰ বিশ্বাস, মূল্যবোধসমূহ, আচৰণসমূহ প্ৰকাশ পায় আৰু ই ইটো প্ৰজন্মৰ পৰা সিটো প্ৰজন্মলৈ বাগৰি আহিছে।

উদাহৰণ স্বৰূপে, লোকশিল্পীসকলে সমাজৰ পৰা চয়তানক নাশ কৰিবলৈ নিন্দা গীতৰ ৰূপ দি অতি প্ৰয়োজনীয় বিষয়ৰ অৱতাৰণা কৰে। আকৌ পিছপৰা গাঁও আৰু সম্প্ৰদায়সমূহৰ মাজত মৌখিক আৰু চলিত লোকগীতসমূহে এক চিৰস্থায়ী আসন লৈ আহিছে। ভাৰতত নীতিমূলক, ধৰ্মীয় আৰু সামাজিক-ৰাজনৈতিক উদ্দেশ্য পূৰণৰ বাবে লোক কলাক এক দৃশ্যপট বুলিয়ে জনা যায়। আমি এইটোও বুজা উচিত যে ভাৰতত লোক কলা কেৱল এক বিনোদনৰ আহিলাই নহয়। দৰাচলতে এই লোক কলাই বিদ্যালয়ৰ শিক্ষাত, ন্যায়ালয়ত, আলোচনাত মঞ্চত বহুমুখী ভূমিকা গ্ৰহণ কৰিছে। প্ৰকৃততে, প্ৰতিটো লোক কলাৰ প্ৰতিটো ৰূপে ই নিৰ্দিষ্ট আৰু বিশেষ ধৰ্মীয়, সাম্প্ৰদায়িক, জাতিগত আৰু ভাষাগত পৰিচয় বহন কৰে। সেয়ে ই যি মূলবোধ আৰু সংগঠনৰ স্বৰূপ বহন কৰে তাক অৱজ্ঞা কৰিব নোৱাৰি। এই লোক কলাসমূহে আমাৰ পূৰ্বপুৰুষসকলৰ

পৰম্পৰা আৰু সংস্কৃতি অতি দৃঢ়তাৰে আৰু নিষ্ঠাৰে সংৰক্ষণ কৰে। এই লোক কলাসমূহ তুলনামূলকভাৱে কম ব্যয়জনিত আৰু সাধাৰণ মানুহৰ দ্বাৰা সহজে বোধগম্য হোৱা বাবে বা সাধাৰণ লোকৰ স্বকীয় মাধ্যম হোৱা বাবে তেওঁলোকে এই মাধ্যমক চিনাক্ত কৰিব পাৰে। সেয়ে এই মাধ্যসমূহে (লোক কলা) গ্ৰাম্য অঞ্চলত বিশাল জনপ্ৰিয়তা লাভ কৰিছে। লোক কলাৰ অতিশয় স্বতঃস্ফূৰ্ত, অংশগ্ৰহণমূলক আৰু প্ৰায়োগিক গুণসমূহে এইসমূহক অন্য যিকোনো যোগাযোগ গণমাধ্যমতকৈ শক্তিশালী আৰু প্ৰভাৱশালী যোগাযোগ মাধ্যম হিচাপে পৰিগণিত কৰিছে।

বৰ্তমান সময়ত, গনমাধ্যমৰ পৰিৱৰ্তেই হওক বা গনমাধ্যমৰ সৈতে মিলিত হৈয়ে হওক গ্ৰাম্য অঞ্চলসমূহত জনসাধাৰণক উন্নয়নৰ বিভিন্ন বাৰ্তা প্ৰেৰণ কৰিবৰ বাবে বহুতো এজেন্সি আৰু সংগঠনে লোকমাধ্যমক বৰ্দ্ধিতভাৱে ব্যৱহাৰ কৰিবলৈ লৈছে। বহুতো আন্তঃৰাষ্ট্ৰীয় সংস্থা, যেনে— UNESCO, USAID আৰু বহুতো চৰকাৰী সংস্থাই পৰম্পৰাগত লোকমাধ্যমক ব্যৱহাৰ কৰিছে। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰণ বিভাগৰ এটি গুৰুত্বপূৰ্ণ বিভাগ সংগীত আৰু নৃত্য শাখাই জনসাধাৰণৰ বাবে প্ৰাসংগিক বহুতো বিষয়ত তেওঁলোকৰ সচেতনতা বৃদ্ধি কৰিবলৈ পৰম্পৰাগত লোকমাধ্যমক এক বিশাল পৰিসৰত ব্যৱহাৰ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ মৌখিক পৰম্পৰা বুলিলে আপুনি কি বুজে?

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ গ্ৰাম্য অঞ্চলত গনমাধ্যমতকৈ লোকমাধ্যম কিয় অধিক জনপ্ৰিয়?

.....

.....

.....

১.৬ সামাজিক-সাংস্কৃতিক আৰু ধৰ্মীয় আচাৰমূলক যোগাযোগৰ মাধ্যম হিচাপে পৰম্পৰাগত লোক পৰম্পৰা

আপোনালোকে কেতিয়াবা এনে কোনো উৎসৱ দেখিছেনে য'ত ইয়াৰ স'তে কিছুমান অনুষ্ঠান পৰিৱেশন নতুবা খেল জড়িত হৈ থাকে, নতুবা কিছুমান পৰম্পৰাগত নাট্যভংগী আৰু ছবি জড়িত হৈ থাকে? যদি আপুনি এনে উৎসৱৰ সাক্ষী হৈছে, তেন্তে আপোনালোকে দেখিবলৈ পাব যে এনে উৎসৱত গাঁৱৰ লোকসকল একগোট হৈ কিছুমান অনুষ্ঠানত অংশগ্ৰহণ কৰে। প্ৰায়ে দেখিবলৈ পোৱা যায় যে গাঁৱৰ ভিন্ ভিন্ বয়সৰ লোকসকল, যেনে— বৃদ্ধ, পুৰুষ, মহিলা আৰু শিশুসকলৰ বাবে সুকীয়া সুকীয়া খেলা আৰু কাৰ্য থাকে। সাধাৰণ ৰাইজৰ এনে খেল-ধেমালিৰ অংশগ্ৰহণে

তেওঁলোকক কেৱল শিথিলতা আৰু মনোৰঞ্জন প্ৰদান কৰাই নহয়, তেওঁলোকৰ মাজত দলীয় উদ্যমৰ বিকাশ ঘটায়। এইবিলাক তেওঁলোকে পালন কৰিব পৰাকৈ অন্তৰংগ, ব্যক্তিগত আৰু প্ৰভাৱশালী।

জনসাধাৰণে উন্নয়নৰ দিশসমূহ নিজস্ব ধৰণেৰে প্ৰকাশ কৰাৰ বাবে পৰম্পৰাগত মাধ্যমসমূহ জনজীৱনৰ এক অবিচ্ছেদ্য অংগ। ভাৰতবৰ্ষত এই মাধ্যমসমূহে জনজীৱন চালিকা শক্তি হিচাপে সফল হৈছে। আমাৰ দেশত তৃণমূল পৰ্যায়ত জনসাধাৰণৰ প্ৰতি উন্নয়ন বাৰ্তাসমূহ আদান-প্ৰদানৰ বাবে পৰম্পৰাগত মাধ্যমক ব্যৱহাৰ কৰা হৈছে।

আহক আমি বিশ্লেষণ কৰো এইটো কেনেকৈ কৰা হৈছিল। পৰম্পৰাগত পৰিৱেশনসমূহ, যেনে— ৰীতিমূলক নৃত্য, ধৰ্মীয় গীতসমূহ আৰু অতি জনপ্ৰিয় পৌৰাণিক নাটসমূহক গ্ৰাম্য সমাজৰ প্ৰতি জনসংশ্যা, স্বাস্থ্য আৰু স্বচ্ছতাৰ বাৰ্তা প্ৰেৰণ কৰিবৰ বাবে ব্যৱহাৰ কৰা হৈছে। সেইবাবেই জনসাধাৰণৰ সমসাময়িক প্ৰয়োজনীয়তাসমূহ পূৰণৰ বাবে উন্নয়ন বাৰ্তা বহন কৰা ক্ষেত্ৰত কোনটো পৰম্পৰাগত পৰিৱেশন কলা শিখিল তাক চিহ্নিত কৰিবলৈ যোগাযোগকাৰীসকলে বিভিন্ন পৰম্পৰাগত কলাৰ শ্ৰেণীসমূহ পৰীক্ষা কৰি চাব লাগিব। শিথিলতা হ'ল আটাইতকৈ প্ৰয়োজনীয় উপাদান। ই গ্ৰাম্য যোগাযোগৰ বাবে পৰম্পৰাগত মাধ্যমৰ প্ৰয়োগিকতাক নিৰ্ণয় কৰে। সংস্কৃতি বৈপৰীত আদান-প্ৰদানৰ বাধাসমূহ ইয়াত সন্মুখীন হোৱা নাযায়। যদিও এই মাধ্যমসমূহ বিশেষ সাংস্কৃতিক আৰু আঞ্চলিক ভিত্তিক, তেওঁলোকে অ-মৌখিক আদান-প্ৰদানৰ জৰিয়তে অকলশৰীয়া সাংস্কৃতিক গোষ্ঠী একোটাৰ সৈতে বন্ধুত্ব স্থাপন কৰিব পাৰে। এনে স্থানীয় মাধ্যমসমূহ কেৱল ভাৰততে দেখা নাযায়, পৃথিৱীৰ অন্যান্য দেশতো দেখিবলৈ পোৱা যায়। বিভিন্ন সমাজসমূহৰ ভিতৰত আফ্ৰিকান 'ৰীতিমূলক থিয়েটাৰ' বহুলভাৱে প্ৰচলিত। ৰীতিমূলক থিয়েতাৰসমূহত বিশাল (Invariably) অংশগ্ৰহণৰ প্ৰয়োজন হয়— ই জীৱনশৈলীৰ পৰিৱৰ্তনৰ ওপৰত তথ্য আদান-প্ৰদানৰ এক মাধ্যম।

পৰিৱেশ্য আৰু সুকুমাৰ কলাক ভাষাৰ প্ৰয়োজন নাই। আপোনালোকে মানুহক বজাৰ স্থানত, প্ৰদৰ্শনীত নতুবা সামাজিক সন্মিলনত ব্যস্ত থকা দেখিছেনে? যেতিয়া সকলো মানুহে একেলগে গোট খায়, তেওঁলোকৰ মাজত যোগাযোগ আৰম্ভ হয় আৰু তাত বিষয়ত আলোচনা কৰাৰ সম্ভাৱনীয়তা থাকে।এক সামাজিক, ৰীতিমূলক অথবা সাংস্কৃতিক গোটকৰণে এটা আলোচনাৰ আৰম্ভণি কৰিব আৰু তেতিয়াই তেওঁলোকৰ মাজত আদান-প্ৰদান আৰম্ভ হ'ব। এখন বজাৰৰ স্থান, একোটা উৎসৱ, ধৰ্মীয় অনুষ্ঠান অথবা এক আনন্দ উৎসৱ— এই সকলো পৰিস্থিতি য'ত যোগাযোগ মাধ্যমে স্থান লয়।এনে অনানুষ্ঠানিক বাৰ্তালাপৰ বাবে যিকোনো মঞ্চ বা অভিনেতাই সাধাৰণ লোকৰ ওপৰত শক্তিশালী প্ৰভাৱ পেলাব পাৰে।



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'পৰম্পৰাগত লোক পৰম্পৰা'ৰ ধাৰণাই সাধাৰণ লোকৰ পৰিৱেশনক বুজায়।
- পৰম্পৰাগত লোক পৰম্পৰা মাথোন নৃত্য আৰু সংগীততেই সীমাবদ্ধ নহয়, ই কলা আৰু শিল্প কৰ্মকো সাঙুৰি লয়।
- মূলতঃ সাধাৰণ লোকসকলে উপলব্ধি কৰা আত্মপ্রকাশৰ প্রয়োজনীয়তা আৰু তেওঁলোকে বৰ্তি থকা সমাজখনত অনুগামীসকল সৈতে কিবা এটি সৌন্দর্যময় সৃষ্টি আদান-প্রদান কৰাৰ সহজাত মানৰীয় প্রবৃত্তিৰ বাবেই পৰম্পৰাগত লোকমাধ্যমৰ জন্ম হৈছিল।
- ভাৰতবর্ষত লোক পৰিৱেশন এক সন্মিলিত কলা। ই সংগীত, নৃত্য, ভাওনা, কাব্য, মহাকাব্যিক ৰচনাসমূহ, ধর্মীয় আৰু কৃষিভিত্তিক উৎসৱসমূহৰ এক সংমিশ্রণ। ইয়াত বিভিন্ন উপলক্ষমূলক অনুষ্ঠানসমূহ, ৰীতি-নীতি, বিশ্বাস আৰু সামাজিক ব্যৱস্থাৰ প্রথাসমূহৰ সন্নিৰিষ্ট হৈ থাকে।
- গ্রাম্য ভাৰত,বিভিন্ন লোক কলা, থিয়েটাৰ, সংগীত, নৃত্য কলা আৰু শিল্পৰ এক আপুৰুগীয়া সংৰক্ষণ থলী। লোক কলাই আমাৰ আত্মপ্রকাশৰ সহজাত প্রবৃত্তিক পৰিতৃপ্তি প্রদান কৰে।
- বিহু, লোকগীত, বৰগীত, বনগীত, সত্রীয়া ভাওনা, নিচুকনী গীত, আইনাম, ওজাপালি, বৈৰাগী ইত্যাদি অসমৰ লোক কলাৰ ভিন্ ভিন্ ৰূপ। পুতলা নাট আৰু বাটৰ নাটো অসমৰ অতি জনপ্রিয় লোক কলা।
- অন্যান্য প্রচলিত মাধ্যমতকৈ লোকমাধ্যমৰ বহুতো সুবিধা আছে। আটাইতকৈ জৰুৰী কথা হ'ল লোকমাধ্যমৰ এক সম্পূর্ণ সুকীয়া আকর্ষণ আছে যিটো অন্য মাধ্যমৰ ক্ষেত্রত দেখা পোৱা নাযায়।
- পৰিচিত, ব্যক্তিগত বিনিময়, সাধাৰণ ভাষা একোটা, বুদ্ধিমত্তা, বিশ্বাসযোগ্যতা আৰু গ্রহণযোগ্যতাই লোকমাধ্যমক গ্রামাঞ্চলৰ লোকৰ মাজত বিশ্বজনীনভাৱে গ্রহণযোগ্য কৰি তুলিছে।
- ভাৰতত লোক-সংস্কৃতি প্রচুৰ আছে। এয়া প্রধানতঃ বৰ্তি আছে ভৌগোলিক বৈচিত্র্যতা, গ্রাম্য অৱস্থিতি আৰু আধুনিক শিক্ষাৰ অভাৱৰ বাবে। পৰিয়াল, শ্রেণী, জনগোষ্ঠীয় গোত্রসমূহৰে বৰ্তি থকা ভাৰতীয় সমাজত বর্তমানলৈকে লোক-সংস্কৃতি আৰু পৰম্পৰাৰ গভীৰ সম্পর্ক আছে।
- এখন সমাজত লোক-সংস্কৃতি চাৰিটা ভাগত বিভক্ত কৰা হৈছে—
  - মৌখিক পৰম্পৰা।
  - বস্তুগত সংস্কৃতি
  - সামাজিক লোক প্রথাসমূহ
  - পৰিৱেশ্য কলা

এই চাৰিটা কলাৰ ভিতৰত মৌখিক পৰম্পৰা আৰু পৰিৱেশ্য কলা যোগাযোগৰ প্ৰধান মাধ্যম।

- বৰ্তমান সময়ত, উন্নয়নৰ বাৰ্তা প্ৰেৰণ কৰিবৰ বাবে লোকমাধ্যমক বিভিন্ন সংস্থা আৰু সংগঠনে বৰ্দ্ধিতভাৱে ব্যৱহাৰ কৰিব লৈছে।



১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Mukhopadhyay, Durgadas (1994), *Folk Arts & Social Communication*, Publications Division, Government of India.
2) Parmar, Shyam (1975), *Traditional Folk Media in India*, Gekha Books.

১.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত লোকমাধ্যম বুলি 'সাধাৰণ লোকৰ পৰিৱেশন'ক সূচায়। এই ধাৰণাটিয়ে পৰিৱেশ্য কলাক সূচায়, যাক মানুহ সাংস্কৃতিক প্ৰতীক হিচাপে ব্যাখ্যা কৰিব পাৰি।

২নং প্ৰশ্নৰ উত্তৰ ঃ কলা আৰু শিল্প

৩নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ কিছুমান জনপ্ৰিয় পৰম্পৰাগত লোকমাধ্যম হ'ল— ওজাপালি, ভ্ৰাম্যমান থিয়েটাৰ, ভাওনা, সত্ৰীয়া নৃত্য, লোকগীত, বৰগীত, বিহু, পুতলা নাচ ইত্যাদি।

৪নং প্ৰশ্নৰ উত্তৰ ঃ উন্নয়নৰ বাবে লোকমাধ্যম ধাৰণাই বাস্তৱ আকাৰ ল'লে ১৯৭০ চনত।

৫নং প্ৰশ্নৰ উত্তৰ ঃ লোকমাধ্যমসমূহ এতিয়াও প্ৰকাশ্য পৰিৱৰ্তনশীল, শক্তিশালী আৰু গ্ৰহণীয়। এই মাধ্যম সমূহত বিভিন্ন ধৰণৰ নতুন ধাৰণা, নতুন আৰ্হি আৰু কৌশল নিহিত থাকে, যিবোৰ সমাজৰ সেৱাৰ বাবে অৰ্থপূৰ্ণ আৰু কাৰ্যকৰী হ'ব পাৰে আৰু এইসমূহে পুৰণি কৌশল, ৰীতিসমূহ পৰিত্যাগ কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ মৌখিক পৰম্পৰা বুলিলে পৰম্পৰাগত উচ্চাৰণৰ সেই ভাগসমূহক বুজায় যিবোৰ মৌখিক, যেনে— কথিত, গোৱা, কোৱা ইত্যাদি। ইয়াৰ ভিতৰত গীত, ৰূপকথা, কবিতা, বেলাড বা শোকগাথা, প্ৰবচন, পদ্য, বৰ্ণনাধৰ্মী মহাকাব্যক সাঙুৰি ল'ব পাৰি।

৭নং প্ৰশ্নৰ উত্তৰ ঃ লোক কলাসমূহে আমাৰ পূৰ্বপুৰুষসকলৰ পৰম্পৰা আৰু সংস্কৃতিক অতি নিষ্ঠা আৰু দৃঢ়তাৰে সংৰক্ষন কৰে। লোক কলাসমূহ তুলনামূলকভাৱে কম ব্যয়জনিত আৰু সাধাৰণ মানুহৰ দ্বাৰা সহজে বোধগম্য হোৱা বাবে বা সাধাৰণ লোকৰ স্বকীয় মাধ্যম হোৱা বাবে তেওঁলোকে এই মাধ্যমক সহজে চিনাক্ত কৰিব পাৰে। সেয়ে এই মাধ্যমসমূহে (লোক কলা) গ্ৰামাঞ্চলত বিশাল জনপ্ৰিয়তা অৰ্জন কৰিছে। এই লোক

কলাসমূহৰ অতিশয় স্বতঃস্ফূর্ততা, অংশগ্রহণমূলক আৰু প্রায়োগিক গুণসমূহে এই মাধ্যমক অন্য যিকোনো যোগাযোগ মাধ্যমতকৈ শক্তিশালী আৰু প্রভাৱশালী যোগাযোগ মাধ্যম হিচাপে পৰিগণিত কৰিছে।



১.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ পৰম্পৰা বুলিলে আপুনি কি বুজে?

প্রশ্ন ২ ঃ লোক কলাৰ পৰিৱেশনক কিয় সন্মিলিত কলা বুলি কোৱা হয়?

প্রশ্ন ৩ ঃ বিভিন্ন লোক কলাৰ মাজত পার্থক্য আছেনে? উদাহৰণ দিয়ক।

খ) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিব) ঃ

প্রশ্ন ১ ঃ ৰাইয়াং কুলিট বুলিলে কি বুজে?

প্রশ্ন ২ ঃ আপুনি মৌখিক পৰম্পৰা আৰু পৰিৱেশ্য কলা যোগাযোগৰ প্রধান মাধ্যম বুলি বিবেচনা কৰেনে? কিয়?

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিব) ঃ

প্রশ্ন ১ ঃ আমাৰ সমাজত পৰম্পৰাগত লোকমাধ্যমৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ অন্যান্য প্রচলিত মাধ্যমতকৈ পৰম্পৰাগত লোকমাধ্যমৰ সুবিধাসমূহ কি কি?

প্রশ্ন ৩ ঃ আপুনি ভাবেনে যে পৰম্পৰাগত লোক মাধ্যমে গণমাধ্যমৰ স্থান ল'ব পাৰিব? উদাহৰণেৰে সৈতে আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দর্শাওক।

প্রশ্ন ৪ ঃ পৰম্পৰাগত লোকমাধ্যমে কেনেকৈ সমাজ, সংস্কৃতি আৰু পৰম্পৰাক প্রতিফলিত কৰে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ পৰম্পৰাগত লোকমাধ্যমৰ বৈশিষ্ট্য

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ গণমাধ্যম হিচাপে পৰম্পৰাগত মাধ্যম
২.৪ পৰম্পৰাগত মাধ্যমৰ বৈশিষ্ট্য আৰু ইয়াৰ সুবিধা-অসুবিধা
২.৪.১ লোকমাধ্যমৰ বৈশিষ্ট্যসমূহ
২.৪.২ লোকমাধ্যমৰ সুবিধাসমূহ
২.৪.২ লোকমাধ্যমৰ অসুবিধাসমূহ
২.৫ পৰম্পৰাগত মাধ্যম হিচাপে কাহিনী কথন
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্রগতিৰ খতিয়ান
২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কেনেকৈ পৰম্পৰাগত লোকমাধ্যমে গণসংযোগৰ মাধ্যম হিচাপে কাম কৰে সেয়া গম পাব
- পৰম্পৰাগত মাধ্যমৰ বৈশিষ্ট্যসমূহ জানিব পাৰিব
- পৰম্পৰাগত লোকমাধ্যমত কিদৰে কাহিনী কথন আৰম্ভ হৈছিল সেই বিষয়ে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

পৰম্পৰাগত মাধ্যমৰ এইটো দ্বিতীয় অধ্যায়। এই অধ্যায়টিত পৰম্পৰাগত মাধ্যমৰ বিভিন্ন বৈশিষ্ট্যসমূহৰ বিষয়ে উল্লেখ কৰা হৈছে। ইয়াৰ লগতে অধ্যায়টিত কেনেকৈ পৰম্পৰাগত মাধ্যমে গণমাধ্যম হিচাপে কাম কৰে আৰু পৰম্পৰাগত মাধ্যমত কাহিনী কথনে কি ভূমিকা পালন কৰে সেই বিষয়ে আলোচনা কৰা হৈছে।

২.৩ গণমাধ্যম হিচাপে পৰম্পৰাগত মাধ্যম

পৰম্পৰাগত মাধ্যম অতীজৰে পৰা প্রচলিত প্রত্যেক সংস্কৃতিৰ এক গণমাধ্যম। লগতে


প্ৰত্যেক সমাজৰ এক অবিচ্ছেদ্য অংগ। লোকাচাৰসমূহ আমাৰ সংস্কৃতিৰ লগত জড়িত আৰু জনসাধাৰণৰ মনৰ ভাৱ, ইচ্ছা-আকাংক্ষা প্ৰকাশৰ এক উৎকৃষ্ট মাধ্যম। লোকাচাৰ সমূহ আমাৰ সংস্কৃতি, মূল্যবোধ, বিশ্বাস আদিৰ পৰাই সৃষ্টি হয় আৰু ই অপৰিহাৰ্য অংগ হিচাপে চিহ্নিত হয়। সম্ভৱত পৰম্পৰাগত মাধ্যম অনন্য হোৱাৰ বাবেই আধুনিক মাধ্যমসমূহে ইয়াৰ স্থান দখল কৰিব পৰা নাই।

গণমাধ্যম হিচাপে পৰম্পৰাগত মাধ্যমে অগতানুগতিক পদ্ধতিৰে জনসাধাৰণৰ লগত যোগাযোগ ৰাখে, কাচিৎহে ইয়াক মনোৰঞ্জনৰ বাবে ব্যৱহাৰ কৰা হয়। সাধাৰণতে ইয়াক ধৰ্মীয়, সামাজিক আৰু ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰা হয়। আধুনিক গণমাধ্যম সমূহতকৈ পৰম্পৰাগত মাধ্যমসমূহ অধিক জনপ্ৰিয়, ব্যক্তিগত আৰু বিশ্বাসযোজ্য। কিয়নো ই স্বতঃ স্ফূৰ্তভাৱে হাস্যৰস প্ৰদান কৰে।

গণমাধ্যম হিচাপে পৰম্পৰাগত মাধ্যম অধিক ফলপ্ৰসূ কিয়নো ই মানুহৰ আৱেগ-অনুভূতিৰ সৈতে জড়িত। সম্ভৱতঃ এইটোৱেই প্ৰধান কাৰণ কিয়নো তথ্য প্ৰযুক্তিৰ বিকাশৰ সময়তো লোকাচাৰ সমূহ সমাজ বাবে যথেষ্ট মূল্যৱান। পৰম্পৰাগত মাধ্যমসমূহ জনসাধাৰণৰ সৈতে স্বাভাৱিকভাৱে অংগাংগী যাৰ বাবে ইয়াক যোগাযোগৰ এক আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। আধুনিক গণমাধ্যমসমূহে এতিয়াও ঢুকি নোপোৱা নিৰ্দিষ্ট ক্ষেত্ৰত লোক মাধ্যমসমূহক ব্যৱহাৰ কৰা হয়।

ভাৰতবৰ্ষত বিভিন্ন চৰকাৰী-বেচৰকাৰী সংস্থাসমূহে পৰম্পৰাগত লোকমাধ্যমসমূহৰ জৰিয়তে বিভিন্ন গুৰুত্বপূৰ্ণ তথ্য জনসাধাৰণৰ মাজত প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰে। পৰম্পৰাগত মাধ্যমক উন্নয়নৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। লোকমাধ্যমত প্ৰেৰক আৰু প্ৰাপক জনৰ মাজত যথেষ্ট ঘনিষ্ঠতা তথা গ্ৰহণযোগ্যতা দেখিবলৈ পোৱা যায়। লোকমাধ্যমে দৰ্শকৰ বোধগম্য ভাষা ব্যৱহাৰ কৰি সমাজত থকা নিৰক্ষৰতাৰ বাধা অতিক্ৰম কৰাত সহায় কৰে।

গণমাধ্যম হিচাপে পৰম্পৰাগত মাধ্যমে সমাজত এক গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰে। লোকমাধ্যম শিথিল, হৃদয়াস্পৰ্শী আৰু নিজস্ব সংস্কৃতি মূল্যবোধৰসৈতে অভিন্ন। লোকমাধ্যম অন্য গণমাধ্যমৰদৰে আধুনিক প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল নহয়। ই বুদ্ধি দীপ্ততাতকৈ আৱেগৰ সৈতে জড়িত। সমাজৰ আৰ্থ-সামাজিক উন্নয়নত পৰম্পৰাগত মাধ্যমসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই জনসাধাৰণক ফলপ্ৰসূতাভাৱে প্ৰভাৱিত আৰু বিশ্বাস জন্মাব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পৰম্পৰাগত মাধ্যমক কিহে যোগাযোগৰ ফলপ্ৰসু মাধ্যম কৰি তোলে?

.....

.....

২.৪ পৰম্পৰাগত মাধ্যমৰ বৈশিষ্ট্য আৰু ইয়াৰ সুবিধা-অসুবিধাসমূহ

২.৪.১ লোকমাধ্যমৰ বৈশিষ্ট্যসমূহ

ইতিমধ্যে আপুনি পৰম্পৰাগত লোকমাধ্যম কি সেই বিষয়ে জানিব পাৰিছে। এতিয়া বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা হব। প্ৰতিটো মাধ্যমৰে কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য আছে। পৰম্পৰাগত মাধ্যমো ইয়াৰ ব্যতিক্ৰম নহয়। পৰম্পৰাগত মাধ্যমে গোষ্ঠীগত ভিন্নতা স্বত্বেও একক বৈশিষ্ট্য প্ৰদৰ্শন কৰে।

(ক) **থলুৱা প্ৰকৃতিৰঃ** পৰম্পৰাগত লোক মাধ্যম থলুৱা প্ৰকৃতিৰ। যিকোনো এটা গোষ্ঠীৰপৰা ইয়াৰ সৃষ্টি হয় আৰু পুৰুষানুক্ৰমে মৌখিকৰূপত প্ৰচলিত হৈ থাকে।

(খ) **ঘনিষ্ঠতাঃ** পৰম্পৰাগত মাধ্যমসমূহ জনসাধাৰণৰ মনৰ ভাৱ প্ৰকাশৰ এক মাধ্যম। সমাজ এখনৰ সংস্কৃতিয়েই ইয়াৰ উৎস আৰু সেয়েহে ঘনিষ্ঠ তথা ব্যক্তিগত ভাৱপ্ৰকাশৰ মাধ্যম। সম্ভৱত এই ঘনিষ্ঠতাই পৰম্পৰাগত মাধ্যমক বাৰ্তা বহনৰ ক্ষেত্ৰত তড়িৎ আৰু সহজ কৰি তুলিছে।সম্ভৱতঃ এই ঘনিষ্ঠতাই পৰম্পৰা মাধ্যমক সহজ তডিৎ আৰু কৰি তুলিছে।

(গ) **স্বতঃস্ফূৰ্ততা ঃ** পৰম্পৰাগত মাধ্যমৰ আন এক বৈশিষ্ট্য হৈছে স্বতঃস্ফূৰ্ততা। ই স্বাভাৱিক আৰু প্ৰবৃত্তিগত।

(ঘ) **শিথিলতা ঃ** শিথিলতাৰ বাবেই পৰম্পৰাগত মাধ্যমসমূহ তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ স্বত্বেও জীয়াই আছে। পৰম্পৰাগত মাধ্যমসমূহ শিথিল আৰু সময়ৰ সৈতে মিলি যায়।

(ঙ) **ভাষাৰ বাধা হীনতা ঃ** পৰম্পৰাগত লোকমাধ্যমসমূহ কোনো এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ ভাষাত পৰিবেশন কৰা হয়। যাৰ ফলত সম্প্ৰদায়টোৰ বাবে বুজাত সহায় হয়।

(চ) **অংশগ্ৰহণকাৰী ঃ** পৰম্পৰাগত লোকমাধ্যমত জনসাধাৰণে কোনোধৰণৰ দক্ষতা নোহোৱাকৈয়ে অংশগ্ৰহণ কৰিব পৰাটো এক বিশেষ বৈশিষ্ট্য।

২.৪.২ লোকমাধ্যমৰ সুবিধাসমূহ

পৰম্পৰাগত লোকমাধ্যমসমূহ সমাজ এখনৰ নীতি-নিয়ম, সংস্কৃতিৰ লগত জড়িত। ই সংস্কৃতিক পৰম্পৰাৰ এক অবিচ্ছেদ্য অংগ। লোকমাধ্যমৰ বহুতো সুবিধা আছে। তলত ইয়াৰ সুবিধাসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

ক) **উৎকৃষ্ট মাধ্যম ঃ** আমি জানো যে প্ৰতিটো সম্প্ৰদায় আৰু জনগোষ্ঠীৰ নিজস্ব লোক পৰম্পৰা আছে, যি তেওঁলোকৰ আবেগ অনুভূতিৰ সৈতে জড়িত। ই তেওঁলোকৰ তেজৰ ধমনীত প্ৰবাহিত হৈ থাকে। সেয়েহে ইয়াক পৰিবেশনৰ সময়ত বেছিভাগ মানুহেই নিজে অংশগ্ৰহণ কৰা যেন অনুভৱ কৰে যাৰ ফলত ই অধিক উপভোগ্য হৈ পৰে।

সেয়ে ই জনসাধাৰণৰ মাজত অন্য মাধ্যমতকৈ অধিক প্ৰভাৱ বিস্তাৰ কৰে।

খ) **জনসাধাৰণৰ লগত ওতঃপ্ৰোতভাৱে জড়িত ঃ** আপুনি হয়তো দেখা পাইছে পৰম্পৰাগত লোকমাধ্যমসমূহ ৰাইজৰ ভিৰৰ মাজত প্ৰদৰ্শন কৰা হয়। অসমত বাস কৰা আমি সকলোৱে জানো বিহুক কিদৰে জনসাধাৰণৰ মাজত প্ৰদৰ্শন কৰা হয়। সেয়ে ই জনসাধাৰণৰ মাজত অন্যমাধ্যমতকৈ অধিক প্ৰভাৱ বিস্তাৰ কৰে।

গ) **ব্যক্তিগত মাধ্যম ঃ**গণ সংযোগৰ বৈশিষ্ট্যবোৰ পঢ়াৰ সময়ত আমি গণ সংযোগক নৈৰ্ব্যক্তিক মাধ্যম হিচাপে পাওঁ। কিয়নো যোগাযোগকাৰীসকলে জনসাধাৰণৰ লগত এক যান্ত্ৰিক মাধ্যমৰ জৰিয়তে যোগাযোগ ৰাখে। সেয়েহে আমি কৱল পৰম্পৰাগত লোক মাধ্যমসমূহত ব্যক্তিগত আন্তৰিকতা দেখিবলৈ পাওঁ। দূৰদৰ্শন, ৰেডিঅ', বাতৰিকাকত আৰু আলোচনীৰ ক্ষেত্ৰত এই সত্যতা প্ৰতিভাত হয়। এই ব্যক্তিগত চমৎকাৰিত্বই জনসাধাৰণক সচেতন কৰিব পাৰে, যি গণ মাধ্যমত দেখা নাযায়।

ঘ) **পুনৰ প্ৰদৰ্শনৰ সুবিধা ঃ** পৰম্পৰাগত লোকমাধ্যমত জনসাধাৰণে ভাল পোৱা কলাবিধ পুনৰ প্ৰদৰ্শনৰ যথেষ্ট সুবিধা আছে। আৰু ইয়াত দৰ্শকসকলেও প্ৰদৰ্শনকাৰী গোটটোৰ সৈতে অংশগ্ৰহণ কৰিব পাৰে। এই ধৰণৰ সুবিধা আন গণমাধ্যমসমূহত নাই। ইয়াক কেৱল এবাৰহে সম্প্ৰচাৰ কৰা হয়। এনেদৰেও ক'ব পাৰি যে পৰম্পৰাগত লোকমাধ্যমত জনসাধাৰণে যদি অনুষ্ঠানটো ভাল পাইছে তেনেহ'লে পুনৰ প্ৰদৰ্শন কৰিব পাৰি। কিন্তু আন গণমাধ্যমসমূহৰ বাবে ই সম্ভৱ নহয় কিয়নো তেওঁলোকে একে সময়তে এক বৃহৎ সংখ্যক জনসাধাৰণৰ বাবে অনুষ্ঠান সম্প্ৰচাৰ কৰে।

ঙ) **আঞ্চলিক/স্থানীয় ভিন্নতাৰ গুৰুত্ব ঃ** আমি দেখিবলৈ পাওঁ যে ভাৰতবৰ্ষত প্ৰচলিত লোক মাধ্যম আৰু পৰম্পৰাগত মাধ্যমৰ পৰিবেশনত সামান্য পৰিমাণৰ আঞ্চলিক বা স্থানীয় ভিন্নতা পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে শিৱসাগৰত প্ৰদৰ্শিত বিহু আৰু ডিব্ৰুগড়, যোৰহাটৰ বিহুৰ মাজত পাৰ্থক্য আছে। ঠিক সেইদৰে আন লোক মাধ্যমৰ ক্ষেত্ৰতো একে কথা। কিন্তু গণমাধ্যমৰ জৰিয়তে জনসাধাৰণে একে ধৰণৰ প্ৰদৰ্শনহে চাব বা শুনিব পাৰে যাৰ বাবে তেওঁলোকে এই আঞ্চলিক বা স্থানীয় ভিন্নতা দেখিবলৈ নাপায়।

চ) **পৰম্পৰাগত লোকমাধ্যমত দৈহিক ভাষা আৰু আংগিক ভাষা প্ৰয়োগৰ সুবিধা আছে ঃ** যোগাযোগৰ ক্ষেত্ৰত আংগিক ভাষা প্ৰয়োগৰ বিষয়ে আপুনি জানে। লোকমাধ্যমত দৈহিক ভাষা আৰু আংগিক ভাষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বাৰ্তা বিনিময়ৰ ক্ষেত্ৰত। সেয়েহে, স্বৰ পৰিৱৰ্তন মুখৰ ভংগিমা দৈহিক সঞ্চালন আদিৰ ব্যৱহাৰৰ যথেষ্ট পৰিসৰ আছে আৰু ই লোকমাধ্যমক আন গণমাধ্যমৰ তুলনাত যথেষ্ট ফলপ্ৰসূ কৰি তোলে। নিশ্চিতভাৱে আপুনি ক'ব পাৰিব যে টিভি, চিনেমা, ডকুমেণ্টেৰী আদিত এই বিষয়সমূহ ফুটি উঠে। কিন্তু ই কেতিয়াও

পোনপটীয়াকৈ সতেজভাৱে কৰা প্ৰদৰ্শনৰ দৰে হ'ব নোৱাৰে। ইয়াৰ উপৰি আপুনি অনুভৱ কৰিব যে ছপা মাধ্যম বার্তা এটা প্ৰেৰণৰ ক্ষেত্ৰত যথেষ্ট পুৰণি মাধ্যম। ভাৱবোধক চিন যদিও ব্যৱহাৰ কৰা হয় তথাপি ই টিভিত বা ৰেডিঅ'ত প্ৰকাশ কৰাৰ দৰে আৱেগ-অনুভূতিবোৰ ফুটাই তুলিব নোৱাৰে।

ছ) **স্থানীয় ভাষা, সাজ সজ্জাৰ প্ৰয়োগ ঃ** প্ৰত্যেকটো পৰম্পৰাগত লোকমাধ্যম কোনো স্থানীয় লোকাচাৰ, সম্প্ৰদায়, সংস্কৃতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে। সেয়েহে ভাষা, সাজ-সজ্জা আদি স্থানীয় সংস্কৃতিৰ লগত জড়িত। নহলে ই একে ধৰণৰ ফল জনসাধাৰণৰ বাবে বহন কৰিব নোৱাৰিব।

জ) **প্ৰদৰ্শন ভিত্তিক ঃ** লোকমাধ্যমসমূহ সাধাৰণতে প্ৰদৰ্শন ভিত্তিক। য'ত সংগীত আৰু নৃত্যক সমতুল্য ৰূপত প্ৰদৰ্শন কৰা হয়। এই দিশটোৱে দৰ্শকসকলৰ বাবে অধিক ফলপ্ৰসূ কৰি তোলে।

ঝ) **সীমিত খৰচ ঃ** ছপা আৰু বৈদ্যুতিক মাধ্যমৰ খৰচৰ লগত তুলনাত লোকমাধ্যমৰ খৰচ তেনেই সীমিত। ইয়াৰ বাবে বৃহৎ বাজেটৰ প্ৰয়োজন নাই আৰু কম খৰচতে হয়। কোনো ধৰণৰ ব্যয়বহুল সা-সঁজুলিৰো প্ৰয়োজন নাই। সীমিত খৰচ হোৱা হেতু ইয়াক পুনঃ প্ৰদৰ্শন কৰিব পাৰি।

ঞ) **দৰ্শকৰ অংশগ্ৰহণ ঃ** পৰম্পৰাগত লোকমাধ্যমে দৰ্শকৰ অংশগ্ৰহণৰ বাবে সুবিধা প্ৰদান কৰে। আন মাধ্যমসমূহৰ দৰে লোকমাধ্যমে দৰ্শকক পৰোক্ষ প্ৰাপক বুলি গণ্য নকৰে। বৰঞ্চ সকলোৰে বাবে খোলা আৰু শিথিল।

ট) **স্ব-প্ৰকাশ ঃ** জনসাধাৰণৰ এক মাধ্যম হিচাপে পৰম্পৰাগত মাধ্যমে স্ব-দৰ্শকক স্ব প্ৰকাশৰ সন্তুষ্টি দিয়ে।

ঠ) **মনোৰঞ্জন ঃ** মনোৰঞ্জনৰ ক্ষেত্ৰত লোকমাধ্যম যথেষ্ট উচ্চ গুৰুত্বশীল। ই সংস্কৃতি আৰু পৰম্পৰাসমূহ জীৱন্ত তথা আমোদজনকভাৱে প্ৰচাৰ কৰে। লোকমাধ্যমসমূহ সম্পূৰ্ণভাৱে তথ্য আৰু মনোৰঞ্জনৰ সৈতে জড়িত।

ড) **দ্ৰুত আৰু প্ৰত্যক্ষ প্ৰতিক্ৰিয়া ঃ** পৰম্পৰাগত মাধ্যম জনসাধাৰণৰ বাবে আৰু ইয়াক জনসাধাৰণৰ সন্মুখতে প্ৰদৰ্শন কৰা হয়। ছপা আৰু বৈদ্যুতিক মাধ্যমতকৈ পৰম্পৰাগত মাধ্যমত দৰ্শকৰ প্ৰতিক্ৰিয়া দ্ৰুত আৰু প্ৰত্যক্ষভাৱে লাভ কৰিব পাৰি।

এই সকলোবোৰ উপাদানৰ বাবে লোকমাধ্যম ফলপ্ৰসূ।

২.৪.৩ লোকমাধ্যমৰ অসুবিধাসমূহ

ইয়াৰ আগৰ অংশত আমি লোকমাধ্যমৰ সুবিধাসমূহৰ বিষয়ে আলোচনা কৰিলো। এতিয়া অসুবিধাসমূহৰ বিষয়ে আলোচনা কৰিম।

ক) **সীমিতভাৱে উপলব্ধ ঃ** আধুনিক গণ মাধ্যম যেনে ৰেডিঅ', টেলিভিশ্যন আদি খুব কম সময়তে বৃহৎ সংখ্যক ব্যক্তিৰদ্বাৰা উপলব্ধ হয়। তাৰ পৰিবৰ্তে লোকমাধ্যমত কম সংখ্যক ব্যক্তিয়ে সেই সুবিধা লাভ কৰে।

খ) **সীমিত দর্শক ঃ** যিহেতু লোকমাধ্যম সীমিতভাৱে লাভ কৰিব পাৰি, সেয়েহে ইয়াৰ দর্শকৰ সংখ্যাও সীমিত। ইয়াক স্থানীয় মাধ্যম হিচাপেহে ব্যৱহাৰ কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ কিয় পৰম্পৰাগত লোকমাধ্যমক যোগাযোগৰ উৎকৃষ্ট মাধ্যম বুলি কোৱা হয়?

.....

.....

প্রশ্ন নং ৩ ঃ পৰম্পৰাগত লোকমাধ্যমে দ্রুত প্রতিক্রিয়া প্রকাশ কৰিব পাৰেনে?

.....

.....

প্রশ্ন নং ৪ ঃ লোকমাধ্যমক শিথিল আৰু পুনৰ ব্যৱহাৰ কৰিব পাৰি। এই ক্ষেত্রত আপুনি কি কেনেদৰে বুজিব ?

.....

.....



জানি থোৱা ভাল

লোকমাধ্যম আৰু বৈদ্যুতিক মাধ্যমৰ মাজত থকা পার্থক্যসমূহ ঃ

উপাদান	লোকমাধ্যম	বৈদ্যুতিন মাধ্যম
বিনিয়োগ (বিত্ত)	নগণ্য পৰিমাণ	অত্যধিক
শক্তি	প্রয়োজন নহয়	প্রয়োজন
প্রাপকৰ স্থিতি	প্রয়োজন নহয়	প্রয়োজন
ৰক্ষণাবেক্ষণমেৰামতি	নাই	প্রয়োজন
কাৰিকৰী বিজুতি	নাই	প্রায়েই হয়
ভাঙনি কৰা	প্রয়োজন নহয়	অগ্রাধিকাৰ দিয়া
জনপ্রিয়তা	জনপ্রিয়	জনপ্রিয়
ব্যক্তিগত যোগাযোগ	সদায় থাকে	নাথাকে
ভাষাগত সমস্যা	নহয়	সম্ভাৱনা আছে
বিশ্বাসযোগ্যতা	যথেষ্ট বেছি	কম
দর্শকৰ অংশগ্রহণ	যথেষ্ট বেছি	খুব কম
শিথিলতা	যথেষ্ট বেছি	যথেষ্ট বেছি

প্রাপ্তবয়স্ক শিক্ষা	ফলপ্রসূ	খুব কম
পুনঃ প্রদর্শন	সহজ	কঠিন
প্রতিক্রিয়া	লগে লগে জানিব পাৰি	নোৱাৰি
ঢুকি পোৱা	পৰিব্যাপ্ত	সীমাবদ্ধ
মনোযোগ	বিষয়ৰ সন্দর্ভত	নতুনত্বৰ সৈতে জড়িত
স্পষ্টতা	যথেষ্ট বেছি	তুলনা কৰিব নোৱাৰি
বোধগম্যতা	সার্বজনীন	একাষৰীয়া
গ্রহণযোগ্যতা	সার্বজনীন	সার্বজনীন
সামগ্রিক ফলপ্রসূতা	যথেষ্ট বেছি	তুলনা কৰিব নোৱাৰি
কার্যসূচী	সহজ	যথেষ্ট টান

(উৎস ঃ গণসংযোগৰ মাধ্যম হিচাপে লোক কলা-চি. এছ. শ্রীকুমাৰ।)

২.৫ পৰম্পৰাগত মাধ্যম হিচাপে কাহিনী কথন

লিখিত আৰু মৌখিকভাৱে বর্ণনা কৰা কাহিনীসমূহকেই কাহিনী কথন কোৱা হয়। শ্রোতাসকলক শব্দ আৰু ক্রিয়াৰ মায়াজালেৰে মোহাচ্ছান্ন কৰি ৰাখে। কাহিনী কথন মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰাই মানৱীয় প্রকাশভংগীৰ সৈতে জড়িত। ই এটা প্রাচীন কলা। কাহিনী কথন সংস্কৃতিৰ নিভাঁজ অংশ আৰু ইয়াক এটা প্রজন্মৰ পৰা আন এটা প্রজন্মৰ মাজত তথ্য, মনোৰঞ্জন, শিক্ষা, নৈতিকতা প্রচাৰৰ বাবে লোকমাধ্যমৰ জৰিয়তে ব্যৱহাৰ কৰা হয়।

কাহিনী কথনে বর্ণনাই মাধ্যম এটাৰ কৃতকার্যতাৰ কথা প্রকাশ কৰে দৰকাৰ হ'লে ই পৰম্পৰাগত মাধ্যম অথবা প্রচলিত মাধ্যমেই হওঁক কাহিনী কথনে মাধ্যমটোৰ কৃতকার্যতাৰ কথা প্রকাশ কৰে। গণ মাধ্যম হ'ল কাহিনী কথনৰ এক যুক্তিসংগত প্রসাৰণ। কিয়নো প্রাথমিক পর্যায়ত গণ মাধ্যমে কোনো এটা গোষ্ঠীৰ ৰাজনৈতিক সামাজিক, বৈজ্ঞানিক, অর্থনৈতিক বিষয় তথা ঘটনাসমূহৰ জ্ঞান আৰু তথ্য উত্থাপন কৰে। কাহিনী কথন হ'ল আটাইতকৈ প্রাচীন লোককলা যি সময়ৰসৈতে বিকশিত হৈ আহিছে। প্রচলিত গণ মাধ্যম যেনে- ৰেডিঅ' , টেলিভিশ্যন আৰু ইণ্টাৰনেটে যিয়ে বাতৰি, ঘটনা তথা তথ্য প্রচাৰ কৰে সেয়াও আধুনিক কাহিনী কথনৰে এটা ৰূপ। ই কোনো এটা গোষ্ঠীৰ বাতৰি, ইতিহাস, বৈশিষ্ট্য আৰু অস্তিত্বৰ কথা প্রচাৰ কৰে। কাহিনী কথনক কেৱল পৰম্পৰাগত মাধ্যম হিচাপেই নহয়, আধুনিক মাধ্যমসমূহেও বিকশিত ৰূপত গ্রহণ কৰিছে য'ত প্রযুক্তিগত উদ্ভাৱন যেনে- বহুমুখী মাধ্যম, ডিজিটেল, প্রযুক্তি, এনিমেশ্যন আৰু কম্পিউটাৰ সংযোজিত ছবি বিস্তাৰিত ৰূপত গ্রহণ কৰা হৈছে। অৱশ্যে আধুনিক প্রযুক্তিয়ে কিছু পৰিমাণে প্রাচীন আৰু পৰম্পৰাগত ৰূপ- মৌখিক যোগাযোগৰসৈতে বিনিময়পূর্বক কাহিনী কথন আৰু দৃশ্যপটৰ সমাহাৰ ঘটাই আহিছে।

পৰম্পৰাগত লোক মাধ্যমত কাহিনী কথন এক প্রধান অংশ। পৰম্পৰাগত মাধ্যমে ভাৱ বিনিময়, অনানুষ্ঠানিক আৰু স্বতস্ফূর্ত প্রক্রিয়াৰে কাহিনী কথনৰ ৰূপ দিয়ে যাক দর্শকে আবেগিক

ভাৱে গ্ৰহণ কৰিব পাৰে। কাহিনী কথনৰ এই স্পষ্ট ৰূপে পৰম্পৰাগত মাধ্যমক আধুনিক গণ মাধ্যমৰপৰা পৃথক কৰিছে।

কাহিনী কথন এক ফলপ্ৰসূ যোগাযোগৰ মাধ্যম আৰু ইয়াৰ জৰিয়তে নৈতিক শিক্ষা প্ৰদান কৰা হয়। কাহিনী এটা মানুহে বুজি পোৱাত সহায় কৰাৰ লগতে কাহিনীটোৰ নীতিশিক্ষাও মনত ৰাখে। সৰু ল'ৰা-ছোৱালীৰ লগতে বয়স্ক সকলোৰে বাবে ই মনোৰঞ্জনৰ আহিলা।



চৌচেং (Shouchang)

পৃথিৱীৰ বিভিন্ন অংশত কাহিনী কথনৰ বিভিন্ন ভাগবোৰ দেখিবলৈ পোৱা যায়। চীনত চৌচেং (Shouchang) নামৰ কাহিনী কথনৰ ভাগ আছে যাৰ অৰ্থ হ'ল কথা কোৱা আৰু গান গোৱা। চৌচেং সাধাৰণতে কথা কোৱা আৰু গান গোৱাৰ জৰিয়তে পৰিবেশন কৰা হয় লগতে বাদ্যযন্ত্ৰও সংগত কৰে। ষষ্ঠদশ শতিকাৰ স্থানীয় কাহিনী কথনবোৰ চীন দেশত এতিয়াও মৌখিক ৰূপত প্ৰচলিত হৈ আহিছে। চুজহো, য়াংহো আৰু দক্ষিণৰ প্ৰেমমূলক কাহিনীবোৰ (নাংৱান) গ্ৰাম্য আৰু চহৰ অঞ্চলত পেছাদাৰী অপেছাদাৰীয়ে সংগীতৰ সৈতে বা সংগীতবিহীন ভাৱে পৰিৱেশন কৰে। এই কাহিনীবোৰ কেতিয়াবা কেৱল গোৱা হয়, কেতিয়াবা কেৱল কৈ যোৱা হয় আৰু কেতিয়াবা দুয়োটাই কৰা হয়। চৌচেং- যাৰ অৰ্থ হ'ল চৌ 'কোৱা', চেং 'গোৱা'- বহল অৰ্থত ই পেছাদাৰী, অপেছাদাৰী ভাৱে বাচিক কলা। ইয়াৰ লগতে সম্পূৰ্ণ বলাত্মক শৈলীৰে বেলাড, লোকগীত, নাৰ্চাৰী ৰাইম, জিংগল, পদ্য আদি গোৱা হয়। ইয়াৰে কিছুমান গোৱা ভাগত প্ৰায়ে বাদ্যযন্ত্ৰ সংগত কৰা হয়। ইয়াৰ লগত বেছিকৈ ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰ হ'ল বাঁহী, ঢোল, টিলিঙা, তাল আদি। সাধাৰণতে বুৰঞ্জীমূলক, ধৰ্মীয় আৰু আধ্যাত্মিক কথা, প্ৰেম, প্ৰতাৰণা, ভূত আদিৰ প্ৰাচীন কাহিনী, স্থানীয় বাতৰি, বাণিজ্যিক বিজ্ঞাপন আদি কাহিনী কথনৰ বিষয়বস্তু। চৌচেং সচৰাচৰ এককভাৱে গায়ক বা গায়িকাই পৰিৱেশন কৰে। অৱশ্যে ইয়াক দুয়োজনে একেলগেও পৰিৱেশন কৰিব পাৰে। গায়ক বা গায়িকা গৰাকীয়ে সৰু ঢোল বা ঘণ্টাসহ তেওঁলোকৰ সংগী লব পাৰে অথবা তেঁওলোকে এজন বা দুজন বাদ্যযন্ত্ৰীও লব পাৰে।

ভাৰতবৰ্ষতো কাহিনী কথনৰ বহুতো কৌশল আছে। প্ৰত্যেক অঞ্চলৰে স্থানীয় ভাষাত কাহিনী কথনৰ কৌশল দেখা যায়। বিশেষকৈ মহাকাব্য, পুৰাণ, সংস্কৃতিৰ জ্ঞানগৰ্ভমূলক কাহিনী কথনৰ উপাদান হিচাপে গোটেই ভাৰতবৰ্ষত প্ৰচলিত। ইয়াক মন্দিৰ, বিবাহ অনুষ্ঠান তথা অন্যান্য ধৰ্মীয় অনুজ্ঞান অথবা সামাজিক উৎসৱত পৰিৱেশন কৰা হয়। কাহিনী কথন একক ভাৱে পৰিবেশন কৰা হয়। পৰিৱেশন কৰা ব্যক্তিগৰাকী প্ৰদৰ্শন কাৰ্যত নিপুন হোৱাৰ লগতে উপাখ্যান বৰ্ণনাত হাস্যৰস সন্নিৱিষ্ট কৰাৰ সামৰ্থ থাকিব লাগিব। কাহিনী কথকজন এজন শিক্ষকৰদৰে পৰিচিত যাৰ সংস্কৃতৰ জ্ঞান তথা আন সাহিত্যক্ষেত্ৰতো পাণ্ডিত্য থাকিব লাগে। তেওঁলোকে নৱ প্ৰজন্মক ধৰ্মীয় তথা পৌৰাণিক আখ্যান সমূহৰ বিষয়ে ব্যাখ্যা কৰে।

দক্ষিণ ভাৰতত কাহিনী কথনৰ এক দীঘলীয়া ধৰ্মীয় ইতিহাস আছে। বুৰব্াকথা হৈছে অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত প্ৰচলিত কাহিনী কথনৰ ভাগ। ইয়াত এজন মূল ব্যক্তিৰ লগত দুজন পালি থাকে। বুৰৰাকথা, এটি বৰ্ণনামূলক কাহিনী, য'ত সংলাপ, সংগীত, নাটক আৰু নৃত্যৰ সমাহাৰ ঘটে। সাধাৰণতে ইয়াৰ কাহিনী হিন্দু ধৰ্মী উপাখ্যান অথবা সমকালীন সামাজিক বিষয় কেন্দ্ৰিক হয়।

প্রবচন, পাটাকম, উপন্যাসম, হৰিকথা, কলাক্ষেপা, হৰিকীর্তন, ভিল্লুপাট্টু আদি কাহিনী কথনৰ একেধৰণৰ ভাগ যদিও ইয়াৰ কথনৰ কৌশলে ভিন্ন ভিন্ন। অন্ধ্রপ্রদেশত কথা কলাক্ষেপা নামৰ এটি কাহিনীকথনৰ অনুষ্ঠান আছে। সংস্কৃতত ইয়াৰ অর্থ হ'ল কাহিনীশুনি সময় কটোৱা । ইয়াক মন্দিৰ, বিবাহ অনুষ্ঠান, পৰিয়ালৰ অনুষ্ঠান অন্যান্য সামাজিক তথা ধর্মীয় উৎসৱত পৰিৱেশন কৰা হয়। হৰি কথা আৰু হৰিকীর্তনত ৰামায়ণ- মহাভাৰত আৰু পুৰাণৰ কাহিনীসমূহ বর্ণনা কৰা হয়। হৰি কথা হ'ল এক যৌগিক কলা যে'ত কাহিনী, বর্ণনা, অভিনয়, সংগীত, নৃত্য আৰু আধ্যাত্মিকতা সন্নিৱিষ্ট হৈ থাকে। ভিল্লুপাট্টু হ'ল অন্য এক কাহিনী কথনৰ লোক কৌশল যি দক্ষিণ কেৰালা, কণ্যাকুমাৰী আৰু তামিল নাড়ুৰ থবলাইত প্রচলিত। ভিল্লু হ'ল এখন ধনু যাক কাহিনী কথনৰ সময়ত বজাই থকা হয়। ইয়াক ধনু গান বুলিও কোৱা হয়।



ভিল্লুপাট্টু



এঝাভাছান্নাৰ শিল্পী ঃ পৰম্পৰাগত ভিল্লাড়িছামপাট্টু পৰিৱেশন কৰি থকা অৱস্থাত।

থনৰসৈতে বিভিন্ন লোকাচাৰসমূহ জড়িত হৈ আছে। বর্তমান সময়ত যোগাযোগৰ এক কৌশলগত আহিলা ৰূপে ব্যৱহাৰ কৰা হয় যাৰ জৰিয়তে সঠিক চেনেলত বার্তা এটা শুদ্ধ ৰূপত সঠিক সময়ত, সঠিক ব্যক্তিৰবাবে প্রেৰণ কৰিব পাৰে।

লোক শিল্পীয়ে বুৰ্ৰাকথা পৰিৱেশন কৰিছে।

উৎস ঃ Debnath, Sukanto (2007) (https://commons.wikimedia.org/wiki/File:India_village_musicians.jpg)

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কাহিনী কথন বুলি ক'লে কি বুজে?

.....

.....

.....

প্রশ্ন নং ৬ ঃ বোৰ্ৰাকথা কি?

.....

.....

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰম্পৰাগত মাধ্যম অতীজৰে পৰা প্ৰচলিত প্ৰত্যেক সংস্কৃতিৰ এক গণমাধ্যম।
- লোকমাধ্যম শিথিল হৃদয় আৰু নিজস্ব সংস্কৃতি মূল্যবোধৰ সৈতে অভিন্ন।
- পৰম্পৰাগত মাধ্যমসমূহ জনসাধাৰণৰ মনৰ ভাৱ প্ৰকাশৰ এক মাধ্যম। সমাজ এখনৰ সাংস্কৃতিকভাৱে জড়িত হোৱাৰ লগতে নিজস্ব ভাৱধাৰাসমূহ প্ৰকাশৰ মাধ্যম।
- লিখিত আৰু মৌখিকভাৱে বৰ্ণনা কৰা কাহিনীসমূহকেই কাহিনী কথন বুলি কোৱা হয়।
- গণমাধ্যমৰ কাহিনী কথনৰ হৈছে এক যুক্তিসংগত প্ৰসাৰণ। ইয়াৰ জৰিয়তে কোনো এটা সম্প্ৰদায়ৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, বিষয়সমূহ জ্ঞান আৰু তথ্য প্ৰকাশ কৰে।
- চীনত চৌচেং নামৰ কাহিনী কথনৰ ভাগ আছে। যাৰ অৰ্থ হ'ল কথা কোৱা আৰু গান গোৱা। ইয়াত কথা কোৱা আৰু গান গোৱাৰ লগতে বাদ্যযন্ত্ৰৰেও সংগত কৰে।
- বোৱ্ৱাকথা হৈছে হিন্দুধৰ্মী উপাখ্যানসমূহ নৃত্য-গীতৰ মাজেৰে জনসাধাৰণৰ আগত প্ৰদৰ্শন কৰা। ই অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত প্ৰচলিত।
- দক্ষিণ কেৰালা, কন্যাকুমাৰী আৰু তামিলনাড়ুৰ থবালাইত 'ভিল্লুপাট্টু' নামৰ কাহিনী কথন প্ৰচলিত।



২.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Kumar, Keval J. (2012), *Mass Communication in India*. Mumbai : Jaico Publishing House.
2) Mukhopadhyay, Durgadas (1994), *Folk Arts & Social Communication*, Publications Division, Government of India
3) Parmar, Shyam (1975), *Traditional Folk Media in India*. Gekha Books.

২.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত মাধ্যম অতীজৰে পৰা প্ৰচলিত প্ৰত্যেক সংস্কৃতিৰ এক গণমাধ্যম। ই সমাজৰ এক অবিচ্ছেদ্য অংগ। গণমাধ্যম হিচাপে পৰম্পৰাগত মাধ্যমে অগতানুগতিক পদ্ধতিৰে জনসাধাৰণৰ লগত যোগাযোগ কৰে। ধৰ্মীয়, সামাজিক আৰু

ইয়াক ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰা হয়। আধুনিক গণমাধ্যমসমূহতকৈ পৰম্পৰাগত মাধ্যমসমূহ খুবেই জনপ্রিয়। কিয়নো ই স্বতঃস্ফূর্তভাৱে হাস্যৰস প্রদান কৰে।

গণমাধ্যম হিচাপে পৰম্পৰাগত মাধ্যম অধিক ফলপ্রসূ কিয়নো ই মানুহৰ আৱেগ-অনুভূতিৰ লগত জড়িত। সম্ভৱতঃ এইটোৱেই প্রধান কাৰণ তথ্য-প্রযুক্তিৰ বিকাশৰ সময়তো লোকাচাৰ সমূহ সমাজত যথেষ্ট মূল্যৱান। পৰম্পৰাগত মাধ্যমসমূহ জনসাধাৰণৰ সৈতে স্বাভাৱিকভাবে অংগাংগী যাৰ বাবে ইয়াক যোগাযোগৰ এক আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। আধুনিক গণমাধ্যমসমূহে এতিয়াও ঢুকি নোপোৱা নির্দিষ্ট ক্ষেত্রত লোকমাধ্যমসমূহ ব্যৱহাৰ কৰা হয়।

২নং প্রশ্নৰ উত্তৰ ঃ পৰম্পৰাগত মাধ্যমসমূহ জনসাধাৰণৰ মনৰ ভাৱ প্রকাশৰ এক মাধ্যম। সমাজ এখনৰ সাংস্কৃতিকভাৱে জড়িত হোৱাৰ লগতে নিজস্ব ভাৱধাৰাসমূহ প্রকাশৰ মাধ্যম।

৩নং প্রশ্নৰ উত্তৰ ঃ পৰম্পৰাগত মাধ্যম জনসাধাৰণৰ বাবে আৰু জনসাধাৰণৰ সন্মুখতে প্রদর্শন কৰা হয়। ছপা আৰু বৈদ্যুতিক মাধ্যমতকৈ পৰম্পৰাগত মাধ্যমত দর্শকৰ প্রতিক্রিয়া দ্রুত আৰু প্রত্যক্ষভাৱে লাভ কৰিব পাৰি।

৪নং প্রশ্নৰ উত্তৰ ঃ লোকমাধ্যমসমূহ শিথিল। ইয়াত পুনৰ প্রদর্শনৰ সুবিধা আছে। লোকমাধ্যমসমূহ কম খৰচী হয় আৰু সেয়েহে ইয়াত পুনৰ প্রদর্শনৰ সুবিধা আছে।

৫নং প্রশ্নৰ উত্তৰ ঃ লিখিত আৰু মৌখিকভাৱে বর্ণনা কৰা কাহিনীসমূহকেই কাহিনী কথন বুলি কোৱা হয়। ইয়াৰ জৰিয়তে শ্রোতাসকলক শব্দৰ আৰু ক্রিয়াৰ মায়াৰ জালেৰে মোহাচ্ছন্ন কৰি ৰখা হয়।

কাহিনী কথন এটা প্রাচীন লোক কলা যি সময়ৰ সৈতে বিকাশ হৈছে। ৰেডিঅ', টেলিভিশ্যন, ইণ্টাৰনেট আদিয়ে যি তথ্য প্রচাৰ কৰে তাকো আধুনিক কাহিনী কথন হিচাপেই ধৰা হয়। ই কোনো এটা গোষ্ঠীৰ ইতিহাস, বৈশিষ্ট্য আদি প্রকাশ কৰে। কাহিনী কথন কেৱল পৰম্পৰাগত লোকমাধ্যমৰ উপৰিও আধুনিক মাধ্যমৰ জৰিয়তে প্রকাশ কৰা হয়, য'ত প্রযুক্তিবিদ্যাৰ নতুনত্ব, ডিজিটেল, এনিমেশ্যন আদিৰ প্রয়োগ থাকে।

কাহিনী কথন এক ফলপ্রসূ যোগাযোগৰ মাধ্যম আৰু ইয়াৰ জৰিয়তে নৈতিক শিক্ষা শিকিব পাৰো। কাহিনী এটা মানুহে বুজি পোৱাত সহায় কৰাৰ লগতে কাহিনীটোৰ নীতিশিক্ষাও মনত ৰাখে। তদুপৰি সৰু ল'ৰা-ছোৱালীৰ লগতে জ্যেষ্ঠ ব্যক্তিৰ মাজতো মনোৰঞ্জনৰ বাবে জনপ্রিয়।

৬নং প্রশ্নৰ উত্তৰ ঃ বুৰ্ৰাকথা হৈছে অন্ধ্রপ্রদেশ আৰু তেলেংগানাত প্রচলিত কাহিনী কথনৰ ভাগ। য'ত এজন মূল ব্যক্তিৰ লগত দুজন পালি থাকে। বোৰ্ৰাকথা হৈছে হিন্দুধর্মীয় উপাখ্যানসমূহ নৃত্য-গীতৰ মাজেৰে জনসাধাৰণৰ আগত প্রদর্শন কৰে।



২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ লোকমাধ্যমক যৌগিক বুলি আপুনি বিবেচনা কৰেনে?

প্ৰশ্ন ২ ঃ পৰম্পৰাগত লোকমাধ্যমক কেনেকৈ গণসংযোগৰ মাধ্যম হিচাপে গণ্য কৰা হয়?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ লোকমাধ্যম কি? ইয়াৰ অসুবিধাসমূহ কি কি?

প্ৰশ্ন ২ ঃ আপুনি ভাবেনে বৈদ্যুতিক মাধ্যমৰ প্ৰসাৰে লোকমাধ্যমত প্ৰভাৱ পেলাইছে? বৰ্ণনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ লোকমাধ্যমক কেনেকৈ কাহিনী কথনে প্ৰকাশ কৰে? উদাহৰণ সহকাৰে বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ লোকমাধ্যমে কেনেকৈ সমাজৰ লোকাচাৰ, সংস্কৃতিক প্ৰতিফলিত কৰে?

*** ***** ***

অধ্যায় ৩ ঃ ভাৰতবৰ্ষত পৰম্পৰাগত মাধ্যম

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ ভাৰতবৰ্ষত পৰম্পৰাগত মাধ্যমৰ ইতিহাস আৰু বিকাশ
৩.৩.১ ভাৰতবৰ্ষৰ কিছুমান পৰম্পৰাগত লোকমাধ্যমৰ চমু অৱলোকন
৩.৪ উন্নয়নমূলক উদ্দেশ্যত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ
৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৬ অধিক জানিবলৈ
৩.৭ অগ্রগতিৰ খতিয়ান
৩.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত পৰম্পৰাগত মাধ্যমৰ ইতিহাস আৰু বিকাশৰ বিষয়ে শিকিব পাৰিব
- অসমত কেনেদৰে পৰম্পৰাগত লোকমাধ্যমৰ বিকাশ হ'ল তাক বুজিব পাৰিব
- পৰম্পৰাগত মাধ্যমত ইলেক্ট্ৰ'নিক মাধ্যমৰ প্ৰভাৱৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- উন্নয়নমূলক উদ্দেশ্যত পৰম্পৰাগত মাধ্যম কেনেদৰে ব্যৱহাৰ কৰিব পাৰি তাক বৰ্ণনা কৰিব পাৰিব।

৩.২ পৰিচয়

প্ৰতিটো সংস্কৃতিৰে নিকা পৰম্পৰা আছে, যিটো এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ বাগৰি আহিছে। আগৰ দিনত বিদ্যুৎ আৰু প্ৰযুক্তিৰ সুবিধা নাছিল। সেয়ে মনোৰঞ্জন বা তথ্য জনাৰ বাবে ৰেডিঅ', টেলিভিশ্যন বা ইণ্টাৰনেটৰ সুবিধা নাছিল। লিখন প্ৰযুক্তিৰ বিকাশৰ পূৰ্বে মানুহৰ মাজত কেনেদৰে খবৰৰ আদান-প্ৰদান বা যোগাযোগ ঘটিছিল তাক ভাবি আপুনি আচৰিত হোৱা নাইনে? লিখন প্ৰক্ৰিয়াৰ বিকাশৰ পিছতো সাধাৰণ মানুহবোৰে ইয়াক শিকা নাছিল বা ব্যৱহাৰ কৰা নাছিল। সমাজৰ উচ্চ শ্ৰেণীৰ মানুহৰ মাজতে লিখা-পঢ়া সীমাবদ্ধ আছিল। সেয়ে লোকমাধ্যম কিছুমান, যেনে— গান, নৃত্য, সংগীত, নাটক, সাধুকথা-কাহিনী, পদ্য, ফকৰা-যোজনা, চিত্ৰাংকন, ভাস্কৰ্য, হস্তশিল্প, পুতলা নাচ আদিক যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল। লিপিবদ্ধ কৰিবলৈ সম্ভৰ নোহোৱা কাহিনীবোৰ এনে মাধ্যমৰ জৰিয়তে প্ৰসাৰ ঘটিছিল। আনকি বৰ্তমান সময়তো বহু গ্ৰামাঞ্চলত বিদ্যুতৰ ব্যৱস্থা নাই। এনে পৰিস্থিতিত মানুহবোৰে স্থানীয়

ভাষা আৰু সংস্কৃতিৰ জৰিয়তে যোগাযোগ কৰাত নিৰ্ভৰ কৰিবলগা হয়। আপুনি ককা-আইতা অথবা মা-দেউতাৰ পৰা মহাভাৰত-ৰামায়ণৰ নীতিজ্ঞানসম্পন্ন কাহিনী শুনাৰ কথা মনত আছেনে? আপুনি গাঁৱত নাটক প্ৰদৰ্শন কৰা উপভোগ কৰিছেনে? এনেদৰে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ তথ্যৰ বিনিময় ঘটিল আৰু বিভিন্ন পৰম্পৰাগত মাধ্যমৰ সৃষ্টি হ'ল। পৰম্পৰাগত মাধ্যম ভাৰতবৰ্ষৰ সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। ই ভাৰতীয় মানুহৰ জীৱন যাত্ৰা মূল্য আৰু প্ৰত্যাশৰ ছবিখন প্ৰতিফলিত কৰে। এই অধ্যায়ত আপুনি পৰম্পৰাগত মাধ্যমৰ ইতিহাস আৰু বিকাশৰ লগতে দেশৰ উন্নয়নত ইয়াৰ ব্যৱহাৰ যি যাত্ৰা তাৰ বিষয়ে জানিব পাৰিব।

৩.৩ ভাৰতবৰ্ষত পৰম্পৰাগত মাধ্যমৰ ইতিহাস আৰু বিকাশ

প্ৰাচীন কালত মানুহে যেতিয়া সভ্যতাৰ মূল্য আৰু সংঘবদ্ধ জীৱন-যাপনৰ মূল্য বুজি পাবলৈ আৰম্ভ কৰিছিল তেতিয়াই ভাৰতবৰ্ষত লোক আৰু পৰম্পৰাগত কলাৰ উন্মেষ ঘটিছিল। মনোৰঞ্জন, সৃষ্টিশীল মনোভাৱৰ সন্তুষ্টি, সমাজত একতা বজাই ৰখাৰ প্ৰয়োজনৰ স্বাৰ্থক লোক মাধ্যমৰ জন্ম হয়। ১৯৮২ চনত প্ৰকাশিত মেক্‌ব্ৰাইড আয়োগৰ প্ৰতিবেদন Many Voices, One World'ত উল্লেখ থকামতে, পৰম্পৰাগত সমাজতে যোগাযোগে আনুষ্ঠানিক ৰূপ পাইছিল। আন্তঃব্যক্তি যোগাযোগ আৰু ৰাজহুৱা আনুষ্ঠানিক যোগাযোগে ৰীতি-নীতি অনুসৰি প্ৰসাৰতা লাভ কৰে আৰু কিছুমান নিৰ্দিষ্ট বাৰ্তাৰ প্ৰসাৰত একাংশ প্ৰফেশ্যনেল ব্যক্তি সময় অনুযায়ী দায়বদ্ধ হয়। তাৰ ভিতৰত কোনো দল, যাদুকৰ, জনজাতীয় মুৰব্বী, ভ্ৰমণকাৰী সদাগৰ, স্থানীয় প্ৰশাসক, নৃত্যশিল্পী, সাংবাদিক আদি অন্যতম। ধৰ্ম প্ৰচাৰক, পৰ্যটক, ব্যৱসায়ী আদিয়ে বাতৰিৰ প্ৰসাৰত সহায় কৰাৰ লগতে ধৰ্ম, সংস্কৃতি, শিল্প আৰু চাৰুকলা আদিৰ সম্প্ৰসাৰণ আৰু বিনিময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বুদ্ধ, মহাবীৰ শংকৰাচাৰ্য আদিয়ে তেওঁলোকৰ বাণী বিলাই দিবলৈ কথা, ভক্তিমূলক গীত, ধৰ্মীয় কাহিনী, আবৃত্তি আদিৰ ব্যৱহাৰ কৰিছিল।

ভাৰতবৰ্ষত একেটা সময়তে সমান্তৰালভাৱে অঞ্চলবিলাকৰ প্ৰয়োজন আৰু মানুহৰ আনন্দ তথা সৃষ্টিশীল মানসিক সন্তুষ্টিৰ অৰ্থে বিভিন্ন ধৰণেৰে লোক পৰম্পৰাৰ বিকাশ ঘটিছিল। পৰম্পৰাগত মাধ্যমবোৰ নাটক, নৃত্য, সংগীত, গান, বেলাড, হস্তশিল্প, চাৰুকলা, পুতলা, সাধুকথা আৰু কাহিনীৰ জৰিয়তে ধৰ্মীয় অনুভূতিসহ সম্প্ৰসাৰণ হয়। মলহান (১৯৮৫)ৰ মতে, পৰম্পৰাগত মাধ্যমৰ বিভিন্ন ধৰণবোৰ হ'ল—

- অংগী-ভংগীভিত্তিক লোককলা আৰু মৌখিক সংগীত, যেনে— গ্ৰাম্য নাট, পুতলা, কথা লোকগীত, বেলাড, সাধুকথা কোৱা আৰু পদ্য।
- উৎসৱ-পাৰ্বণ, মেলা, সমাজ, ৰীতি উৎসৱ উপলক্ষে সমাগত আৰু বৈঠক আদিত দৰ্শক-শ্ৰোতা।
- গাঁৱৰ মুৰব্বীৰ দৰে নেতাৰ মন্তব্য আদি, আৰু
- গ্ৰাম্য কলা আৰু শিল্প, পৰম্পৰাগত ডিজাইন আৰু ভিন্নসূৰী চিত্ৰ আদি।

থলুৱা সংস্কৃতিৰ আলমত গঢ়ি উঠা এই পৰম্পৰাগত মাধ্যমবোৰে জনসাধাৰণক মনোৰঞ্জন দিয়াৰ লগতে বিশেষকৈ গ্ৰাম্য এলেকাত আন্তঃব্যক্তি আৰু আন্তঃগোট যোগাযোগত খিলঞ্জীয়া আহিলা হিচাপে ব্যৱহাৰ হৈছিল। সময় বাগৰি যোৱাৰ লগে লগে বিভিন্ন অঞ্চলত নিৰ্দিষ্ট লোক-সংস্কৃতি, যেনে— মহাৰাষ্ট্ৰত তমাছা, বংগত যাত্ৰা আৰু কৰ্ণাটকত যক্ষগান আদিক সংস্কাৰৰ হেতু যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰি ভাৰতীয় সমাজত সামাজিক পৰিৱৰ্তন আৰু উন্নয়ন সাধন কৰা হ'ল।

আৰম্ভণিৰে পৰা সম্পূৰ্ণ মনোৰঞ্জনৰ বাহিৰেও সামাজিক, সাংস্কৃতিক, ধৰ্মীয় আৰু ৰাজনৈতিক উদ্দেশ্যত ব্যৱহৃত মাধ্যমবোৰে ৰাজহুৱা আলোচনা, বিদ্যালয়, ন্যায়ৰ আদালত আদিৰ ক্ষেত্ৰত পটভূমি সৃষ্টিত অৰিহণা যোগাইছিল। সমাজৰ স্থিতি অথবা ধৰ্মীয় পটভূমি, বয়স অথবা লিংগ আৰু শিক্ষাগত অৰ্হতা যিয়েই নহওক লোকমাধ্যমে সকলোৰে হৃদয় স্পৰ্শ কৰি যায় আৰু মানুহৰ মাজত আত্ম পৰিচয়ৰ মনোভাৰ গঢ়ি তোলে।

পৰম্পৰাগত মাধ্যম হৈছে সুন্দৰ নৃত্য, সংগীত, গান, প্ৰাৰ্থনা, হাস্য-ব্যংগ, নৈতিক কাহিনী, ধৰ্মীয় আৰু ৰহস্যমূলক কাহিনী আদি। পৰিচিত ভাষা বা দোৱান, থলুৱা বেষভুষা, খাপখোৱা কাহিনীৰ উপজীব্য আৰু অনানুষ্ঠানিক আৰ্হিত পৰিৱেশন, আৱেগিক পৰিৱেশন আদিয়ে মানুহৰ মনত সহজে সাঁচ বহুৱাবলৈ সক্ষম হয়।

জ্যেষ্ঠ লোকমাদ্যমৰ গৱেষক বলৱন্ত গাৰ্যিয়ে সঠিকভাৱেই পৰম্পৰাগত লোকমাধ্যমৰ সংজ্ঞা দিছে—

> "লোকমাধ্যমে মানুহবোৰৰ বৈশাদৃশ্যবোৰ আৰু বিভিন্ন কাৰ্যকলাপৰ লগতে প্ৰাকৃতিক বাসতি অভ্যাসৰ প্ৰতিনিধিত্ব কৰে। ই তেওঁলোকৰ বাক্‌ভংগী, গীত, নৃত্য, পোছাক আৰু জ্ঞানৰ আভাস দিয়ে। এইবোৰ হৈছে ৰহস্যাবৃত্ত নায়ক, মধ্যযুগৰ ৰোমাঞ্চ, যুদ্ধৰ কাহিনী, সামাজিক ৰীতি-নীতি আৰু বিশ্বাস তথা ভাৰতৰ একতাৰ সম্ভ্ৰান্ত ভঁৰাল। লোকনাট্য ইয়াৰ স্বকীয় সাজ-সজ্জাত চোৱা উচিত।"

৩.৩.১ ভাৰতৰ কিছুমান লোকমাধ্যমৰ বিষয়ে চমু অৱলোকন

১) **লোকনাট্য ঃ** লোকনাট্য হৈছে সকলো অঞ্চলৰ সমন্বিত নৃত্য, সংগীত, কলা, বচন, কবিতা আৰু লোককৃষ্টিৰ সংঘবদ্ধ ৰূপ। কিছু ঠাইত কাহিনীৰ জুমুঠি কোনো উপাখ্যান, সাধুকথা, প্ৰবাদ অথবা সমসাময়িক ঘটনা আদিৰ পৰা লোৱা হয়। কেতিয়াবা লোকনাট্যই সামাজিক বাৰ্তা বহন কৰা বিপৰীতে কেতিয়াবা সমসাময়িক ছবি প্ৰতিফলিত কৰে।

উত্তৰ ভাৰতত যেনেদৰে নৌতংকী, ৰামলীলা জনপ্ৰিয়, ঠিক তেনেদৰে পূব ভাৰতত যাত্ৰা, উত্তৰ-পূবৰ অসমত অংকীয়া নাট, পশ্চিমত তামাশা আৰু ভাৱাই জনপ্ৰিয়। এইবোৰ সকলো আকস্মিক আৰু অনানুষ্ঠানিক। অসমৰ অংকীয়া নাট, উত্তৰ ভাৰতৰ ৰামলীলা, কৰ্ণাটকৰ যক্ষগানৰ কাহিনী



Fig: ভাওনা
(Source : Dipankar Chetia : https://commons. wikimedia. org/wiki/File: Bhaona.jpg)



Fig: ভাৱাই
(Source : Suyash Dwivedi , https://commons. wikimedia. org/wiki/File: Bhavai_ Gujrat_ (2).jpg)



Fig: লৱনী

উপাখ্যানমূলক। লোককৃষ্টি আৰু ধ্ৰুপদী কলাৰ সমন্বয়ত এতিয়াও এইবোৰে উচ্চস্থান দখল কৰি আহিছে।

ভাওনা অথবা অংকীয়া নাট সাধাৰণতে নামঘৰত (উপাসনা থলী) পৰিৱেশন কৰা হয়। নাটকৰ কাহিনী ভগৱান কৃষ্ণ আৰু বিষ্ণু অৱতাৰসমূহক কেন্দ্ৰ কৰি গঢ়ি তোলা হয়। ৰামায়ন আৰু মহাভাৰতৰ কাহিনী প্ৰধানত লোৱা হয়। কাহিনী আগবঢ়াই নিয়াত সূত্ৰধাৰে গুৰুত্বপূৰ্ণ ভূমিকা লয়। আনহাতে উত্তৰ ভাৰতত ৰামলীলা ৰামায়ণৰ ভগৱান ৰামক কেন্দ্ৰ কৰি কাহিনী গঢ়ি তোলে। দছেৰা উৎসৱৰ সময়ত ইয়াক পৰিৱেশন কৰে।

যক্ষগানৰ কাহিনী ভাগৱতৰ পৰা লোৱা হৈছে। ১৬শ শতিকাৰ পৰা কৰ্ণাটকত ই জনপ্ৰিয়। কথা আৰু গীতৰ সমন্বয়ত স্থানীয় উপকাহিনী তথা ৰহণ সানি ভাগৱতৰ বাৰ্তা প্ৰেৰণ কৰা হয়। কংকন অঞ্চলত ঠিক তেনেদৰে ভগৱান বিষ্ণুৰ দশৱতাৰ অতি জনপ্ৰিয়।

গুজৰাটৰ ভাৱাইৰো শতিকাপুৰণি ইতিহাস আছে। সামাজিক অসূয়া আৰু বৰ্ণ বিদ্বেষৰ বিৰুদ্ধে থিয় দি সৰ্বসাধাৰণৰ নাটক হিচাপে ইয়াৰ আৰম্ভণি ঘটিছিল। দেৱী অম্বাক আহ্বানেৰে ইয়াৰ সূচনা হয়। বহুৱা চৰিত্ৰ ৰংলুৰে কাহিনীৰ বৰ্ণনা দিয়াৰ লগতে ৰাইজক আকৰ্ষিত কৰে। তামাশাত সমসাময়িক ঘটনাৱলীক উপজীব্য হিচাপে লোৱা হয় আৰু ব্যংগ উক্তি অন্তৰ্ভুক্ত কৰে। ভগৱান গণেশৰ আহ্বানেৰে নাটকৰ আৰম্ভ কৰে। কাহিনী ধৰ্মনিৰপেক্ষ আৰু সমসাময়িক হয়। নাটকক গতি প্ৰদান কৰিবলৈ লৱনী নামৰ লোকনৃত্য পৰিৱেশন কৰা হয়। ই শ্ৰোতা-দৰ্শকৰ মাজত কিছুমান নৈতিক প্ৰশ্ন প্ৰেৰণ কৰে।

উত্তৰ ভাৰতত খোলা মঞ্চত নৌতংকী পৰিৱেশন কৰা হয়। সামাজিক আৰু ৰাজনৈতিক সজাগতা সৃষ্টিৰ অৰ্থে লোককৃষ্টি আখ্যান, সাধুকথা আদিৰ বৰ্ণনা কৰে। আনহাতে অসম, বংগ, ওড়িশা আদিত যাত্ৰা জনপ্ৰিয়। পৰিৱেশকসকল এঠাইৰ পৰা আন এঠাইলৈ গৈ অৰ্থাৎ ভ্ৰাম্যমানভাৱে যাত্ৰা প্ৰদৰ্শন কৰে। প্ৰাক্ স্বাধীনতা আৰু স্বাধীনোত্তৰ কালত কমিউনিষ্টসকলে সামাজিক বাৰ্তা প্ৰেৰণৰ বাবে ইয়াক ব্যৱহাৰ কৰি জনপ্ৰিয় কৰি তুলিছিল।

থেৰুকথু তামিলনাড়ুৰ বিশেষ লোকনাট্য। প্ৰকৃততে ই বাটৰ নাটহে। পুতলা নাচ, পুৰৱী অট্টম (ঘোৰা নৃত্য), নিঝল অট্টম (ছাঁয়া নৃত্য) আৰু ভিল্লুপাট্টু ইয়াৰ অন্তৰ্ভুক্ত।

২) **লোকগীত ঃ** ভাৰতত বহু ধৰণৰ লোকগীত আছে। অধ্যাপক শ্যাম পাৰ্মাৰৰ (১৭৭৫)ৰ মতে লোকগীতক তলত দিয়া ধৰণেৰে ভাগ কৰিব পাৰি—

- ধ্ৰুপদী সংগীতৰ লগত সম্পৰ্ক থকা ভক্তিগীত আৰু স্তুতিগীত

- বতৰ, ৰীতি-নীতি সম্পন্ন কার্য আৰু প্রেমমূলক গীতৰ লগতে উৎসৱ-পার্বণৰ সংগীত
- জনজাতীয় গীত।

ভাৰতত যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহৃত কিছুমান জনপ্রিয় লোকগীত হৈছে— বংগৰ বাউল আৰু ভাটিয়ালি, গুজৰাটৰ দুহা, ৰাম আৰু গর্বা, অসমৰ বিহু, ৰাজস্থানৰ 'ঘূমৰ' আৰু পানিহাৰী, উত্তৰ প্রদেশৰ চাইটি আৰু কাজৰী আৰু পাঞ্জাৱৰ হীৰ, জুগনু আৰু গীড্ডা। এই লোকগীতবোৰে সমাজত গুৰুত্বপূর্ণ বার্তা প্রেৰণ কৰাৰ লগতে ৰাষ্ট্রীয় গৌৰৱ আৰু সম্প্রীতি হিচাপে ব্যৱহৃত হৈ আহিছ।



যাত্রা

৩) **বর্ণনাত্মক ধৰণ বা দিশ ঃ** বার্তাৰ জৰিয়তে যোগাযোগৰ ক্ষেত্রত কাব্যিক দিশেৰে বর্ণনা উপযোগী বুলি বিবেচিত। উত্তৰ প্রদেশৰ উলহা, মহাৰাষ্ট্রৰ প'ৱাড়া, কর্ণাটকৰ গি গি, তামিলনাড়ুৰ ভিল্লুপাট্টু, পশ্চিমবংগৰ কৱিগান, অন্ধ্রপ্রদেশৰ বুৰব্াকথা, ওড়িশাৰ দশকাথিয়া আদিয়ে সামাজিক বার্তাৰ প্রচাৰ কৰে। নাটকীয়ভাৱে ইয়াৰ জৰিয়তে সবল বর্ণনা আগবঢ়োৱা হয়।

৪) **ধর্মীয় ভাষণ ঃ** ধর্মীয় ভাষণ অথবা হৰিকথা, যাক কথা, কীর্ত্তন, কথা-কলাক্ষেপম আৰু প্রবচন নামেৰেও জনা যায় আদিত গীত আৰু কাহিনীৰ নাটকীয় উপস্থাপন কৰা হয়। সাধাৰণতে, এনেধৰণৰ ধর্মীয় ভাষণত পৰিৱেশকক কাহিনী, সংগীত, অভিনয়ৰ লগতে স্থানীয় ৰীতি-নীতিৰ ভাল, জ্ঞান থকা বুলি গণ্য কৰা হয়। পৰিৱেশনৰ সময়ত কথাকাৰ অর্থাৎ বক্তাজন বিভিন্ন সময়ত ভাষণ বন্ধ কৰি মনোযোগ আকর্ষণ কৰে আৰু উদাহৰণ দিয়ে। এই অংশটো অথবা দর্শন্তে সাধাৰণ মানুহৰ মাজত বিলাব বিচৰা বার্তা প্রেৰণ কার্য সহজ কৰি তোলে।

৫) **লোকনৃত্য ঃ** ভাৰতবর্ষত কেইবা শতিকাৰে আগৰে পৰা ধ্রুপদী কলাৰ প্রাচীন ধাৰা গীত আৰু নৃত্য পৰম্পৰা হিচাপে ব্যৱহাৰ হৈ আহিছে। এই পৰম্পৰাবোৰৰ মৌলিকতাত মিল আছে যদিও সেইবোৰৰ নাম বেলেগ আৰু পৰিৱেশন ভংগীও ভিন্ন। নৃত্যত গীত আৰু ভংগীমাৰ সংযোজন ঘটাৰ লগতে অনবৰতে দর্শকক আকর্ষিত কৰি ৰখা হয়।

লোকনৃত্য আৰু লোকগীত, যেনে— পঞ্জাৱত গীড্ডা আৰু ভাংৰা, অসমৰ বিহু আৰু লোকগীত, মধ্যপ্রদেশৰ দাদাৰিয়া, কাশ্মীৰৰ ৰৌফ, কেৰালাৰ কিলকালি পট্টু, গুজৰাটৰ গার্বা, বংগৰ বাউল আৰু ভাটিয়নি, গোৱাৰ মাড়ো আদি সংশিষ্ট অঞ্চলবোৰৰ মানুহৰ মাজত যথেষ্ট জনপ্রিয়।

৬) **পৰম্পৰাগত চিত্রকল্প আৰু প্রতীকচিহ্ন ঃ** উৎসৱ-পার্বণৰ সময়ত ৰঙীন গুড়িৰে ঘৰৰ বাহিৰত ৰংগোলি প্রস্তুত কৰা কেতিয়াবা প্রত্যক্ষ কৰিছেনে? সেইবোৰ আন একো নহয়, আমাৰ দৈনন্দিন জীৱনৰে একোটা অংশ। এই সুন্দৰ

অংকনবোৰে মানুহক উন্নতিৰ পথত আগবঢ়াই নিয়াৰ লগতে কু-শক্তিৰ পৰা ৰক্ষণাবেক্ষণ দিয়ে বুলি বিশ্বাস কৰা হয়। ভাৰতবৰ্ষত বহু প্ৰতীক চিহ্ন অংকন কৰে। ভাৰতৰ প্ৰতীকবোৰ বিশ্বৰ আন অংশৰ পৰা কিছু পৃথক। অৱশ্যে, কিছুক্ষেত্ৰত সাদৃশ্যও লক্ষ্য কৰা যায়।

উপাখ্যান, ধৰ্মীয় বিশ্বাস, পৰম্পৰা আৰু দৰ্শনৰ ওপৰত ভিত্তি কৰি ভাৰতবৰ্ষত প্ৰতীকচিহ্নবোৰ গঢ় লৈ উঠিছে। ভাৰতবৰ্ষ এনে এখন দেশ য'ত চিত্ৰকল্প আৰু প্ৰতীকচিহ্নক পৰম্পৰাগত কলা আৰু ৰীতি-নীতিসম্পন্ন অংকন হিচাপে বহু শতিকাৰ পৰা মানি অহা হৈছে। এই অংকনবোৰৰ ভিতৰত চিহ্ন, পকীত অংকিত চিত্ৰকল্প, লোক দেৱাল চিত্ৰ, পৰম্পৰাগত বস্ত্ৰ ডিজাইন, স্ক্ৰ'ল পেইণ্টিং আদি উল্লেখনীয়।



মান্দানা দেৱাল আৰু পকী চিত্ৰাংকন

৭) **ৰঙীন চিত্ৰ ঃ** বিভিন্ন সামাজিক বিষয়ক প্ৰতিফলিত কৰি ৰঙীন চিত্ৰই পৰম্পৰাগত মাধ্যমত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আদিম যুগত মানুহবোৰে এজনে আনজনৰ লগত যোগাযোগ কৰিবলৈ দেৱালত চিত্ৰাংকন, বিভিন্ন জীৱ-জন্তু চিকাৰৰ দৃশ্য অংকন আদি ব্যৱহাৰ কৰিছিল। ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন বিষয়ত চিত্ৰাংকনৰ নিৰ্দিষ্ট পৰম্পৰাৰ কথা জানিব পাৰিছো। বিশেষকৈ দৈনন্দিন জীৱনত ব্যৱহৃত কিছুমান ৰীতি-নীতি ফ্লৰ দেৱাল াদিত অংকন কৰা হৈছিল।



টাঞ্জোৰ চিত্ৰাংকন

এতিয়া গভীৰ অৰ্থ বহন কৰা কেতবোৰ পৰম্পৰাগত চিত্ৰৰৰ উদাহৰণৰ বিষয়ে আলোচনা কৰা হওক। মধ্যপ্ৰদেশৰ পৰম্পৰাগত চিত্ৰাংকন, বিশেষকৈ বুন্দেলখণ্ড, ছত্তীশগড়, গোণ্ডৱানা, নিমাৰ আৰু মালৱাৰৰ চিত্ৰবোৰে মানুহৰ ভাৱাবেগক প্ৰতিফলিত কৰাৰ সমান্তৰালভাৱে অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক পৰিৱেশৰ লগতো জড়িত। এইবোৰ কেৱল সৌন্দৰ্যবৰ্ধনেই নহয় ধৰ্মীয় ভক্তিও প্ৰকাশক। এতিয়া আমি কিছুমান উদাহৰণৰ সহায়ত কথা বুজি লও আহক।



পিথৰা চিত্ৰ

মধ্যপ্ৰদেশৰ ভিলছ আৰু ভিলালা জনজাতিৰ লোকসকলে পিথৰা চিত্ৰৰ নামেৰে বিশ্বাসৰ লগত জড়িত বিষয়বোৰ অংকন কৰে। বিভিন্ন ৰং ব্যৱহাৰেৰে ঘোৰা, হাতী, বাঘ, চৰাই, দেৱতা, মানুহ আৰু দৈনন্দিন জীৱনৰ বিভিন্ন বস্তু অংকন কৰি থোৱা আছে। গোণ্ডৱানা এলেকাত গোণ্ড আৰু প্ৰধান জনজাতিৰ চিত্ৰাংকনে দেশৰ লগতে জাপান, ফ্ৰান্স, অষ্ট্ৰেলিয়াৰ দৰে দেশত প্ৰদৰ্শন কৰি সমাদৰ লভিছে। মধ্যপ্ৰদেশৰ মালৱা, নিমাৰ আৰু তনৱাৰঘৰত তেওঁলোকৰ মান্দানা দেৱাল আৰু পকী চিত্ৰাংকনৰ বাবে বিখ্যাত। চিত্ৰ অংকনৰ বাবে ৰঙা মাটি আৰু গৰুৰ গোবৰেৰে লিপা দেৱাল ব্যৱহাৰ কৰে। ম'ৱা চৰাই, মেকুৰী, সিংহ, গুজাৰী, বাৱাৰী, স্বস্তিক আৰু চ'ক আদি এনেধৰণৰ কেতবোৰ প্ৰতীকচিহ্ন আৰু চিত্ৰকল্পৰ উদাহৰণ।



মধুবনী চিত্ৰাংকন

৮) **পুতলা নাচ ঃ** ভাৰতৰ বিভিন্ন প্ৰান্তত পুতলা নাচ বৰ্তমানেও অগতানুগতিক লোকমাধ্যমৰ অংশ হিচাপে ব্যৱহৃত হৈ আহিছে। সকলো বয়সৰ মানুহক ই সমানে মনোৰঞ্জন দিয়াৰ লগতে সামাজিক বাৰ্তা প্ৰচাৰ কৰে।

ভাৰততে তিনি প্ৰকাৰৰ পুতলা নাচ দেখা যায়। কিছুমান ৰাজ্যত ৰছী পুতলা, কিছুমান এলেকাত মাৰি পুতলা আৰু আন কিছু ঠাইত মোজা পুলতা দেখা যায়। এজন মানুহ বা এটা দল আৰু এটা শিল্পীৰ পৰিয়ালে সূত্ৰধাৰ হিচাপে ভিন্ ভিন্ ৰঙীন পুতলা নাচৰ প্ৰদৰ্শন কৰে। অঞ্চল আৰু পৰম্পৰাভেদে কাহিনী বেলেগ বেলেগ হয়।

সমগ্ৰ দেশত পৰম্পৰাগত মাধ্যমৰ প্ৰসাৰৰ সমান্তৰালভাৱে মানুহৰ মাজত সাংস্কৃতিক বিষয়টোৱেও স্থান দখল কৰি পেলালে। আনকি আজিৰ দিনতো সকলো গ্ৰাম্য আৰু অৰ্ধ-চহৰীয়া অঞ্চলত প্ৰতিটো উৎসৱৰ লগত লোককলা প্ৰদৰ্শন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ লোকমাধ্যম মানুহৰ প্ৰাকৃতিক জীৱনধাৰাৰ প্ৰতিনিধিত্ব কৰে বুলি কোনে কৈছিল?

.....

প্ৰশ্ন নং ২ ঃ পৰম্পৰাগত মাধ্যমৰ কোনটো ধৰণক মিশ্ৰিত বুলি বিবেচনা কৰা হয়? কিয়?

.....

.....

প্ৰশ্ন নং ৩ ঃ ভাৰতৰ লোকগীতক কেই ভাগত ভগাব পাৰি?

.....

.....

.....

.....

৩.৪ উন্নয়নমূলক কামত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ

বিশ্বৰ প্ৰতিখন উন্নয়নশীল ৰাষ্ট্ৰতে যোগাযোগৰ মাধ্যমেৰে উন্নয়ন সাধন কৰি অহা হৈছে। ভাৰতৰ দৰে অধিকাংশ লোক গ্ৰাম্য আৰু অৰ্ধচহৰীয়া অঞ্চলত বাস কৰা তথা কৃষিভিত্তিক অৰ্থনীতিৰ দেশবোৰত লোকমাধ্যমৰ বহুল ব্যৱহাৰ হয়।

ৰাজহুৱা আৰু চৰকাৰী সংগঠনবোৰে পৰম্পৰাগত লোকমাধ্যমক উন্নয়নমূলক কামত

ব্যৱহাৰ কৰে। বিভিন্ন ৰাজ্যত ১৯৫৪ চনৰ পৰা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ অধীনত 'সংগীত আৰু নাটক শাখা'ই এনেধৰণৰ কাম কৰে। ই হয় সকলোতকৈ ডাঙৰ চৰকাৰী সংস্থা, যি এনেকুৱা কামৰ লগত জড়িত। এই শাখাটোৱে বিভিন্ন বিভাগীয় ৰংগদল আৰু ব্যক্তিগত ৰংগদলত লোকনাট্য, কবিতা পাঠ (কবি সন্মিলন, মুশ্বাইৰা, কবি দৰবাৰ) লোক পাঠ, যেনে— কৱালী, পাল, ভিল্লুপাট্টু, পুতলা নাচ, ধৰ্মীয় বক্তৃতানুষ্ঠান, লোকগীত, লোকনৃত্য আদি আয়োজন কৰাত সহায় তথা উদগনি যোগায়। ভাৰত চৰকাৰৰ সংগীত আৰু নাটক শাখাই বিভিন্ন চৰকাৰী আঁচনিৰ প্ৰচাৰৰ হেতু বহুল মাত্ৰাত পুতলা ব্যৱহাৰ কৰে। লক্ষ্ণৌ শিক্ষা ভৱনৰ সহযোগিতাত ভাৰতীয় জীৱন বীমা নিগমে গ্ৰামাঞ্চলৰ মানুহক জীৱন বীমাৰ বিষয়ে সজাগ কৰি তোলাত পুতলা ব্যৱহাৰ কৰি আহিছে।

সাংস্কৃতিক ৰংগদল, লোক তথা নাট্য শিল্পীৰ জৰিয়তে সংগীত আৰু নাটক শাখাই নাটক, বাটৰ নাট, পুতলা নাচ বেলাড আৰু অন্যান্য অঞ্চলভিত্তিক লোককৃষ্টি পৰিৱেশনৰ দ্বাৰা সামাজিক আৰু উন্নয়নমূলক বাৰ্তা, যেনে— পৰিয়াল পৰিকল্পনা, সঞ্চয়, মদ্যপান অভ্যাস দূৰ কৰা, পাৰিবাৰিক হিংসা ৰোধ, দেশপ্ৰেম, পৰিৱেশজনিত কাৰক, অন্ধবিশ্বাস দূৰ কৰা আৰু সীমান্ত এলেকাত দেশপ্ৰেমমূলক সজাগতা সৃষ্টি কৰে। সমগ্ৰ ভাৰতবৰ্ষত ৭০টাতকৈ অধিক চৰকাৰী ৰংগদল এই কাম কৰি আছে। ব্যক্তিগত খণ্ডৰ সংগঠনসমূহে সামাজিক একশ্যন গ্ৰুপৰ জৰিয়তে উন্নয়নৰ পৰম্পৰাগত মাধ্যমক ব্যৱহাৰ কৰে।

ভাৰতবৰ্ষত উন্নয়ন প্ৰধানত গ্ৰামাঞ্চলসমূহৰ লগতে ইয়াৰ বাসিন্দাসকলৰ জীৱন-যাত্ৰাৰ মান উন্নত কৰাৰ লগত জড়িত। দিনটো পথাৰত কাম কৰা খেতিয়ক এজন, দিনটো ৰ'দত থাকি চাহৰ পাত তোলা বনুৱা জেন, এগৰাকী গাঁৱলীয়া মহিলা যি ঘৰুৱা কাম-বন, জীৱ-জন্তু পোহাৰ কামত ব্যস্ত থকাৰ লগতে বহু অঞ্চলত দূৰৰ পৰা পানীও আনিব লগা হয়, তেনে লোকসকল কোনো ভাষণ, টেলিভিশ্যনৰ তথ্যচিত্ৰ যিবোৰে সামাজিক বাৰ্তা প্ৰেৰণ কৰে সেইবোৰ চোৱা বা শুনাৰ কোনো ধৈর্য্য নাথাকে। তেওঁলোকক মনোৰঞ্জন আৰু জিৰণিৰ প্ৰয়োজন হয়, তেনেক্ষেত্ৰত পৰম্পৰাগত মাধ্যম সদায়ে উপযোগী।

স্বাধীন ভাৰতত পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ কৰোঁতেই পৰম্পৰাগত মাধ্যমৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছিল। কিন্তু ১৯৭২ চনত UNESCO আৰু আন্তঃৰাষ্ট্ৰীয় পৰিকল্পিত জনকত্ব সংঘ (International Planned Parenthood Federation)ৰ বৈঠকত পৰিয়াল পৰিকল্পনাৰ সজাগতা সৃষ্টিৰ বাবে সংহতভাৱে পৰম্পৰাগত আৰু গণমাধ্যমৰ ব্যৱহাৰত হেঁচা প্ৰয়োগ কৰাৰ পিছৰে পৰা উন্নয়নমূলক কামত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰৰ ধাৰণাটো বিশ্বজুৰি প্ৰসাৰ লাভ কৰে।

আন্তঃৰাষ্ট্ৰীয় যোগাযোগত দেখা দিয়া প্ৰত্যাহ্বানৰ বিষয়ে অধ্যয়ন কৰিবলৈ ১৯৭৭ চনত UNESCOৱে গঠন কৰি দিয়া মেকব্ৰাইড আয়োগৰ প্ৰতিবেদন 'Many Voices, One World'ত ১৯৮০ চনত আধুনিক গণমাধ্যমৰ প্ৰসাৰৰ যুগতো পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰৰ পৰামৰ্শ আগবঢ়াইছিল। প্ৰতিবেদনখনত এনেদৰে কৈছে—

"আধুনিক মাধ্যমসমূহ অতি ভিতৰুৱা অঞ্চলত প্ৰসাৰ লাভ কৰিলেও, পু�ৰণা মাধ্যমসমূহো নিজৰ অস্তিত্ব বজাই ৰখাৰ লগতে পৰিৱৰ্তনৰ প্ৰসাৰত প্ৰভাৱশালী মানসিকতাৰে ব্যৱহাৰ হৈ আহিছে। অভিজ্ঞতালব্ধ তথ্যৰ পৰা জানিব পৰা গৈছে যে, অন্ধবিশ্বাস দূৰীকৰণ, অবৈজ্ঞানিক মানসিকতাৰ বিলুপ্তি সাধনৰ ক্ষেত্ৰত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ ফলপ্ৰসূ হ'ব। পৰিৱৰ্তনৰ বাৰ্তা যদি প্ৰসাৰ ঘটাব নোৱাৰি তেন্তে সলনি কৰাটো কঠিন হৈ পৰিব। পৰম্পৰাগত কলাকৃষ্টিৰ জৰিয়তে প্ৰয়োজনীয় বাৰ্তা বহন কৰে। ইয়াক আন যোগাযোগৰ মাধ্যমেৰে বিকল্প বুলি গণ্য কৰিব নোৱাৰি।"

পৰম্পৰাগত মাধ্যম ব্যৱহাৰেৰে উন্নয়নমূলক কামৰ উদাহৰণ ঃ সজাগতা সৃষ্টি আৰু তথ্য প্ৰচাৰত বাটৰ নাট অতি জনপ্ৰিয় মাধ্যম। ভাৰতৰ বাটৰ নাটৰ আনুষ্ঠানিক আৰম্ভণি সংস্কাৰকামী ৰাজনৈতিক নাটক 'ফৰ্টিছ অব্ কলিকাতা'ৰ পৰা হৈছিল। ইয়াৰ বিকাশ লোক বা পৰম্পৰাগত নাটকৰ পৰা হোৱা নাছিল। সেই সময়ত নগৰমূহত জনপ্ৰিয় হৈ পৰা পাশ্চাত্য নাটকৰ ভাৰতীয় ৰূপৰ পৰাহে ইয়াৰ বিকাশ ঘটে। এনে জনপ্ৰিয় নাটৰ পৰিৱেশনৰ লগত জড়িত থাকে ছ'চিয়েল একশ্যন গ্ৰুপ, স্বাস্থ্য আৰু কৃষি সম্প্ৰসাৰণ কৰ্মী, ছাত্ৰকৰ্মী, ৰাজনৈতিক দল, ধৰ্মীয় সংস্কাৰক, মহিলা সংগঠন আদি। এন-আৰ-এইছ-এম, সৰ্বশিক্ষা অভিযান আৰু বচপন বচাও আন্দোলন আদিৰ দৰে বেচৰকাৰী সংগঠনে গ্ৰামাঞ্চল আৰু বস্তি এলেকা আদিত স্বাস্থ্য তথা পৰিচ্ছন্নতা, এইছ-আই-ভি/এইডছ, কন্যা শিশু শিক্ষা অথবা শিশু সৰবৰাহ ৰোধ আদিৰ সজাগতা অনাৰ বাবেও এনে মাধ্যম ব্যৱহাৰ কৰে।

ৰাজনৈতিক আৰু পৰিৱেশ বিষয়ক সজাগতা অনাৰ বাবেও বাটৰ নাট ব্যৱহাৰ কৰা হয়। ১৯৮৫ চনত পশ্চিম ঘাটক শোষণৰ পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত লোককলাই গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। উত্তৰাখণ্ডত চিপকো আন্দোলনৰ প্ৰচাৰেও লোকগীতে ভাল ভূমিকা লৈছিল। গছক ধ্বংসকাৰীৰ পৰা ৰক্ষা কৰিবলৈ মণ্ডল গাঁৱৰ মানুহে কেৱল লোকগীতকে ব্যৱহাৰ কৰা নাছিল গছজোপাক সাৱটি ধৰি সজাগতা আনিছিল।

ইণ্ডিয়ান পিপ্লছ থিয়েটাৰ এছ'চিয়েশ্যনে সমগ্ৰ ভাৰততে নাট পৰিৱেশনৰ জৰিয়তে উন্নয়নমূলক কামৰ বাৰ্তা প্ৰচাৰ কৰে। ১৯৪৩ চনৰ বংগ দুৰ্ভিক্ষৰ সময়ত বেংগল ইণ্ডিয়ান পিপ্লছ থিয়েটাৰ এছ'চিয়েস্যন (আই-পি-টি-এ) ৰংগদলে সমগ্ৰ দেশতে ভ্ৰমণ কৰি নাটক পৰিৱেশনৰ জৰিয়তে ক'লা বেপাৰী ৰোধ কৰা, খাদ্য অপচয় ৰোধৰ সজাগতা সৃষ্টি কৰিছিল।

বেছিদিনৰ উদাহৰণ নহয়, হার্ট কেয়াৰ ফাউণ্ডেশ্যন অব্ ইণ্ডিয়া নামৰ নতুন দিল্লীৰ সংগঠনটোৱে গ্ৰামাঞ্চলৰ মানুহক স্বাস্থ্যসন্মত পুষ্টিকৰ আহাৰ খোৱাৰ অভ্যাস গঢ়ি তোলাৰ বাবে সজাগতা অনাৰ বাবে সমগ্ৰ দেশতে লোকমাধ্যম ব্যৱহাৰ কৰিছিল।

জ্যেষ্ঠ শিক্ষাবিদ ড° হৰিশ কুমাৰে 'ইণ্ডিয়ান মিডিয়া ষ্টাডিজ জার্ণাল'ত প্ৰকাশিত এখন গৱেষণাপত্ৰত কৈছে যে, উন্নয়নমূলক কামত লোকমাধ্যমৰ ব্যৱহাৰ অতি লাভজনক। তেওঁ কয়, "বিগত শতিকাবোৰত লোক পৰিৱেশ্য কলাৰ ধৰণৰ পৰিৱৰ্তন ঘটিছে। সমাজৰ সৈতে খাপ খোৱাকৈ পৰিৱৰ্তনৰ সমান্তৰালভাৱে লোকমাধ্যমৰ পৰিৱৰ্তন হোৱাতো প্ৰয়োজনীয়ও। পৰম্পৰা হৈছে সময় আৰু মূল্যৰ সম্প্ৰচাৰ, বিশ্ব পৰিপ্ৰেক্ষিত অভিব্যক্তিৰ ব্যাখ্যা।"

স্বদেশী আন্দোলনৰ সময়ত তামিল কবি সুব্রমণিয়াম ভাৰতীয়ে স্বদেশপ্রেম আৰু সজাগতা সৃষ্টিৰ হকে লোকগীত ব্যৱহাৰ কৰিছিল। পশ্চিমবংগৰ বাউল, সমৰ বৰগীত, লোকগীত সামাজিক আৰু ধর্মীয় ক্ষেত্রত সমানে ব্যৱহাৰ হয়।

কৃষক আৰু গ্রামাঞ্চলৰ বাসিন্দাসকলৰ লগতে খেতিয়কসকলৰ কৃষি পদ্ধতিৰ উন্নয়ন আৰু জীৱন ধাৰণৰ মান উন্নত কৰাত সহায় কৰিবলৈ পূর্বৰে পৰা অল ইণ্ডিয়া ৰেডিঅ'ই লোক-সংগীত আৰু আন মৌখিক লোককলা ব্যৱহাৰ কৰি আহিছে। ঠিক তেনেদৰে ভাৰতীয় দূৰদর্শনত উন্নয়নমূলক কামত অতি উপযোগীকৈ কিছুমান লোককৃষ্টি ব্যৱহাৰ কৰা হয়।

১৯৭৫ চনৰ ছেটেলাইট ইনষ্ট্রাকশ্যনেল টেলিভিশ্যন এক্সপেৰিমেণ্ট (SITE) পিছলৈ মেদা প্রকল্পই গুজৰাটত উন্নয়নৰ বিষয়ে গ্রাম্য জনতাক সজাগ কৰাত আধুনিক গণমাধ্যমত লোককলা ব্যৱহাৰেৰে যি সফলতা লাভ কৰিলে সেয়া এক অনন্য উদাহৰণ হৈ ৰ'ব।

SITE প্রকল্পই বিহাৰ, কর্ণাটক, অন্ধ্রপ্রদেশ, ওড়িশা আৰু ৰাজস্থানৰ বহু জিলাৰ গাঁৱক সামৰি লৈছিল। ঠিক তেনেদৰে গুজৰাটৰ ৪৪৩খন গাঁৱত বহু বছৰলৈকে জনসাধাৰণক শিক্ষিত আৰু সজাগ কৰি তোলাৰ লক্ষ্যৰে স্থানীয় লোককৃষ্টিৰ ব্যৱহাৰেৰে মনোৰঞ্জন অনুষ্ঠান সম্প্রচাৰ কৰা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ উন্নয়নমূলক কামৰ উদ্দেশ্য চৰকাৰৰ কোনটো সংস্থাই পৰম্পৰাগত লোকমাধ্যমৰ ব্যৱহাৰ আৰু প্রসাৰ কৰে?

.....

.....

.....

প্রশ্ন নং ৫ ঃ কোন বছৰত UNESCOৰে উন্নয়নৰ স্বার্থত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰত গুৰুত্ব দি প্রচাৰ আৰম্ভ কৰিছিল?

.....

.....

.....

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানুহে যেতিয়া ভাৱ প্ৰকাশৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল সেই প্ৰাচীন কালতে লোককলাৰ ইতিহাসৰ উন্মেষ ঘটিছিল।
- সাধাৰণ লোকসৃষ্টি প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি সমগ্ৰ দেশতে পৰম্পৰাগত মাধ্যমৰ বিকাশ ঘটে।
- সমসাময়িক সামাজিক ধৰ্মীয় আৰু ৰাজনৈতিক কাৰণত লোককলাৰ ব্যৱহাৰ হৈছিল।
- পৰম্পৰাগত মাধ্যমবোৰ হ'ল নাটক, সংগীত, গান, বেলাড, নৃত্য, ধৰ্মীয় কাহিনী, চাৰুকলা, যাদু খেল আৰু পুতলা নাচ।
- লোকমাধ্যম অনানুষ্ঠানিক আৰু আন্তঃব্যক্তিগত।
- পৰম্পৰাগত মাধ্যমবোৰে জনসাধাৰণক মনোৰঞ্জন প্ৰদান কৰাৰ লগতে বিশেষকৈ গ্ৰামাঞ্চলত আন্তঃব্যক্তি আৰু আন্তঃগোট যোগাযোগৰ থলুৱা আহিলা হিচাপে কাম কৰে।
- সকলো অঞ্চলৰে লোকনাট্যত নৃত্য, সংগীত, কলা, বচন, কবিতা আনকি লোকসৃষ্টি আদি সংলগ্ন আছে।
- উন্নয়নমূলক ক্ষেত্ৰত লোকমাধ্যমত নমনী আৰু দক্ষ হয়।
- ১৯৭২ চনত UNESCO আৰু আন্তঃৰাষ্ট্ৰীয় পৰিকল্পিত জনকত্ব সংঘ (International Planned Parenthood Federation) য়ে লণ্ডনত এলানি বৈঠকৰ আয়োজন কৰি পৰিয়াল পৰিকল্পনাৰ সজাগতাৰ বাবে পৰম্পৰাগত আৰু গণমাধ্যম ব্যৱহাৰত হেঁচা দিছিল। তেতিয়াৰে পৰা উন্নয়নমূলক কামত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰে টার্নিং পইণ্ট লাভ কৰিলে।
- "ফৰ্টিজ অব্ কলকাতা" নামৰ ৰাজনৈতিক নাটকৰ জৰিয়তে ভাৰতত বাটৰ নাটৰ ব্যৱস্থাৰ সূচনা হৈছিল।
- উন্নয়নমূলক বাৰ্তা প্ৰেৰণৰ বাবে চৰকাৰী আৰু বেচৰকাৰী সংগঠনসমূহে লোকমাধ্যমৰ ব্যৱহাৰ কৰে।
- ইলেক্ট্ৰ'নিক মাধ্যমতকৈ লোকমাধ্যমৰ ডাঙৰ সাফল্যৰ দিশটো হৈছে ই মানুহৰ হৃদয় অতি সহজে স্পৰ্শ কৰিব পাৰে আৰু নিজা বৈশিষ্ট্য অটুট ৰাখি, পৰম্পৰা অক্ষুণ্ণ ৰাখি পৰিস্থিতি আয়ত্তলৈ আনিব পাৰে।
- গ্ৰামাঞ্চলৰ জনসাধাৰণক আকৰ্ষিত কৰিবলৈ আৰু অগতানুগতিক সৃষ্টিৰ বাবে চিনেমাত আদিৰে পৰা লোকগীত আৰু লোকনাট্যৰ ধাৰা ব্যৱহাৰ কৰা হয়।



৩.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Garghi, Balawant (1991), *Folk Theater of India*, Calcutta : Rupa & Co.
2) Malhan, P. N. (1985), *Communication : Yesterday, Today and Tomorrow*, New Delhi : Publication Division.
3) Malik, Madhu (1983), *Traditional Forms of Communication and the Mass Media in India*, Paris, UNESCO.
4) Paman, Shyam (1975), *Traditional Folk Media in India*, New Delhi : Gekha Books.

৩.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ লোকমাধ্যমৰ গৱেষক বলৱন্ত গার্গি।

২নং প্ৰশ্নৰ উত্তৰ ঃ সংযোজিত সংগীত, নৃত্য, কাব্য, গল্প কলা আৰু গানৰ একত্ৰিত ৰূপেই হৈছে লোকনাট্য।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় লোকসংগীতক তলত দিয়া তিনি ধৰণে ভাগ কৰিব পাৰি—

- ধ্ৰুপদী সংগীতৰ লগত সম্পৰ্ক থকা ভক্তি গীত আৰু স্তুতি গীত।
- বতৰ, ৰীতি-নীতি সম্পন্ন কার্য আৰু প্ৰেমমূলক গীতৰ লগতে উৎসৱ-পার্বণৰ সংগীত।
- জনজাতীয় গীত।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫৪ চনৰ পৰা সংগীত-নাটক শাখাই লোককলাৰ প্ৰচাৰৰ হকে কাম কৰি আছে। সামাজিক আৰু উন্নয়নৰ বার্তা প্ৰচাৰত এইবোৰ ব্যৱহাৰ কৰি আহিছে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭২ চনত লণ্ডনত ইণ্টাৰনেশ্যনেল পেৰেণ্টাইড ফেডাৰেশ্যনে আয়োজন কৰা এলানি বৈঠকত প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় সমাজে যোগাযোগৰ পৰম্পৰাগ ব্যৱহাৰৰ প্ৰয়োজনীয়তা অনুশীলন কৰে। উক্ত বর্ষতে উন্নয়নত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰৰ বাবে UNESCO ব্যাপক প্ৰচাৰ আৰম্ভ কৰে।



৩.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ লোকমাধ্যম বুলিলে কি বুজে ?

প্ৰশ্ন ২ ঃ লোকনাট্য বুলিলে কি বুজে ? ই বাটৰ নাটৰ সৈতে একেনে ?

প্ৰশ্ন ৩ ঃ বিভিন্ন সামাজিক বিষয়ক পোহৰলৈ অনাৰ বাবে চিনেমাত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ হয়নে ? উদাহৰণ দিয়ক।

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ আন্তঃব্যক্তি আৰু আন্তঃগোট যোগাযোগত পৰম্পৰাগত লোকমাধ্যমক কেনেদৰে থলুৱা আহিলা হিচাপে ব্যৱহাৰ কৰা হয় ? উদাহৰণৰ সহায়ত ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ পৰম্পৰাগত ছন্দ আৰু চিহ্নক আপুনি পৰম্পৰাগত মাধ্যম বুলি ভাবেনে ? কিয় ?

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তাৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ উন্নয়নমূলক কামত পৰম্পৰগাত মাধ্যম কেনেদৰে ব্যৱহাৰ কৰা হয় ? উদাহৰণসহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ পৰম্পৰাগত লোকমাধ্যমত প্ৰযুক্তিগত সংযোজন

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ পৰম্পৰাগত মাধ্যমত বৈদ্যুতিক মাধ্যমৰ প্ৰভাৱ
৪.৪ গণসংযোগ মাধ্যম লোককলাৰ তুলনা
৪.৫ সামাজিক পৰিৱৰ্তন আৰু উন্নয়নৰ আহিলা হিচাপে পৰম্পৰাগত মাধ্যম ব্যৱহাৰৰ সফলতা
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্ৰগতিৰ খতিয়ান
৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব—

- পৰম্পৰাগত মাধ্যমৰ ওপৰত বৈদ্যুতিক মাধ্যমৰ প্ৰভাৱৰ ব্যাখ্যা
- পৰম্পৰাগত গণমাধ্যম আৰু ইলেক্ট্ৰ'নিক মাধ্যমৰ যোগাযোগৰ ধৰণৰ মাজৰ পাৰ্থক্যৰ আলোচনা
- সামাজিক পৰিৱৰ্তন আৰু উন্নয়নৰ ক্ষেত্ৰত পৰম্পৰাগত গণমাধ্যমৰ সফল ব্যৱহাৰৰ বিশ্লেষণ।

৪.২ পৰিচয়

পূৰ্বৰ অধ্যায়ৰ অধ্যয়নৰ জৰিয়তে আপুনি ভাৰতবৰ্ষত পৰম্পৰাগত লোকমাধ্যমৰ জনপ্ৰিয়তাৰ বিষয়ে জানিব পাৰিছে। এই অধ্যায়ত আপোনালোকে পৰম্পৰাগত মাধ্যমত বৈদ্যুতিক মাধ্যমৰ প্ৰভাৱ, দুয়োটিৰ মাজৰ যোগাযোগ ব্যৱস্থাৰ পাৰ্থক্য আৰু উন্নয়নমূলক বাৰ্তা প্ৰচাৰত পৰম্পৰাগত মাধ্যমৰ সফল প্ৰয়োগৰ বিষয়ে জানিব পাৰিব।

৪.৩ পৰম্পৰাগত মাধ্যমত বৈদ্যুতিক মাধ্যমৰ প্ৰভাৱ

তথ্য প্ৰযুক্তিৰ উন্নয়নৰ লগে লগে বিভিন্ন প্ৰকাৰৰ গণমাধ্যমে সমাজত স্থান দখল কৰিছে। নতুন নতুন গণমাধ্যমে প্ৰসাৰ লাভ কৰিছে যদিও লোকমাধ্যমৰ স্থান কোনেও পূৰাব পৰা নাই। লোককলা আমাৰ সংস্কৃতি আৰু পৰিচয়ৰ একোটা অংগ সেয়ে ইয়াৰ স্থান কোনেও দখল কৰিব নোৱাৰে। ভাৰতৰ লোকমাধ্যমৰ প্ৰসাৰত বৈদ্যুতিক মাধ্যম অৰ্থাৎ টেলিভিশ্যন আৰু ৰেডিঅ'ই গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

বহুতে আশংকা কৰে যে ইলেক্ট্ৰ'নিক মাধ্যমৰ আগ্ৰাসনে পৰম্পৰাগত মাধ্যমক নিঃশেষ কৰি পেলাব। কিন্তু সেইটো কেতিয়াও নহয়, কাৰণ পৰম্পৰাগত মাধ্যমৰ ভাৰতৰ সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। বহুক্ষেত্ৰত ইলেক্ট্ৰ'নিক মাধ্যমে সময়ৰ তাগিদা আৰু মানুহৰ ৰুচি পূৰাবৰ বাবে পৰম্পৰাগত মাধ্যম ব্যৱহাৰ কৰে। সেয়ে পৰম্পৰাগত মাধ্যমত লোকমাধ্যমৰ বিশুদ্ধতাৰ কোনো আঘাত কৰা নাই।

কিছুমান পৰম্পৰাগত মাধ্যম, যেনে — যাত্ৰা আৰু নৌতংকী আদিত প্ৰয়োজন অনুসৰি আজিকালি ফিল্মৰ দৰে গান ব্যৱহাৰ কৰে। আনকি টেলিভিশ্যন শ্ব'বোৰতো পুতলা নাচ, লোকনৃত্য প্ৰদৰ্শন কৰে। চিনেমাবোৰত জনসাধাৰণক আকৰ্ষিত কৰা অথবা অগতানুগতিক কৰাৰ স্বাৰ্থত আগৰে পৰা লোকগীত আৰু লোকনাট্য ব্যৱহাৰ কৰি আহিছে। উদাহৰণ স্বৰূপে 'ভাৱনি ভাৱাই' (১৯৮০) নামৰ চিনেমাখনত গুজৰাটৰ ভাৱাই লোককলা ব্যৱহাৰ কৰা হৈছিল। 'পিপ্‌লি লাইভ' (২০১০) নামৰ চিনেমাখনত জনসাধাৰণৰ সমস্যা সন্দৰ্ভত ব্যংগাত্মক মন্তব্য কৰিবলৈ লোকগীতৰ ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। ঠিক তেনেদৰে "গেংছ অব্ ৱাছিপুৰ" (২০১২)ত লোকসংগীত আৰু আধুনিক গীতৰ সুন্দৰ ফিউজন ব্যৱহাৰ কৰিছে। অমল পালেকা�ৰৰ পৰিচালিত 'পেহেলি' (২০০৪)ত ৰাজস্থানী সংস্কৃতিৰ ভিত্তিত নিৰ্মিত। আপোনাৰ হয়তো মনত আছে চিনেমাখনৰ আৰম্ভণি আৰু সামৰণিত পুতলা নাচ সুন্দৰভাৱে ব্যৱহাৰ কৰিছে।

ভাৰতবৰ্ষত ঔপনিৱেশ শাসনৰ কালৰে পৰা ৰেডিঅ'ই গ্ৰামাঞ্চলৰ শ্ৰোতাৰ বাবে প্ৰচলিত অনুষ্ঠানবোৰত লোককলা ব্যৱহাৰ কৰি লোক-সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰ কৰি আহিছে। ইণ্টাৰনেটত, কিছুমান ছাইটত লোক-সংস্কৃতিৰ ক্ষেত্ৰত গুৰুত্ব দি সাধুকথাৰ এনিমেটেড অপশ্যন দিয়া থাকে।

ইলেক্ট্ৰ'নিক আৰু পৰম্পৰাগত মাধ্যমৰ এই আন্তঃনিৰ্ভৰশীলতাই কেতিয়াবা আমোদজনক ফলাফল প্ৰদান কৰে। কিন্তু এনেদৰে ফিউজনৰ ফলত বিশুদ্ধ ৰূপৰ লোকমাধ্যম বিশৃংখল হোৱাৰ লগতে স্বকীয়তা হেৰুৱাই পেলোৱাৰ আশংকা থাকে। দুৰ্ভাগ্যজনকভাৱে ইলেক্ট্ৰ'নিক মাধ্যমে তাৰ বাবে পৰম্পৰাগত মাধ্যমৰ স্থান দখল কৰিছে। প্ৰকৃতাৰ্থত ইলেক্ট্ৰ'নিক মাধ্যমতকৈ পৰম্পৰাগত মাধ্যমৰ কেতবোৰ স্পষ্ট সুবিধা আছে। ঘনিষ্ঠতা, ব্যক্তিগত যোগাযোগ একে ভাষা, বিশ্বাসযোগ্যতা আৰু গ্ৰহণীয়তা আদিয়ে গ্ৰাম্য সমাজত লোকমাধ্যমক চিৰন্তনভাৱে সহনীয় কৰি ৰাখিছে।

মধু মালিকে তেওঁৰ গ্ৰন্থ 'Traditional forms of Communication and the Mass Media in India'ত লিখিছে যে অল ইণ্ডিয়া ৰেডিঅ'ই (AIR) লোকসংগীত আৰু লোকগীতৰ সম্প্ৰচাৰত যথেষ্ট সময় দিয়ে। ১৯৫৬ চনত আকাশবাণীয়ে দেশৰ বিভিন্ন প্ৰান্তৰ আঞ্চলিক ভাষাৰ নাটকীয় শিক্ষা ৰাইজৰ ওচৰত চপাই নিয়া আৰু লোকসংগীতমূলক নাটকত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰীয় নাট্য কাৰ্যসূচীৰ আৰম্ভ কৰিছিল। আঞ্চলিক ৰেডিঅ' কেন্দ্ৰসমূহে দেশৰ দূৰণিবটীয়া অঞ্চলবোৰৰ লোককলা ৰেকৰ্ডিং কৰি ৰাখে। দেশৰ স্বাধীনতাৰ পিছত প্ৰসাৰ লাভ কৰা টেলিভিশ্যনেও বিভিন্ন লোককলা জনপ্ৰিয়কৰণত বৰঙণি আগবঢ়াইছে। উদাহৰণস্বৰূপে দূৰদৰ্শনৰ দ্বাৰা কৃষকৰ কল্যাণাৰ্থে সম্প্ৰচাৰিত কৃষিদৰ্শন অনুষ্ঠানত লোকগীতৰ অনুষ্ঠান প্ৰায়ে

সম্প্ৰচাৰ কৰা হয়। লোকমাধ্যমৰ বিশেষজ্ঞ শ্যাম পাৰ্মাৰে প্ৰকাশ কৰিছে যে, লোকসংগীতৰ জনপ্ৰিয়কৰণত ৰেডিঅ' আৰু টেলিভিশ্যনে নতুনত্বৰ গতি দিলে আৰু ভাষাৰ পৰিধিৰ বাহিৰতো তাক জনপ্ৰিয় কৰি তুলিলে।

আপুনি যদি গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ Fixed Point Chart (FPC) অথবা কাৰ্যসূচীৰ প্ৰতি মন কৰে দেখিব যে অসমৰ বিভিন্ন লোককলাৰ ভিত্তিত কেইবাটাও অনুষ্ঠান আছে। পুৱাৰ ভাগত সপ্তাহটোৰ প্ৰতিদিনে অসমৰ লোকসংগীত, যেনে— কামৰূপীয়া লোকগীত, বৰগীত, গোৱালপাৰীয়া লোকগীত, ওজাপালি, দেহবিচাৰ গীত, জিকিৰ আদি সম্প্ৰচাৰ কৰে। অসমৰ খিলঞ্জীয়া ৰন্ধন প্ৰকৰণ আৰু লোকনৃত্যৰ অনুষ্ঠানো পৰিৱেশন কৰে। ব্যক্তিগত খণ্ডৰ টেলিভিশ্যন চেনেলবোৰেও অসমৰ লোকসংগীত, নৃত্য আৰু সামগ্ৰিক লোকসংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰত গুৰুত্ব দিয়ে।

জনপ্ৰিয় মাধ্যম হিচাপে বৈদ্যুতিক মাধ্যমে অঞ্চল এটাৰ লোকসংস্কৃতি প্ৰসাৰ আৰু প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। বিশেষকৈ সময়ৰ সোঁতত অস্তিত্বৰ বিপদত পৰা মৌখিক পৰম্পৰাবোৰ সাধাৰণ মানুহৰ মাজত জনপ্ৰিয় কৰাত হেঁচা দিব পাৰে। প্ৰকৃততে জনসাধাৰণৰ মাজত লোকমাধ্যমৰ প্ৰতি নতুনকৈ জনপ্ৰিয়তা সৃষ্টিত গণমাধ্যমে সফলতাপূৰ্ণ পদক্ষেপ ল'ব পাৰে। অসমৰ ক্ষেত্ৰত বিহু যেতিয়া আচুতীয়া হৈ আছিল তেতিয়া কেছেটৰ বজাৰখনে বিহু উৎসৱক শিক্ষিত সমাজৰ মাজত জনপ্ৰিয় কৰি তুলিলে। ভাৰতীয় চিনেমাৰ ক্ষেত্ৰতো বহু চিনেমা উপাখ্যান আৰু অন্যান্য লোককলাৰ বৰ্ণনাত্মক কাহিনীৰ ভিত্তিত নিৰ্মিত।

আনকি টেলিভিশ্যনেও নিজকে লোককলাৰ পৰা দূৰত্বত ৰাখিব পৰা নাই। টেলিভিশ্যনৰ বিভিন্ন অনুষ্ঠানত নিয়মীয়াকৈ লোককলা প্ৰচাৰ হোৱাৰ উপৰিও পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে বহু অনুষ্ঠান লোকসংস্কৃতিৰ ধাৰা প্ৰভাৱান্বিত। নতুন সামাজিক বাৰ্তা আনকি উদ্দেশ্যধৰ্মী বাৰ্তা প্ৰেৰণৰ ক্ষেত্ৰতো লোক পৰিৱেশ্য কলা ব্যৱহৃত হৈ আহিছে। অসমত পৰিয়াল পৰিকল্পনা, বনানীকৰণ আদিৰ দৰে কাৰ্যসূচীৰ বাৰ্তা সম্প্ৰচাৰৰ অৰ্থে এনে ধৰণৰ এজেন্সি কিছুমানে ওজাপালি, পুতলা নাচ আৰু কামৰূপী লোকগীত ব্যৱহাৰ কৰি আহিছে।

ভাৰতত যথেষ্ট সংখ্যক সম্ভ্ৰান্ত, জনপ্ৰিয় আৰু প্ৰভাৱশালী পৰম্পৰাগত মাধ্যম আছে, যিবোৰে সময়ৰ লগে লগে কিছু উন্নয়নসাধনো হৈছে। বৈদ্যুতিক মাধ্যমৰ হয়তো বিশ্বৰ প্ৰতিটো কোণৰ গাঁওখনলৈকে সম্প্ৰসাৰণ ঘটিব, কিন্তু নিৰ্দিষ্ট অঞ্চলবিলাকত পৰম্পৰাগত মাধ্যমৰ স্বকীয় ধাৰা অব্যাহত থাকিব। ৰেডিঅ' আৰু টেলিভিশ্যনৰ দৰে বৈদ্যুতিক মাধ্যমবোৰে পৰম্পৰাগত প্ৰদৰ্শনৰ জৰিয়তে নিজৰ আধিপত্য তথা প্ৰচাৰ ক্ষেত্ৰ সম্প্ৰসাৰণ কৰিলেও বিভিন্ন বৈদ্যুতিক মাধ্যমত পৰম্পৰাগত মাধ্যমৰ বেষ-ভুষা, ৰং-বিৰং নৃত্য আৰু সংগীতে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰি আহিছে। বহু পণ্ডিত তথা গৱেষকৰ মতে, তথ্যৰ সক্ৰিয় সম্প্ৰসাৰৰ হেতু পৰম্পৰাগত মাধ্যমৰ সৈতে বৈদ্যুতিক মাধ্যমক একে লগ কৰি পেলাব লাগে। কাৰণ স্থানীয় মানুহবোৰ ইয়াৰ লগত জড়িত যাক পূৰ্বতে কেৱল মনোৰঞ্জনৰ বাবেহে ব্যৱহাৰ কৰা হৈছিল।

কেৱল ৰাজনৈতিক আৰু আৰ্থ-সামাজিক উন্নয়নৰ যোগাযোগত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ কৰাৰ দৰে সাংস্কৃতিক উন্নয়নতো ব্যৱহাৰ কৰা উচিত। প্ৰকৃতাৰ্থত পৰম্পৰাগত মাধ্যমৰ

সামাজিক কৰ্তৃত্ব অক্ষুণ্ণ থকাৰ প্ৰয়োজন। সমাজৰ প্ৰয়োজনতাৰ ভিত্তিত বাৰ্তা প্ৰচাৰৰ হেতু নিৰ্বাচিত মাধ্যম যাতে উপযুক্ত তথা প্ৰাসংগিক হয় সেই ক্ষেত্ৰতো গুৰুত্ব দিয়া উচিত। উদাহৰণ স্বৰূপে, মহাৰাষ্ট্ৰৰ নাটকৰ এটা বিশেষ প্ৰকাৰ তামাশাক কেৰালাৰ গ্ৰাম্য সমাজত বাৰ্তা প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি। বৈদ্যুতিক মাধ্যমসমূহে সংহতভাৱে যিহেতু পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ কৰি আহিছে, সেয়ে ইয়াৰ প্ৰকৃত ৰূপ যাতে বিনষ্ট হৈ নাযায় তাক সংৰক্ষণৰ বাবে যত্ন ল'ব লাগিব। ঠিক তেনেদৰে উন্নয়নমূলক ক্ষেত্ৰত পৰম্পৰাগত আৰু বৈদ্যুতিক মাধ্যমৰ সফল প্ৰয়োগৰ খাতিৰত প্ৰযোজক আৰু লোকশিল্পীসকলৰ মাজত সহযোগিতা অতিকৈ প্ৰয়োজনীয়।

এই ক্ষেত্ৰত প্ৰযুক্তি নিৰ্ভৰ বৈদ্যুতিক মাধ্যম আৰু লোকমাধ্যমৰ দীৰ্ঘদিনীয়া যাত্ৰাৰ পৰিকাঠামো নিৰ্মাণৰ খাতিৰত এটা সুসংহত প্ৰচেষ্টা নিতান্তই দৰকাৰী।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আকাশবাণীৰ ৰাষ্ট্ৰীয় নাট্য কাৰ্যক্ৰম কেতিয়া আৰম্ভ হৈছিল?

.....

প্ৰশ্ন নং ২ ঃ বৈদ্যুতিক মাধ্যমতকৈ পৰম্পৰাগত মাধ্যম কিয় বেছি নমনীয়?

.....

প্ৰশ্ন নং ৩ ঃ লোকমাধ্যমত বৈদ্যুতিক মাধ্যমে বিস্তৰ প্ৰভাৱ পেলাইছে নেকি?

.....



চিন্তা-চৰ্চা কৰক ৪.১

এসপ্তাহৰ বাবে টেলিভিশ্যনৰ অনুষ্ঠানবোৰ পৰ্যবেক্ষণ কৰক। এই সময়খিনিত টেলিভিশ্যনত প্ৰত্যক্ষ কৰা পৰম্পৰাগত মাধ্যমসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

৪.৪ গণসংযোগ মাধ্যম লোককলাৰ তুলনা

যোগাযোগ প্ৰক্ৰিয়া মানৱ জাতিৰ দৰেই পুৰণি। অংগী-ভংগী কালক্ৰমত মুখৰ মাতলৈ অৰ্থাৎ কথালৈ পৰিৱৰ্তিত হৈ মানুহৰ মাজত যোগাযোগৰ অংশ হৈ পৰিল। সমাজৰ পৰিৱৰ্তনৰ লগে লগে যোগাযোগৰ পদ্ধতিও বহু হ'ল। যোগাযোগৰ প্ৰক্ৰিয়া সমাজ এখনৰ সংস্কৃতিৰ অংগ আৰু ই সামাজিক গাঁথনি প্ৰতিষ্ঠান আৰু সংগঠনসমূহক প্ৰতিফলিত কৰে। পৰম্পৰাগত লোকমাধ্যম জনসাধাৰণৰ জীৱনযাত্ৰাৰ শৈলী, পৰম্পৰা আৰু ৰীতি-নীতিৰ ভিত্তিত গঢ়ি উঠা। গণমাধ্যম হৈছে সময় আগবাঢ়ি যোৱাৰ লগে লগে তথ্য প্ৰযুক্তিৰ ভিত্তিত গঢ়ি উঠা মাধ্যম।

জানি থোৱা ভাল



লোকসংস্কৃতি ঃ স্থানীয়, পৰম্পৰা নিৰ্ভৰ মানুহৰ গোটৰ দৈনন্দিন জীৱৰ একত্ৰিত কাৰ্যকলাপ তথা ভাৱ-ভাষাক তথা আচৰণকে লোকসংস্কৃতি বোলে। পূৰ্বতে আন মানুহৰ পৰা দূৰত বাস কৰা গ্ৰাম্য অঞ্চলৰ একেধৰ্মী মানুহৰ পৰম্পৰাগত কাম-কাজকে লোকসংস্কৃতি বুলি এটা সম্যক ধাৰণা কৰি লোৱা হৈছিল। কিন্তু আজিৰ দিনত আধুনিক আৰু গ্ৰাম্য সমাজ দুয়োৰে অতি গতিশীল চৰিত্ৰ হিচাপে লোকসংস্কৃতিক গণ্য কৰা হৈছে। ঐতিহাসিকভাৱে পিছপৰি যোৱা মৌখিক পৰম্পৰা যোগাযোগ বৰ্তমান গতিশীল কম্পিউটাৰভিত্তিত যোগাযোগেৰে আগবাঢ়ি গৈছে। এইটো সমাজৰ কৃতী আৰু গোটৰ পৰিচয়ৰ লগত সম্পৰ্ক থকা। অসমৰ ক্ষেত্ৰত চাবলৈ গ'লে সম্ভ্ৰান্ত সাংস্কৃতিক ঐতিহ্য আছে। ৰাজ্যখনত ভেকুলীৰ বিয়া, ঝুমুৰ নৃত্য, ওজাপালি নৃত্য, মে-দাম-মেফি, ভাওনা আদিৰ দৰে পৰিৱেশ্য কলা আৰু সামাজিক ৰীতি-নীতি আছে।

ছপাযন্ত্ৰৰ আৱিষ্কাৰৰ পিছতে ৰেডিঅ' আৰু টেলিভিশ্যনৰ উদ্ভাৱনে গণসংযোগৰ অনন্য গতি প্ৰদান কৰিলে। গণমাধ্যমে জনসাধাৰণক প্ৰয়োজনীয় তথ্যৰ যোগান ধৰিব পৰা হ'ল। গণমাধ্যমৰ বৃহৎ যোগাত্মক দিশটো হৈছে অতি কম সময়ৰ ভিতৰতে অতি সহজে শ্ৰোতা-দৰ্শকক আকৰ্ষিত কৰিব পাৰে।

গণমাধ্যমৰ জনপ্ৰিয়তা আৰু বিকাশৰ ধাৰা অব্যাহত থকাৰ সমান্তৰালকৈ সমাজত লোকসমাধ্যমৰ প্ৰাসংগিকতা অটুট আছে। গণমাধ্যম অধিক জনপ্ৰিয় অঞ্চলবোৰতো পৰম্পৰাগত মাধ্যমে নিজৰ জনপ্ৰিয়তা অক্ষুণ্ণ ৰাখিছে। আগৰৱালা আৰু গুপ্তাই এই সন্দৰ্ভত এনেদৰে লিখিছে— "সাধাৰণতে মনোৰঞ্জন, সামাজিক যোগাযোগ আৰু ধৰ্মীয় কাম-কাজত লোকমাধ্যমৰ পৰম্পৰাগত ধাৰা ব্যৱহাৰ কৰা হয়। এনে মাধ্যমবোৰ উদ্দেশ্যপ্ৰণোদিত আৰু আলোচনাত্মক যোগাযোগৰ কাৰণৰ দ্বাৰা প্ৰভাৱিত।"

Many Voices, One World'ত কৈছে যে, সমাজৰ পৰা অন্ধবিশ্বাস দূৰীকৰণ, আওপুৰণি আৰু অবিজ্ঞানসম্মত মনোভাৱ তথা কাৰ্যকলাপ যিবোৰ পৰম্পৰাৰ ৰূপ লৈছে তাক দূৰীকৰণত যোগাযোগৰ পৰম্পৰাগত মাধ্যম উপযোগী হয়।

উন্নয়নৰ বাৰ্তা প্ৰচাৰতো পৰম্পৰাগত লোকমাধ্যমৰ ব্যৱহাৰ ফৰপ্ৰসূ হয়। মানুহৰ মন আৰু হৃদয়ৰ কাষৰ হোৱা হেতুকে ইয়াৰ আহ্বান একান্তই আপোন আৰু ব্যক্তিগত কৰাত প্ৰকাশ পায়। গণমাধ্যমক ভিন্ন শ্ৰেণীৰ দৰ্শকক লক্ষ্য কৰি লোৱাৰ বিপৰীতে পৰম্পৰাগত মাধ্যম এটা নিৰ্দিষ্ট গোটৰ মানুহক লক্ষ্য কৰি লোৱা হয়। গণমাধ্যমৰ ক্ষেত্ৰত দেখা দিয়া ভিন্নসুৰী সাংস্কৃতিক যোগাযোগৰ সমস্যা পৰম্পৰাগত মাধ্যমৰ ক্ষেত্ৰত দেখা পোৱা নাযায়।

পৰম্পৰাগত লোকমাধ্যম অতিশয় কাৰ্যদক্ষ আৰু আন্তঃব্যক্তিমূলক হয়। পৰিপ্ৰেক্ষামূলক ভিত্তি থকাৰ বাবে সামাজিকভাৱে প্ৰাসংগিক উন্নয়ন আৰু বিকাশৰ বাৰ্তাবোৰ প্ৰচাৰ কৰিব পাৰে।

আমি এতিয়া পৰম্পৰাগত মাধ্যম আৰু গণমাধ্যমৰ জৰিয়তে হোৱা যোগাযোগৰ মাজৰ পাৰ্থক্যবোৰ বিচাৰ কৰি চাম আহঁক।

ক) গণমাধ্যমৰ বার্তাবোৰৰ প্ৰকৃতি সাধাৰণ হয় আৰু অসংখ্য ভিন্ন শ্ৰেণীৰ শ্ৰোতা-দৰ্শকক মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। পৰম্পৰাগত মাধ্যমৰ বার্তা সুনির্দিষ্ট আৰু সীমাবদ্ধ শ্ৰোতা-দৰ্শকৰ মাজত প্ৰচাৰ কৰা হয়।

খ) গণমাধ্যমৰ বিশ্বাসযোগ্যতা কেতিয়াবা নাইকিয়া হৈ যাবও পাৰে। কিন্তু জনসাধাৰণৰ জীৱনযাত্ৰাৰ পৰা বুটলি অনা পৰম্পৰাগত মাধ্যম বিশ্বাসযোগ্যতা অতি উচ্চ।

গ) গণমাধ্যমত শ্ৰোতা-দৰ্শকৰ অংশগ্ৰহণ কাৎচিতহে দেখা যায়। ই একপ্ৰকাৰৰ একপক্ষীয় যোগাযোগ। দৰ্শক বা শ্ৰোতাই বার্তা পোৱাতেই ইয়াৰ অন্ত পৰে। আনহাতে, পৰম্পৰাগত মাধ্যমত দৰ্শক বা শ্ৰোতাই অংশগ্ৰহণ কৰিব পাৰে।

ঘ) গণমাধ্যমৰ জৰিয়তে হোৱা যোগাযোগ ব্যক্তিৰ মাজত নহয়, আনহাতে, পৰম্পৰাগত মাধ্যমৰ যোগাযোগ অতি ওচৰৰ আৰু ব্যক্তিগত হয়।

ঙ) গণমাধ্যমৰ যোগাযোগত কাৰিকৰী সমস্যাই দেখা দিব পাৰে, আনহাতে লোকমাধ্যমৰ ক্ষেত্ৰত এনে সমস্যাই দেখা নিদিয়ে।

চ) শিক্ষাৰ অভাৱ, ভাষাৰ সার্বজনীনহীনতাৰ ফলত গণমাধ্যমৰ যোগাযোগ সর্বাত্মক নহয়, গণসংযোগৰ বার্তাবোৰ ব্যাখ্যা কৰাৰ বাবে কেতিয়াবা ব্যাখ্যা কৰোঁতাৰ প্ৰয়োজন হয়। স্থানীয় ভাষাত প্ৰদর্শন কৰা হেতু পৰম্পৰাগত মাধ্যমত এই সমস্যাটোৱে দেখা নিদিয়ে। সাধাৰণ জনতাই এইবোৰ বুজি পায়।

ছ) যোগাযোগৰ ধৰণ পৰম্পৰাগত মাধ্যমত গণমাধ্যমতকৈ অধিক শিথিল। খৰচী হোৱাৰ বাবে বিভিন্ন জনগোষ্ঠীয়ে বুজি পোৱাকৈ গণমাধ্যমৰ অনুষ্ঠানৰ ব্যৱস্থা কৰাটো জটিল হয়। আনহাতে লোকমাধ্যম অতি শিথিল। সমাজৰ প্ৰয়োজন আৰু বুজি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি বার্তাৰ ধৰণ সলনি কৰিব পাৰি।

জ) পৰম্পৰাগত মাধ্যমত এটা নির্দিষ্ট এলেকাতে সীমাবদ্ধ হোৱাৰ পৰিৱর্তে গণমাধ্যমৰ পৰিসৰ অতি বহল।

ঝ) লোকমাধ্যমৰ আটাইতকৈ ডাঙৰ গুণটো হৈছে ইয়াৰ ফিডবেক লগে লগে পোৱা যায়। প্ৰদর্শনৰ পিছতে দর্শকে নিজৰ মতামত দিয়াৰ লগতে সন্দেহজনক বিষয় আৰু আলোচনা কৰিব পাৰে। কিন্তু গণমাধ্যমত তাৎক্ষণিক ফিডবেকৰ সুবিধা নাপায়।

ঞ) পৰম্পৰাগত মাধ্যমৰ সফলতা-বিফলতা অনুষ্ঠানৰ পিছতে দর্শকৰ ফিডবেকৰ পৰা জানিব পাৰি। আনহাতে গণমাধ্যমত তাৎক্ষণিকভাৱে সফলতা-বিফলতাৰ হিচাপ উলিয়াব নোৱাৰি।

৪.৫ সামাজিক পৰিৱর্তন আৰু উন্নয়নৰ আহিলা হিচাপে পৰম্পৰাগত মাধ্যম ব্যৱহাৰৰ সফলতা

সামাজিক পৰিৱর্তন আৰু উন্নয়নৰ আহিলা হিচাপে পৰম্পৰাগত মাধ্যমৰ গুৰুত্ব ওলাই কৰিব পৰাবিধৰ নহয়। বহু শতিকাৰ পৰা বিশেষকৈ গ্ৰামাঞ্চলত উন্নয়নমূলক কামত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ কৰি অহা হৈছে। মানৱ সমাজৰ অস্তিত্ব আৰু উন্নয়নক লৈ পৰম্পৰাগত মাধ্যমৰ

সৃষ্টি। সেয়ে সকলো সময়তে ই প্ৰাসংগিক হৈ থাকে। উন্নয়নশীল দেশবোৰত যোগাযোগৰ উন্নয়নমূলক কৌশলৰ প্ৰচাৰত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰৰ ধাৰণাটো ১৯৭২ চনত পোন প্ৰথমবাৰৰ বাবে ব্যৱহাৰ হৈছিল। পৰিয়াল পৰিকল্পনাৰ সজাগতা সৃষ্টিৰ বাবে পৰম্পৰাগত মাধ্যমৰ সংহত ব্যৱহাৰৰ বাবে UNESCOৱে ১৯৭২ চনত লণ্ডনত এলানি আলোচনা অনুষ্ঠিত কৰিছিল। পিভি ষ্টিচলেই লিখিছে যে গ্ৰামাঞ্চলৰ বাসিন্দাসকলৰ পৰিৱৰ্তন আৰু উন্নয়নৰ বাবে যোগাযোগৰ মাধ্যম হিচাপে পৰম্পৰাগত মাধ্যম অতি উপযুক্ত। ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰত সমাজৰ পৰিৱৰ্তন আৰু সজাগতা সৃষ্টিৰ বাবে পৰম্পৰাগত মাধ্যমক সফলভাৱে ব্যৱহাৰ কৰি অহা হৈছে। বিশিষ্ট লোকমাধ্যম বিশেষজ্ঞ শ্যাম পার্মাৰে এই সন্দৰ্ভত এনেদৰে প্ৰকাশ কৰিছে, "যোগাযোগৰ ক্ষেত্ৰত পৰম্পৰাগত মাধ্যমৰ চিনাক্ত কৰাত ভাৰতৰ ভূমিকা সম্পূৰ্ণ যোগাত্মক।"

এইছ কে ৰংগনাথে লিখিছে যে, লোকগীত আৰু বেলাডবোৰে "ৰাষ্ট্ৰীয় একতা, সমাজ কল্যাণ আৰু পৰিয়াল পৰিকল্পনাৰ সামাজিক অথবা ৰাজনৈতিক বিষয়বোৰৰ গুৰুত্ব গ্ৰামাঞ্চলৰ মানুহৰ মনত সুমুৱাই দিয়াত সফল ভূমিকা পালন কৰি আহিছে।"

বার্তাবাহক হিচাপে লোকমাধ্যম অতি শক্তিশালী। দেখাত সহজ-সৰল লোকমাধ্যম অতি শিথিল। এইটোৱে বিশেষকৈ গ্ৰামাঞ্চলত বার্তা প্ৰচাৰত উপযুক্ত আহিলা হোৱাত সহায় কৰিলে। কেৱল জে কুমাৰে লিখিছে যে, সমগ্ৰ দেশৰ প্ৰেক্ষাপটত চাবলৈ গ'লে লোক আৰু পৰম্পৰাগত মাধ্যম হৈছে একমাত্ৰ গণমাধ্যম যিটো বৃহৎ জনসংখ্যাৰ পৰম্পৰা আৰু অভিজ্ঞতাক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। আধুনিক অন্যান্য গণমাধ্যমৰ তুলনাত পৰম্পৰাগত মাধ্যমৰ প্ৰসাৰ ক্ষেত্ৰও অতি ব্যাপক। নতুন নতুন পদ্ধতিৰে লোকমাধ্যমৰ জৰিয়তে মানুহৰ মানসিক ধাৰণাৰ পৰিৱৰ্তন কৰিব পৰা যায়।

ভাৰতত বিভিন্ন ৰাজ্য চৰকাৰ উন্নয়নমূলক কামত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ কৰে। ১৯৭৭ চনত কেৰালাৰ এটা স্বেচ্ছাসেৱী বেচৰকাৰী সংগঠন কেৰালা শাস্ত্ৰ সাহিত্য পৰিষদ (KSSP)য়ে উন্নয়ন প্ৰক্ৰিয়াত জনসাধাৰণক অংশগ্ৰহণ কৰোৱাৰ লক্ষ্যৰে বার্তা প্ৰেৰণৰ বাবে ছায়েন্স জাথা নামৰ বিজ্ঞান সমদল উলিয়াইছিল। ১৯৮০ চনত জাথাই বিভিন্ন লোককলা ব্যৱহাৰ কৰি শিক্ষা, স্বাস্থ্য, পৰিৱেশ আৰু সামাজিক বৈষম্যৰ দৰে বিষয়বোৰৰ সজাগতা সৃষ্টিৰ পদক্ষেপ লয়। পৰিষদে গ্ৰহণ কৰা এটা উল্লেখনীয় পদক্ষেপ হৈছে ভাৰতৰ একমাত্ৰ বর্ষাৰণ্য ছাইলেণ্ট ভেলীক ৰক্ষাৰ বাবে চলোৱা প্ৰচাৰ। গান, বাটৰ নাট আৰু অন্যান্য লোককলাৰ সংমিশ্ৰণত এনে পদক্ষেপ লৈছিল। পিছলৈ কলা জাথা নামেৰে বিখ্যাত হৈ পৰা জাথাই কেৰালাৰ বাহিৰেও দেশৰ অন্যান্য প্ৰান্তৰ স্থানীয় সংগঠনসমূহৰ বাবে অনুপ্ৰেৰনাৰ উৎস হৈ পৰিল।

জনপ্ৰিয় নাট্যকৰ্মী ৰবি বার্মাৰ বিকাশ লোকমঞ্চই লোকনৃত্য, কোৰাছ আদিৰ জৰিয়তে বস্তিৰ শিশুৰ সহায়ত সমাজৰ প্ৰকৃত স্বৰূপৰ ব্যাখ্যা আগবঢ়াইছিল। মদ্যপান, প্ৰদূষণ, জাতি বৈষম্য, গোষ্ঠীবাদ আদিৰ দৰে বিষয়বোৰ তেওঁ চর্চাৰ কেন্দ্ৰ আছিল। এই দলটোৰ এখন বহু জনপ্ৰিয় বাটৰ নাট হৈছে ভূপাল গেছ ট্ৰেজেডিৰ ওপৰত নির্মিত 'হমে জৱাব চাহিয়ে' (১৯৮৫)। এই নাটকখনে বিশেষকৈ শিশুসকলক বুজাই দিছিল যে, ভূপাল গেছ ট্ৰেজেডি কেৱল এটা মৃত্যুৰ


প্ৰসংগই নহয়, এতিয়াও ই বহুজনৰ জীৱন কাঢ়ি নিছে। ৰাজস্থান প্ৰাপ্তবয়স্ক শিক্ষা সস্থাই (RAEA) দেৱকৃষ্ণপুৰা গাঁৱত এটা সম্প্ৰৰীক্ষা চলাইছিল। নেশ্যনেল স্কুল অব্ ড্ৰামাৰ প্ৰাক্তন ছাত্ৰ ৰবি চতুৰ্বেদীক তেওঁলোকে উপাখ্যানসমূহৰ পৰা নাটকীয় কাহিনী ৰচনাৰে উন্নয়নমূলক বাৰ্তা সৃষ্টিৰ দায়িত্ব দিছিল। গাঁওসমূহত দেখা দিয়া তিনিটা বিষয় অস্পৃশ্যতা, স্বাস্থ্য সমস্যা আৰু আভ্যন্তৰীণ কন্দলক তেওঁ বাছি উলিয়ালে। তেওঁ ৰামায়ণৰ পৰা কেতবোৰ অংশ লৈ নাটকীয় অভিযোজনাৰে গাঁওসমূহৰ সামাজিক সমস্যাবোৰ দেখুৱাই তাক পুনৰ ব্যাখ্যা কৰিলে। গাঁৱৰ যুৱক-যুৱতীৰ দ্বাৰা পৰিৱেশিত এনে নাটকৰ জৰিয়তে বৃহৎ সফলতা লাভ কৰিলে।

লোকমাধ্যমৰ জৰিয়তে সমাজক ইপ্সিত লক্ষ্যত উপনীত কৰি জনসাধাৰণৰ মন জয় কৰা এনে ধৰণৰ বহু উদাহৰণ আছে। ভাৰতৰ স্বাধীনতাৰ সময়ত স্বদেশপ্ৰেমৰ বাৰ্তা প্ৰচাৰত লোকমাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। উৎপল দত্ত নামৰ জনপ্ৰিয় ভাৰতীয় অভিনেতাজনে ওড়িশাত বিভিন্ন সামাজিক বিষয়ত সজাগতা অনাত যাত্ৰা ব্যৱহাৰ কৰিছিল। যাত্ৰা হৈছে বেলাড গাই পৰিৱেশন কৰা এবিধ লোককলা।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ অধীনত সংগীত আৰু নাটক শাখাই উন্নয়নৰ বাৰ্তা প্ৰচাৰত লোকমাধ্যমৰ সফল প্ৰয়োগ কৰি আছে। চিপ্‌কো আন্দোলন, এপিকো আন্দোলন, পশ্চিম ঘাট অভিযান আদিত লোকগীতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এইডছ্, পলিঅ', টিকাকৰণ, শিশু আৰু প্ৰসূতি স্বাস্থ্য আদিৰ ক্ষেত্ৰত সজাগতা অনাৰ বাবে ভাৰত চৰকাৰৰ সংগীত আৰু নাঠক শাখাই বিভিন্ন ধৰণৰ পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ কৰি আহিছে। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ সংবাদ গোট ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয়ে কৃষি উন্নয়ন বাৰ্তা প্ৰচাৰৰ বাবে এনে মাধ্যমৰ ব্যৱহাৰ কৰে। ১৯৭১ চনত ৰাষ্ট্ৰীয়কৃত বেংক, বেংক অব্ ইণ্ডিয়াই ক্ষুদ্ৰ সঞ্চয়ৰ সজাগতা অনাৰ বাবে পুতলা নাচ প্ৰদৰ্শন কৰিছিল। গাঁৱৰ মানুহক ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ প্ৰতি সজাগ কৰাৰ বাবে উত্তৰ প্ৰদেশৰ বিভিন্ন স্থানত পুতলা শিল্পীৰ দল বেংকটোৱে এনে কামত নিয়োগ কৰে। ইণ্ডিয়ান ইনষ্টিটিউট অব্ মাছ কমিউনিকেশ্যনে প্ৰযোজনা কৰা পুতলা নাট এখন ২০০খন গাঁৱত প্ৰদৰ্শন কৰি জনতাৰ মনত সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। এনে ধৰণৰ পদক্ষেপে দুমাহৰ ভিতৰতে বেংকত এনে এলেকাৰ পৰা সঞ্চয়ৰ পৰিমাণ বঢ়াইছিল।

তামিলনাড়ুত একশ্যন ফ'ৰ কালচাৰেল এণ্ড পলিটিকেল চেঞ্জ (ACPC) নামৰ নিম্নজাতিৰ কৃষি কৰ্মীৰ সংগঠনটোৱে সামাজিক পৰিৱৰ্তনৰ বাবে নাটকৰ ব্যৱহাৰ কৰিছিল। সংগঠনটোৰ সদস্যসকলে তাৎক্ষণিক পৰিস্থিতিৰ বিশ্লেষণৰ জৰিয়তে নিজা কাহিনী সৃষ্টিৰ জৰিয়তে ৰং-ৰহণ সানি পৰিৱেশন কৰিছিল।

ভাৰত চৰকাৰৰ খোৱাপানী আৰু অনাময় মন্ত্ৰণালয়ে (MDSW) অসমৰ বিভিন্ন জিলাত সম্পূৰ্ণ অনাময় অভিযানৰ সফল ৰূপায়ণ কৰিছে। তথ্য-শিক্ষা-যোগাযোগৰ ওপৰিও বাটৰ নাট আৰু অন্যান্য লোকমাধ্যম জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে ব্যৱহাৰ কৰা হয়। MDSWৰ প্ৰতিবেদনত প্ৰকাশ পোৱামতে, সম্পূৰ্ণ অনাময় অভিযান অসমত যথেষ্ট সফল হৈছে। গ্ৰামাঞ্চলত পৰিৱেশ সুৰক্ষাৰ হেতু কেঁচা প্ৰসাৱগাৰ আৰু অনাময় শৌচাগাৰ নিৰ্মাণ কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ লোকসংস্কৃতি বুলিলে কি বুজে ?

.....

.....

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণক আঞ্চলিক ভাষাৰ নাটকীয় শিক্ষাৰ লগতে লোকসংগীত নাট্যৰ প্ৰচাৰৰ অৰ্থে ১৯৫৬ চনত আকাশবাণীয়ে ৰাষ্ট্ৰীয় নাট্য কাৰ্যক্ৰম আৰম্ভ কৰিছিল।
- অঞ্চল এটাৰ লোকসংস্কৃতিৰ প্ৰচাৰত বৈদ্যুতিক মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা লয়। সাধাৰণ মানুহৰ মাজত সেইবোৰ জনপ্ৰিয় কৰি তোলাৰ লগতে সময়ৰ সোঁতত হেৰাই যাবলৈ ধৰা মৌখিক সংস্কৃতিবোৰৰ সংৰক্ষণ কৰে।
- পৰম্পৰাগত মাধ্যম কেৱল ৰাজনৈতিক আৰু আৰ্থ-সামাজিক ক্ষেত্ৰতে ব্যৱহাৰ নকৰি সাংস্কৃতিক উন্নয়নতো ব্যৱহাৰ কৰিব লাগে।
- যোগাযোগৰ পদ্ধতি সমাজ এখন সামগ্ৰিক সংস্কৃতিৰ অংশ। ইয়াৰ জৰিয়তে সামাজিক গাঁথনি আৰু অনুষ্ঠান প্ৰতিষ্ঠানবোৰ প্ৰতিফলিত হয়।
- পৰম্পৰাগত মাধ্যম জনসাধাৰণৰ ৰীতি-নীতি, পৰম্পৰা আৰু সামগ্ৰিক জীৱনধাৰণৰ ওপৰত নিৰ্ভৰ কৰাৰ বিপৰীতে তথ্য-প্ৰযুক্তিৰ লগতে সময়ৰ অগ্ৰগতিৰ ভিত্তিত গণমাধ্যম গঢ় লৈ উঠিছে।
- পৰম্পৰাগত লোকমাধ্যম অতি কাৰ্যক্ষম আৰু আন্তঃ ব্যক্তিমূলক উন্নয়ন আৰু বিকাশৰ সামাজিক প্ৰাসংগিক বাৰ্তাবোৰৰ প্ৰচাৰত সিহংতৰ ভিত্তি থাকে।



৪.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Ahmed, Kasim Ali (2012), *Folklore of Assam*, Guwahati : SBH Publishers.
2) Datta, Birendranath (1999), *Folklore Foragings in India's North East*, Guwahati : Anundoram Barooah Institute of Language.
3) Das, Jagesh (2005), *Folklore of Assam*, New Delhi : National Book Trust.



৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫৬।

২নং প্ৰশ্নৰ উত্তৰ ঃ ইলেক্ট্ৰ'নিক মাধ্যমে দৰ্শক-শ্ৰোতাৰ তাৎক্ষণিক সঁহাৰি লাভ নকৰে। যিকোনো পৰিৱৰ্তন সাধন কৰাটো সময় আৰু ব্যয়বহুল হয়। আনহাতে পৰম্পৰাগত মাধ্যম পৰিৱৰ্তনশীল আৰু দৰ্শক-শ্ৰোতাৰ তাৎক্ষণিক সঁহাৰি লাভ কৰে। সেয়ে ইলেক্ট্ৰ'নিক মাধ্যমতকৈ পৰম্পৰাগত মাধ্যমক অধিক নমনীয়া বুলি কোৱা হয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ নহয়, পৰম্পৰাগত লোকমাধ্যমত ইলেক্ট্ৰ'নিক মাধ্যমৰ আগ্ৰাসী প্ৰভাৱ পৰা নাই। প্ৰভাৱ কম হোৱাই নহয়, দৰ্শকক আকৰ্ষিত কৰিবলৈ এতিয়াও কিছুমান আধুনিক চিনেমাৰ গানত লোকনাট্যৰ অংশবিশেষ ব্যৱহাৰ কৰে। তদুপৰি পৰম্পৰাগত বেষভূষাৰো ব্যৱহাৰ কৰিছে। এইটোৱে কেতিয়াবা ৰুক্ষতাও পৰিলক্ষিত হয়। অৱশ্যে জনপ্ৰিয় লোককলা, যেনে— ভিল্লুপাট্টু, বুৰাকমা আদিক ইলেক্ট্ৰ'নিক মাধ্যমত ব্যৱহাৰ কৰিলেও স্বকীয়তা অক্ষুণ্ণ ৰাখিছে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ স্থানীয়, পৰম্পৰা নিৰ্ভৰ মানুহৰ দৈনন্দিন জীৱনধাৰণৰ মাজেৰে প্ৰকাশিত একত্ৰিত ভাৱ-ভংগী তথা আচৰণবোৰকে লোককলা আখ্যা দিয়া হয়। পূৰ্বতে লোকসংস্কৃতিয়ে আন মানুহৰ পৰা নিলগত বাস কৰা একেধৰণৰ মানুহৰ গ্ৰাম্য জীৱনৰ পৰম্পৰাবোৰক লোকসংস্কৃতি হিচাপে গণ্য কৰা হৈছিল।



৪.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ উন্নয়নৰ বাৰ্তা প্ৰচাৰত পৰম্পৰাগত মাধ্যমবোৰ ফলদায়ক হয়নে? উদাহৰণ দিয়া।

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ পৰম্পৰাগত মাধ্যম আৰু গণমাধ্যমৰ যোগাযোগৰ মাজত আপুনি কি প্ৰাৰ্থক্য দেখা পায়?

প্ৰশ্ন ২ ঃ বৈদ্যুতিক মাধ্যমৰ বিকাশে পৰম্পৰাগত মাধ্যমৰ জনপ্ৰিয়তাত প্ৰভাৱ পেলাইছে নেকি? আপোনাৰ উত্তৰৰ সপক্ষে উদাহৰণসহ যুক্তি দৰ্শাওক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ অঞ্চল এটাৰ লোকসংস্কৃতিৰ প্ৰদৰ্শনত বৈদ্যুতিক মাধমে কি ভূমিকা লয়?

প্ৰশ্ন ২ ঃ তথ্যৰ উপযুক্ত আৰু সুদক্ষ প্ৰচাৰৰ হেতু পৰম্পৰাগত মাধ্যমক আধুনিক বৈদ্যুতিক মাধ্যমৰ সৈতে একে লগ কৰিব লাগে বুলি আপুনি ভাবেনে? কিয়?

*** ***** ***

অধ্যায় ৫ ঃ উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত মাধ্যম

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ উন্নয়নমূলক সংযোগ আৰু পৰম্পৰাগত মাধ্যম

৫.৩.১ উন্নয়নমূলক সংযোগ

৫.৩.২ উন্নয়নমূলক সংযোগ হিচাপে পৰম্পৰাগত মাধ্যম

৫.৪ উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত মাধ্যম কিদৰে ব্যৱহাৰ কৰিব পাৰি

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্রগতিৰ খতিয়ান

৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উন্নয়নমূলক সংযোগ আৰু উন্নয়নমূলক মাধ্যমৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- পৰম্পৰাগত লোক মাধ্যম কিদৰে উন্নয়নমূলক মাধ্যম হ'ব পাৰে সেই বিষয়ে আলোচনা কৰিব পাৰিব
- উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰৰ কিছুমান উদাহৰণ দিব পাৰিব।

৫.২ পৰিচয়

পূর্বৰ তিনিটা অধ্যয়ত আমি পৰম্পৰাগত লোক মাধ্যমৰ বিভিন্ন প্রকাৰৰ বিষয়ে আলোচনা কৰিলো। এই অধ্যায়ত উন্নয়নমূলক সংযোগৰ বাবে মাধ্যম হিচাপে পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰৰ সম্ভাৱনীয়তাৰ ওপৰত আলোকপাত কৰিম। প্রথমতে আমি উন্নয়নমূলক সংযোগ বুলিলে কি বুজো আৰু ইয়াৰ প্রাথমিক প্রয়োজনীয়তানো কি তাৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ পাছত আমি পৰম্পৰাগত মাধ্যম হিচাপে লোক মাধ্যম কিদৰে উপযুক্ত হয় তাৰ ওপৰত দৃষ্টিপাত কৰিম।

গতিকে আমি উন্নয়নমূলক সংযোগৰ এক পৰিচয়মূলক আলোচনা কৰো আহঁক।

৫.৩ উন্নয়নমূলক সংযোগ আৰু পৰম্পৰাগত মাধ্যম

৫.৩.১ উন্নয়নমূলক সংযোগ

আমি ইতিমধ্যে উন্নয়নমূলক সংযোগৰ বিষয়ে স্নাতক পাঠ্যক্ৰমৰ প্ৰথম আৰু দ্বিতীয় খণ্ডত আলোচনা কৰিছো। গতিকে আমি আগবঢ়াৰ আগতে পূৰ্বজ্ঞান পুনৰাবৃত্তি কৰি কিছু ওপৰঞ্চি বিষয়বস্তুৰ বিষয়ে জানি লওঁ।

সাধাৰণ অৰ্থত উন্নয়নমূলক যোগাযোগ স্থাপন হ'ল পদ্ধতিগতভাৱে প্ৰক্ৰিয়াটোৰ সক্ৰিয়কৰণ, কলা কৌশল আৰু ধনাত্মকভাৱে সামাজিক পৰিবৰ্তনৰ বাবে প্ৰযোজিত কৰা সংযোগৰ এক মতবাদ। ইয়াক আমি এই বুলিও ক'ব পাৰো যে জনসংযোগৰ উন্নত মানৰ আঁচনিত কৌশলগত যোগাযোগ সংলগ্ন কৰি কেৱল তথ্য প্ৰসাৰ কৰাতকৈ ই প্ৰকৃততে আচৰণৰ পৰিবৰ্তনৰ প্ৰচেষ্টা কৰে।

নোৰা চি ক্যুব্ৰাল নামৰ উন্নয়নমূলক সংযোগ বিভাগৰ এগৰাকী অগ্ৰণী ব্যক্তিয়ে ১৯৭২ চনত উন্নয়নমূলক সংযোগৰ সংজ্ঞা প্ৰথমে নিৰূপণ কৰিছিল। তেওঁ উন্নয়নমূলক যোগাযোগক নিৰূপণ কৰিছিল এনেদৰে — 'মানৱ সংযোগৰ কলা আৰু বিজ্ঞানে এখন সমাজক দৰিদ্ৰ অৱস্থাৰ পৰা গতিশীল সামাজিক অৰ্থনৈতিক উন্নতিৰ পৰিকল্পিত পৰিবৰ্তনৰ সৈতে এনেদৰে সংযোজিত কৰে যাতে ই মহৎ নিৱপেক্ষতা প্ৰদানৰ লগতে সুবৃহৎ ব্যক্তিগত সম্ভাৱনীয়তা উন্মেষিত কৰে।'

আমি যেতিয়া বিকাশৰ কথা কওঁ, তেতিয়া আমি নিশ্চিতভাৱে আচৰণ সম্পৰ্কীয় পৰি ৱৰ্তনৰ ওপৰত বাজি ৰাখোতাৰ দৃষ্টিপাত কৰিব বিচাৰো। আচাৰ ব্যৱহাৰ পৰিৱৰ্তনৰ কাৰণে কেৱল সংবাদ বিস্তৃতকৰণ, শিক্ষা আৰু সজাগতা সৃষ্টিয়েই যথেষ্ট নহয়। মানুহে কিয় এক বিশেষ ধৰণে আচৰণ কৰে তাৰ অন্তৰালত থকা কাৰণবোৰৰ লগতে জনসাধাৰণে পৰিৱৰ্তন অথবা নতুন অভ্যাস গ্ৰহণৰ ক্ষেত্ৰত কি কি প্ৰতিৰোধক দেখা দিয়ে সেয়া বোধগম্য কৰিহে আচৰণ পৰিৱৰ্তন কৰিব পাৰি। কৌশলগত সংযোগক কেৱল সজাগতা সৃষ্টিৰ বাবে ব্যৱহাৰ নকৰি প্ৰকৃতভাৱে গতিশীলতাৰ বাবে এক শক্তিশালী আহিলা হিচাপে ব্যৱহাৰ কৰিলে ই সম্ভৱ হ'ব।

গতিকে সাধাৰণ অৰ্থত আমি সংযোগ বুলিলে যি বুজো উন্নয়নমূলক সংযোগে তাৰ সীমা অতিক্ৰম কৰি গৈছে, কিন্তু বোধগম্য আৰু তুলনামূলক পৰিৱৰ্তনৰ ফলাফল দেখুওৱাত গুৰুত্ব আৰোপ কৰিছো। যোগাযোগৰ যিকোনো আঁচনি একেবাৰে আধৰুৱা হৈ ৰ'ব আৰু সফলভাৱে স্থাপিত হোৱাৰ সম্ভাৱনা অতি ক্ষীণ হৈ পৰে যদি ই সংশ্লিষ্ট জনসাধাৰণৰ সৈতে পৰ্যাপ্ত সংযোগ স্থাপন কৰিব নোৱাৰে।

৫.৩.২ উন্নয়নমূলক সংযোগ হিচাপে পৰম্পৰাগত মাধ্যম

প্ৰচলিত ৰীতি মতে বিভিন্ন মাধ্যম উন্নয়নমূলক সংযোগৰ কাৰণে ব্যৱহাৰ কৰা হয়। বাতৰি কাকত, আকাশবাণী, দূৰদৰ্শন সামগ্ৰিকভাৱে অথবা বিকল্প হিচাপে উন্নয়নমূলক যোগাযোগৰ বাৰ্তাসমূহৰ কাৰণে ব্যৱহৃত হৈ আহিছে। সেইবাবে ইয়াৰ ওপৰত বিতৰ্কৰ সৃষ্টি হৈছে যে এই আধুনিক গণ মাধ্যম প্ৰকৃততে ফলদায়ক উন্নয়নশীল মাধ্যম হিচাপে কাৰ্যকৰণত সমৰ্থ হৈছে নে নাই। উন্নয়নমূলক গৱেষকসকলে যুক্তি দৰ্শাইছে যে গণ মাধ্যমে প্ৰায়েই আকাংক্ষিত কাৰ্যকৰণত বিফল হয় বিভিন্ন কাৰণত, যেনে — বিদ্যুতৰ অভাৱ, অত্যাধিক ব্যয়, অধিক ভাৱে কা�ৰিকৰী হোৱাৰ বাবে, যাতায়তৰ দূৰৱস্থা, ইত্যাদি। আকৌ যেতিয়া আমি উন্নয়নমূলক যোগাযোগৰ বিষয়ে কওঁ আমি নিশ্চিত ৰূপত অনুন্নত ঠাই আৰু মানুহক লক্ষ্য হিচাপে লওঁ।


সেয়েহে এটা প্ৰশ্ন সদায় উদয় হয় যে এই অনগ্ৰসৰ মানুহখিনি সচাঁকৈ এই ধৰণৰ গণ মাধ্যমত অন্তৰ্ভুক্ত হ'ব পাৰিবনে আৰু তেওঁলোকে এই মাধ্যমক হৃদয়ংগম কৰিব পাৰিবনে। তদুপৰি এই মাধ্যমসমূহ প্ৰায়েই সুদুৰ বিদেশৰ অথবা নৈব্যক্তিক হোৱাৰ লগতে আচৰণৰ পৰিৱৰ্তন অনাত সমস্যা সৃষ্টি কৰে বুলি প্ৰায়েই উল্লেখ কৰা হয়। ইয়াৰ ফলত অভিপ্ৰেত বাৰ্তাসমূহৰ লোকচান হয়। এই ধৰণে উন্নয়নমূলক গৱেষকসকলৰ লগতে ব্যৱসায়ীসকলেও এক বিকল্প সংযোগী আহিলাৰ ব্যৱহাৰৰ সম্ভাৱনীয়তাৰ উন্মেষক হিচাপে দেখিবলৈ পাইছে। বহুৰ জুৰি চলি অহা পৰম্পৰাগত লোক মাধ্যমক এই ৰিক্ত স্থান পূৰণত কাৰ্যকাৰক হিচাপে বিবেচনা কৰা হয়।

সংযোগৰ ওপৰত গ্ৰামীন ভাৰতৰ উন্নতি প্ৰভূত পৰিমাণে নিৰ্ভৰ কৰে যাক আমি জনসাধাৰণৰ মাজত সৰবৰাহ কৰো। সেই কাৰণে লোক কলাতকৈ অন্য একোৱে কাৰ্যকৰী আৰু স্বতঃস্ফৰ্ত হ'ব পাৰে কিয়নো পৰম্পৰাগত লোক মাধ্যমত গ্ৰহণযোগ্য জতুৰা ঠাঁচৰ উপাদান, কাৰ্যকৰী বিশেষত্ব আৰু মনোৰঞ্জনৰ উপাদান স্বাভাৱিকভাৱে উপলব্ধ। সেয়েহে এনে ধৰণৰ মাধ্যম গ্ৰামীন সমাজত প্ৰয়োগ কৰি অসাধাৰণভাৱে প্ৰভাৱান্বিত কৰা দেখা যায়। ভাৰতবৰ্ষৰ দৰে এখন দেশত য'ত এই মুহূৰ্তলৈকে বহুত লোকৰ বিদ্যুতৰ সুবিধা নাই, দাৰিদ্ৰ্যৰ সীমাৰেখাৰ তলত বহু সংখ্যক লোক বাস কৰে , য'ত শিক্ষিত হাৰ বৰ্তমানলৈ এক গুৰুতৰ সমস্যা হৈ আছে তাত গণ মাধ্যমে প্ৰায়েই নিষ্ফল আস্ফালন কৰি আছে আৰু এইবোৰ অসাৰ্থক হৈ পৰিছে। ইয়াৰ বাহিৰেও ভাৰতবৰ্ষৰ গ্ৰাম্যাঞ্চত বাস কৰা প্ৰায় আশী শতাংশ জনসাধাৰণক গণ মাধ্যমে ঢুকি পাবলৈ অসমৰ্থ হোৱাত সমস্যাৰ সন্মুখীন হৈছে। তদুপৰি তেওঁলোকৰ কাৰণে গণ মাধ্যম হ'ল খুবেই জাকজমকীয়া, নৈৰ্ব্যক্তিক আৰু অবিশ্বাসী। তথাপি গণ মাধ্যমে ঢুকি নোপোৱা ক্ষেত্ৰকো পৰম্পৰাগত লোক মাধমে সামৰি লয়। বিকাশমূলক সংযোগৰ বাবে লোক মাধ্যমৰ প্ৰভাৱশালীতাৰ কথা বহু গৱেষকৰ দ্বাৰা প্ৰতিষ্ঠিত হৈছে, কিয়নো

পৰম্পৰাগত লোক মাধ্যমৰ ব্যৱহাৰ প্ৰাথমিকভাৱে ব্যৱহৃত হৈছিল, এইবোৰে স্বাভাৱিকভাৱে আচৰণ পৰিৱৰ্তন কৰাৰ বাবে উপযুক্ত যি যোগাযোগৰ এক প্ৰয়োজনীয় বৈশিষ্ট্য।

মেকব্ৰাইড কমিছন নামৰ আন্তঃৰাষ্ট্ৰীয় কমিছনটোৰ অনুমোদন ক্ৰমে যোগাযোগ সমস্যাৰ অধ্যয়নৰ বাবে UNESCOৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছিল। তেওঁলোকে উল্লেখ কৰিছিল — 'যদিও আধুনিক মাধ্যমে আওহতীয়া অঞ্চলসমূহত প্ৰৱেশ কৰে, তথাপিও প্ৰাচীন পৰম্পৰাসমূহেই ইয়াৰ বৈধতা বজাই ৰাখে, বিশেষভাৱে যেতিয়া দৃষ্টিভংগীক প্ৰভাৱান্বিত কৰিবলৈ ব্যৱহৃত হয়, কাৰ্যত উচতনি দিয়া হয় আৰু পৰিৱৰ্তনক প্ৰোৎসাহিত কৰা হয়। জনসাধাৰণে স্বাভাৱিকতে পৰম্পৰাৰ এক অংশ বুলি বিশ্বাস কৰি অহা অন্ধবিশ্বাস, আওপুৰণি উপলব্ধি আৰু অবৈজ্ঞানিক চূড়ান্ত ধাৰণা যিবোৰ আংশিক পৰিৱৰ্তনৰ লাভালাভ প্ৰদৰ্শন কৰিবলৈ খুবেই কঠিন —এইবোৰ দূৰীকৰণত যোগাযোগৰ পৰম্পৰাগতৰূপে প্ৰভাৱশালী ভূমিকা পালন কৰে। পৰম্পৰাগত লোক মাধ্যমৰ অনুশীলনকাৰীয়ে প্ৰৰোচনাৰ ৰূপত প্ৰয়োজনীয় বাৰ্তা স্থানীয় জনপ্ৰিয় শৈল্পিক ৰূপেৰে উপস্থাপন কৰে। ই অন্য যোগাযোগৰ মাধ্যমৰ সৈতে ফেৰ মাৰিব নোৱাৰে।

ওপজা মাটিত শিয়াই থকা আৰু জনসাধাৰণৰ সুবাসেৰে অৱগহিত পৰম্পৰাগত মাধ্যম মানুহৰ অতি ব্যক্তিগত, আন্তৰিক পৰ্যায়ৰ। ইয়ে এক উচ্চমানৰ বন্ধুত্বসূলভ সম্পৰ্কৰ সৃষ্টি কৰে আৰু সেই বাবে ই গ্ৰহণযোগ্য। জনসাধাৰণে প্ৰকৃততে এই মাধ্যমৰ দ্বাৰা নিজৰ পৰিচয় পাবলৈ সক্ষম হয় আৰু সেয়ে বিষয়বস্তুৰ গ্ৰহণযোগ্যতা আৰু বোধগম্যতা বৃদ্ধি হৈছে। বিভিন্ন লোক মাধ্যম বিভিন্ন অঞ্চলত আৱশ্যকতা পূৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি। প্ৰতিখন গাঁৱৰ নিজস্ব সংগীত, নৃত্য অথবা নাট আছে। এই পৰম্পৰাগত মাধ্যমবোৰ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াত আৰু দেশৰ উন্নতিত মানুহৰ কায চাপিবলৈ ব্যৱহাৰ কৰিব পাৰি। পৰম্পৰাগত লোক মাধ্যমক প্ৰৰোচনাৰ ৰূপত প্ৰয়োজনীয় বাৰ্তা স্থানীয় শৈল্পিক ৰূপেৰে উপস্থাপন কৰা হয়। ই অন্য যোগাযোগৰ মাধ্যমৰ সৈতে সমান নহয়। ইয়াৰ বাহিৰে ইয়াৰ নমনীয়তাৰ সুবিধা আছে। বিভিন্ন উন্নত বাৰ্তাসমূহৰ ৰূপ সলনি নকৰাকৈ চামিলকৰণৰ বাবে উপযুক্তভাৱে সূচীসমূহৰ পৰিৱৰ্তন কৰিব পাৰি। ইয়াৰ দ্বাৰা ই অসাধাৰণ উন্নয়নমূলক মাধ্যম সৃষ্টি কৰে। যদি আমি উন্নয়নমূলক বাৰ্তাসমূহক গ্ৰামীন জনসাধাৰণৰ মাজলৈ লৈ যাব বিচাৰো তেনেহ'লে আমি এই দেশৰ লোক কলাৰ ৰূপসমূহ পৰিকল্পনা অনুসৰি প্ৰয়োগ কৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উন্নয়নমূলক সংযোগ বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ২ ঃ ..... নামৰ উন্নয়নমূলক সংযোগ বিভাগৰ এগৰাকী অগ্ৰণী ব্যক্তিয়ে ১৯৭২ চনত বিকাশমূলক সংযোগৰ সংজ্ঞা প্ৰথমে নিৰূপণ কৰিছিল।

প্ৰশ্ন নং ৩ ঃ উন্নয়নমূলক সংযোগৰ বাবে বিশ্বাসযোগ্যভাৱে কোনবিধ মাধ্যমক ব্যৱহাৰ কৰা হয়?

.....

প্ৰশ্ন নং ৪ ঃ উন্নত মাধ্যম হিচাপে গণ মাধ্যমক পৰম্পৰাগত মাধ্যমে কিদৰে চেৰ পেলাইছে?

.....

৫.৪ উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত মাধ্যম কিদৰে ব্যৱহাৰ কৰিব পাৰি

আমাৰ দেশত উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰৰ উদাহৰণ অলেখ যদিও অন্য সাধাৰণ মাধ্যম বিশেষকৈ বাতৰি কাকত, অনাতাঁৰ অথবা দূৰদৰ্শনৰ দৰে স্থিৰ আৰু নিয়মীয়া নহয়।

যি কি নহওঁক তৃতীয় বিশ্বৰ উন্নয়নশীল পৰিকল্পনাকাৰীয়ে এতিয়া বুজি পাইছে আৰু প্ৰশংসা কৰিছে যে উন্নয়নমূলক আঁচনিত লোক মাধ্যমক যোগাযোগ প্ৰক্ৰিয়াত অতি আৱশ্যকীয়ভাৱে ব্যৱহাৰ কৰা হয়। এইটো সম্ভৱ হ'ব পাৰে কাৰণ গণ মাধ্যমৰ অপৰ্যাপ্ত নিৰীক্ষণে লক্ষ্য গোটক ঢুকি নাপায়। তেওঁলোকে এতিয়া গণ মাধ্যমৰ সৈতে পৰম্পৰাগত লোক মাধ্যমক একীকৰণৰ সম্ভাৱনীয়তাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিছে। UNESCO এই ক্ষেত্ৰত এক উদাহৰণ। আকৌ UNEP (সংযুক্ত ৰাষ্ট্ৰীয় পৰিবেশমূলক কাৰ্যসূচী) য়েও সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে লোক মাধ্যমৰ সম্ভাৱনীয়তাক গতিশীলতা প্ৰদান কৰি পৰিবেশমূলক যোগাযোগকৰণত আৰু পৰিবেশ মাধ্যমৰ বিস্তৃতকৰণৰ প্ৰচেষ্টা চলাইছে। ইয়াত সমস্যাটো হ'ল পৰম্পৰাগত লোক মাধ্যম বৰ্তমানেও গণ মাধ্যমৰ পৰিপূৰক। ভাৰতবৰ্ষত গণ মাধ্যম বৰ্তমানেও চহৰীয়া জনসাধাৰণৰ মাজতহে সীমাবদ্ধ, যি ক্ষেত্ৰত আশী শতাংশ দেশৰ মানুহ গাৱঁত বাস কৰে। এই আশী শতাংশত বহু উন্নয়নমূলক কাৰ্যসূচী পৰিচালিত হয়। আমি এই তথ্যবোৰ যদি চালি জাৰি চাওঁ তেতিয়া আমি দেখিবলৈ পাওঁ যে আমাৰ এই জনসাধাৰণৰ সৈতে সংযোগৰ যি উদ্দেশ্য ই নিজেই যথেষ্ট ত্ৰুটিপূৰ্ণ। গণ মাধ্যমৰ যোগেদি বাৰ্তা সৰবৰাহৰ কাৰণে যি বৃহৎ পৰিমাণৰ অৰ্থ খৰছ কৰা হয় ই প্ৰকৃততে অপচয় হৈ আছে।

আমাৰ দেশত বহু ধৰণৰ লোক কলাৰ ৰূপ আছে যিবোৰ আজিও প্ৰাণৱন্ত। এই সকলোবোৰৰেই সযতন অনুসন্ধান, অধ্যয়ন আৰু তথ্য লিপিবদ্ধকৰণৰ প্ৰয়োজন। ৰূপ বিষয়ৰ সযতন অধ্যয়নৰ প্ৰয়োজন আৰু লোক কলাৰ ৰূপবোৰৰ জৰিয়তে সামাজিক জীৱন আঁচনি, ধৰ্ম নিৰপেক্ষতাৰ মূল তত্ত্বৰ আৰু বিশ্বমুখী মূল্যবোধৰ কাৰ্যক্ৰমণিকা প্ৰতিফলিত কৰিবলৈ প্ৰচেষ্টা চলোৱা উচিত। বৰ্তমান সময়ত আমি পৰম্পৰাগত লোক মাধ্যমক কেৱল গণ মাধ্যমৰ উপৰুৱা বিষয় হিচাপে স্বতন্ত্ৰভাৱে প্ৰতিষ্ঠা কৰিবলৈহে চেষ্টা কৰিব লাগে।

১৯৭৪ চনত নতুন দিল্লীত UNESCO ৰ এক আলোচনা চক্রত উন্নত কার্যসূচীৰ বর্দ্ধিতকৰণৰ কাৰণে পৰম্পৰাগত লোক মাধ্যম কেনেকৈ ব্যৱহাৰ কৰিব পাৰি তাৰ ওপৰত কিছু সংখ্যক সহায়কাৰী মতবাদ উদ্ভাৱন কৰা হৈছিল। এই মতবাদসমূহৰ লগত আমি পৰিচিত হওঁ আঁহক। (উৎসঃ বিষয়ৰ শীর্ষক 'বিকাশৰ বাবে লোক কলা আৰু পৰম্পৰাগত মাধ্যম ব্যৱহাৰ কৰো আহঁক — দূর্গাদাস মুখোপাধ্যায়, ড্রাম বীট, ৭ মে, ২০০৭)

- গ্রাম্য উন্নতিৰ বাবে যিকোনো সংযোগ কার্যসূচীত লোক মাধ্যম এক অবিচ্ছেদ্য অংগ হোৱা উচিত। য'তেই সম্ভৱ এইবোৰ গণ মাধ্যমৰ সৈতে একীকৰণ কৰা উচিত যিহেতু, সকলো ক্ষেত্রত একীকৰণ কৰি থকা বর্দ্ধিত কার্যৰ সৈতে ইয়াৰ প্রাণশক্তি জড়িত।
- লোক মাধ্যম ব্যৱহাৰৰ প্রাক্ আৱশ্যকতাসমূহ হ'ল — ক) গ্রাম্য দর্শকক বুজি পোৱা, খ) গ্রাম্য দর্শকক এই মাধ্যম ব্যৱহাৰৰ জৰিয়তে পুনঃ সৃজনৰ সুবিধা প্রদান, তেওঁলোকৰ মনোযোগ আকর্ষণ কৰা আৰু উন্নয়নমূলক কার্যসূচীত অংশগ্রহণৰ কাৰণে তেওঁলোকক নিশ্চয়তা প্রদান কৰা।
- কেৱল সামাজিক আৰু অর্থনৈতিক উন্নতিৰ কাৰণেই যোগাযোগ অনুষ্ঠানত লোক মাধ্যমৰ ব্যৱহাৰ হোৱা উচিত নহয়, ই সাংস্কৃতিক উন্নয়নৰ কাৰণেও হোৱা উচিত।
- লোক কলাই এনেদৰে সামাজিক প্রামাণিকতাক ধৰি ৰখা উচিত যাতে লোক কলা ক্রমান্বয়ে বিকশিত হয় আৰু য'তেই ই নমনীয় হয় তাতেই ইয়াৰ আবেদন গ্রাম্য সমাজৰ কাৰণে ধৰি ৰাখে।
- সকলো লোক কলাই উন্নয়নমূলক অথবা পৰিবেশ সংযোগৰ উদ্দেশ্যত ব্যৱহাৰ কৰা নহয়। ইয়াক দৃষ্টিভংগীৰ ফালৰ পৰা বিষয়সূচী আৰু বৈশিষ্ট্যসমূহ উন্নয়ন বা পৰিবেশমূলক বার্তা কঢ়িয়াব পৰাকৈ সম্ভৱপৰ তর্জমাকৰণ কৰি সাৱধানে অধ্যয়ন কৰা উচিত।
- লোক মাধ্যমৰ প্রয়োজনসমূহ সামাজিক পৰিবেশৰ প্রয়োজনীয়তাৰ সৈতে আৰু স্থানীয় জনগোষ্ঠীৰ বিশ্বাস আৰু ৰীতি-নীতিৰ সৈতে কিছু পৰিমাণৰ সম্পর্ক অন্তর্নিহিত হৈ থকা উচিত।
- লোক মাধ্যমৰ সমাজ বিজ্ঞানৰ ঘাই শিপা, ইয়াৰ উপযোগিতা স্থানীয় সংযোগ কৌশলক সঠিক ৰূপত হস্তান্তৰকৰণৰ কৰা উচিত।
- সকলো ধৰণৰ লোক কলাৰ মূলতত্ত্ব সংৰক্ষিত কৰাৰ প্রচেষ্টা কৰা উচিত, তর্জমাকৰণত কলা বদলি অথবা ধ্বংসাত্মক ৰূপ পৰিহাৰ কৰা উচিত।
- জনগোষ্ঠীয় স্তৰ সংযোগ কৌশল প্রভাৱশালী কৰিবৰ বাবে লোক আৰু গণ মাধ্যমৰ দুয়োটাৰে এককীকৰণ আৰু পৰিকল্পনাৰ প্রয়োজন — সর্বোৎকৃষ্ট প্রভাৱ আৰু আকাংক্ষিত Feed back লাভ কৰিবলৈ।
- উন্নয়নমূলক কার্যৰ বাবে লোক মাধ্যম আৰু গণ মাধ্যমৰ সফল এককীকৰণত লোক শিল্পী আৰু মাধ্যম প্রযোজকৰ মাজত সহযোগিতা একান্ত বাঞ্ছনীয়।



জানি থোৱা ভাল

বিকাশমূলক সংযোগত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ — কেইটামান উদাহৰণ।

১৯৭২ ঃ আন্তঃৰাষ্ট্ৰীয় পৰিকল্পিত জনকত্ব সংঘ আৰু UNESCO য়ে লণ্ডনত পৰিয়াল যোগাযোগ অনুষ্ঠানত লোক মাধ্যম আৰু গণ মাধ্যমৰ এককীকৰণৰ ওপৰত এলানি আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিল।

১৯৮০ ঃ খাদ্য আৰু কৃষিজাত সংস্থাৰ (FAO) উন্নয়নমূলক সংযোগ গোটে পৰম্পৰাগত আৰু জনপ্ৰিয় মাধ্যমৰ ব্যৱহাৰৰ পথ উন্মেষ কৰিছিল।

'পৰম্পৰাগত আৰু জনপ্ৰিয় মাধ্যমক প্ৰযোজিত কৰিবলৈ এক অংশীদাৰী কাৰ্যপ্ৰণালী' নামৰ আচঁনি এখন আয়োগে সংকলিত কৰিছিল — যাৰ ভিত্তি হ'ল আফ্ৰিকাৰ জনসংখ্যা সংযোগৰ অভিজ্ঞতা।

'উন্নত সহযোগী সংযোগ (DSC) কাৰ্যপ্ৰণালীৰ জনসংখ্যা বিষয়ত প্ৰয়োগ' শীৰ্ষকেৰে বিষয় অধ্যয়ন এগ্‌নেচ কবিন্যা, ড° চুলতানা আলম আৰু আনামাৰিয়া দেককৰ দ্বাৰা বিস্তৃত অধ্যয়ন মালাৰীত অনুষ্ঠিত হৈছিল। এই দুয়োটা আঁচনিয়ে উন্নয়নমূলক সংযোগৰ বাবে স্থানীয় লোক মাধ্যম পৰিবেশনকাৰীৰ প্ৰতিভাক গতিশীলতা প্ৰদানৰ প্ৰতি আকৃষ্ট কৰিছে।

জাতীয় আন্দোলনৰ সময়ত

- আল্‌হা, উত্তৰ প্ৰদেশৰ জনপ্ৰিয় বেলাড, মহাৰাষ্ট্ৰৰ লাৱণী, কৰ্ণাটকৰ গি গি, তামিলনাডুৰ ভিল্লুপাট্টু আৰু বংগৰ কবিগান আদি ঔপনিবেশিক নিয়মৰ বিৰুদ্ধে জনসাধাৰণৰ বিবেকক জগাই তুলিবলৈ প্ৰভাৱশালী ভূমিকা পালন কৰিছিল।
- মহাত্মা গান্ধীয়ে পৰম্পৰাগত লোক মাধ্যমক তেওঁৰ সামাজিক আৰু ৰাজনৈতিক প্ৰথাৰ অভিযানবোৰত ব্যৱহাৰ কৰিছিল।
- প্ৰখ্যাত তামিল কবি সুব্ৰমান্য ভাৰতীয়ে দেশপ্ৰেম জগাই তুলিবলৈ লোক সংগীত ব্যৱহাৰ কৰিছিল।
- পূৰ্বৰ পৰাই জনপ্ৰিয় হোৱা বংগৰ পৰম্পৰাগত নাটে ১৯০০ চনত ঔপনিবেশিক বিৰোধী জাতীয় আন্দোলনৰ বাবে এক প্ৰতীক হৈ পৰিছিল।
- পৰম্পৰাগতভাৱে ইতিহাস আৰু পূৰাণৰ মূলতত্ত্বৰ সৈতে সম্পৰ্কিত যাত্ৰাই ১৯২০ চনত স্বদেশী অথবা জাতীয়তাবাদী যাত্ৰালৈ ৰূপান্তৰিত হৈ এক নতুন ৰূপ গ্ৰহণ কৰিছিল। মুকুন্দ দাসৰ দ্বাৰা ৰচিত এই যাত্ৰাত ঔপনিবেশিক অন্যায়, জাতিগত নিৰ্যাতন আৰু সামন্তবাদী শোষণ আদি বিষয়বস্তু সন্নিৱিষ্টে আছিল।
- ১৯৪০ চনত টেভাগা আৰু টেলেংগানাৰ কৃষি ভূমি বিপ্লৱৰ সময়ত জনপ্ৰিয় লোক সংগীত আৰু নাটৰ দ্বাৰা শোষণকাৰীৰ বিৰুদ্ধে জনসাধাৰণক জাগ্ৰত কৰিবৰ বাবে জনমত গঠন কৰা হৈছিল।

- ১৯৪০ চনত ভাৰতীয় গণ নাট্য সংঘই (IPTA) বংগৰ যাত্ৰা, গুজৰাটৰ ভাৱাই, মহাৰাষ্ট্ৰৰ তমাছা আৰু অন্ধ্ৰপ্ৰদেশৰ বুব্‌ৰাকথা আদি নানা ৰূপ ৰাজনৈতিক শিক্ষা আৰু সামাজিক সজাগতা সৃষ্টিৰ বাবে ব্যৱহাৰ কৰিছিল। ১৯৪০ চনত হোৱা বংগৰ দুৰ্ভিক্ষৰ সময়ত ৫ নিযুত মানুহৰ মৃত্যু হৈছিল, ই এই সময়ত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতীয় গণ নাট্য সংঘৰ পৰিবশেনকাৰীয়ে এখন নাটক কৰি দেশ ভ্ৰমিছিল আৰু এই নাটখনৰ যোগেদি ক'লা বেপাৰী আৰু মজুতকাৰীক চৰিত্ৰ উদঙাই দিছিল। ইয়ে দুই লাখতকৈ অধিক টকা সংগ্ৰহত সফল হৈছিল আৰু খাদ্য ৰাহিৰ বাবে অভিযান চলাইছিল।
- ১৯৭৭ চনত কেৰেলা শাস্ত্ৰ সাহিত্য পৰিষদে বিজ্ঞান যাত্ৰাৰ আয়োজন কৰিছিল। ই হ'ল উন্নয়নমূলক প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণৰ বাৰ্তা প্ৰচাৰৰ বাবে কৰা বিজ্ঞানৰ শোভাযাত্ৰা। ১৯৮০ চনৰ পৰা যাত্ৰাই প্ৰধানকৈ শিক্ষা, স্বাস্থ্য, পৰিবেশ আৰু সামাজিক বৈষম্যৰ বিষয়ে জ্ঞান দিবলৈ লোক কলাৰ বিভিন্ন ৰূপ ব্যৱহাৰ কৰিছিল। নাটকবোৰ সংগীত, বাটৰ নাট আৰু লোক কলাৰ বিভিন্ন উপাদানেৰে সংমিশ্ৰিত।

১৯৮০ ঃ

- বিকাশ লোক মঞ্চৰ ৰবি ৰাৰ্মাই বস্তিৰ শিশু আৰু অঘৰী শিশুৰ সহায়ত কিছুমান বিষয় যেনে, মাদক দ্ৰব্য, পৰিবেশ প্ৰদূষণ, ধৰ্ম, জাতি আৰু শ্ৰেণীৰ বৈষম্য, সাম্প্ৰদায়িকতাৰ দৰে বিষয়ৰ বাবে লোক নৃত্য, সমবেত সংগীত আদি ব্যৱহাৰ কৰিছিল। বাটৰ নাট্য দলবোৰৰ ভিতৰত এটি উল্লেখযোগ্য দল হ'ল হমে জৱাব চাহিয়ে (১৯৮৫) যি ভূপাল গেছ ট্ৰেজেদিৰ ওপৰত কেন্দ্ৰিত।
- চিপকো আৰু আপিকো আন্দোলনৰ সময়ত আঞ্চলিক লোক সংগীতৰ গায়কে লোক সুৰত সংগীত ৰচনা কৰিছিল আৰু ইয়াক বাটে পথে গাই ফুৰিছিল।
- ১৯৮৫ চনত দক্ষিণ ভাৰতত সেৱা সংঘৰ নেতৃত্বত ওলোৱা 'পশ্চিম ঘাট বচাওঁক' অভিযানত পৰিবেশবিদসকলে লোক কলা ব্যৱহাৰ কৰিছিল।
- ৰাজস্থান প্ৰৌঢ় শিক্ষা সংগঠনে গাওঁত এক পৰীক্ষা পৰিচালনা কৰিছিল, য'ত তেওঁলোকৰ দ্বাৰা প্ৰযোজিত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ৰবি চতুৰ্বেদীয়ে মহাকাব্যৰ কাহিনীৰ ওপৰত ভিত্তি কৰি নাট্যবোৰ ব্যৱহাৰ কৰি বিকাশমূলক বাৰ্তা প্ৰণালীবদ্ধ কৰিছিল।
- চতুৰ্বেদীয়ে জয়পুৰ জিলাৰ গৰুদাৱসী গাওঁত বানপানীৰ ধ্বংসলীলাৰ ওপৰত এক সম্পৰীক্ষা কৰিছিল। তাত চতুৰ্বেদীয়ে গাওঁৰ জনসাধাৰণৰ পুনঃসংস্থাপনৰ পণ্য হিচাপে লোক নাট্যৰ ওপৰত এখন কৰ্মশালা অনুষ্ঠিত কৰিছিল। কৰ্মশালাত বানপানীৰ কিছুমান বৈজ্ঞানিক কাৰণ দৰ্শোৱা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ..... সক্রিয় অংশগ্রহণৰ জৰিয়তে লোক মাধ্যম ব্যৱহাৰ কৰি পৰিবেশমূলক সংযোগ বিস্তৃতকৰণ কৰিছে।

প্রশ্ন নং ৬ ঃ ১৯৭৪ চনত দিল্লীত অনুষ্ঠিত UNESCO ৰ আলোচনাই লোক মাধ্যম ব্যৱহাৰৰ কি কি আৱশ্যকতাত অনুমোদন জনাইছিল?

.....

প্রশ্ন নং ৭ ঃ ..... ৰচিত ১৯২০ চনৰ পৰম্পৰাগত যাত্রাই স্বদেশী বা জাতীয়তাবাদী যাত্রা ৰূপে এক নতুন ৰূপলৈ পৰিৱর্তিত হৈছিল।

প্রশ্ন নং ৮ ঃ ..... ই বংগৰ যাত্রা, গুজৰাটৰ ভাৱাই, মহাৰাষ্ট্রৰ তমসা আৰু অন্ধ্রপ্রদেশৰ বুৰকাঠা আদি নানা ৰূপ ৰাজনৈতিক শিক্ষা আৰু সামাজিক সজাগতা সৃষ্টিৰ বাবে ব্যৱহাৰ কৰিছিল।



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উন্নয়নমূলক সংযোগ হ'ল পদ্ধতিগতভাৱে প্রক্রিয়াটোৰ সক্রিয়কৰণ, কলা-কৌশল আৰু ধনাত্মকভাৱে সামাজিক পৰিৱর্তনৰ বাবে প্রযোজিত মতবাদ।
- নোৰা চি ক্যুব্রাল নামৰ উন্নয়নমূলক সংযোগ বিভাগৰ এগৰাকী অগ্রণী ব্যক্তিয়ে ১৯৭২ চনত বিকাশমূলক সংযোগৰ সংজ্ঞা পোন প্রথমে নিৰূপণ কৰিছিল।
- ক্যুব্রালে উন্নয়নমূলক সংযোগক নিৰূপণ কৰিছিল এনেদৰে — 'মানৱ সংযোগৰ কলা আৰু জ্ঞান, যি এখন সমাজক দাৰিদ্র অৱস্থাৰ পৰা গতিশীল সামাজিক অর্থনৈতিক উন্নতিৰ পৰিকল্পিত পৰিৱর্তনৰ সৈতে সংযোজিত কৰে যাতে ই মহৎ নিৰপেক্ষতা প্রদানৰ লগতে সুবৃহৎ ব্যক্তিগত সম্ভাৱনীয়তাক উন্মেষিত কৰে।'
- আমি যেতিয়া বিকাশৰ কথা কওঁ আমি নিশ্চিতভাৱে আচৰণ সম্পর্কীয় পৰিৱর্তনৰ ওপৰত বাজি ৰাখোতাৰ দৃষ্টিপাত কৰিব বিচাৰো। আচাৰ-ব্যৱহাৰ পৰিৱর্তনৰ কাৰণে কেৱল সংবাদ বিস্তৃতকৰণ, শিক্ষা আৰু সজাগতা সৃষ্টিয়েই যথেষ্ট নহয়।
- প্রচলিত ৰীতি মতে বিভিন্ন মাধ্যম উন্নয়নশীল সংযোগৰ কাৰণে ব্যৱহাৰ কৰা হয়। বাতৰি কাকত, আকাশবাণী, দূৰদর্শন সামগ্রিকভাৱে অথবা বিকল্প ধৰণে উন্নয়নশীল যোগাযোগৰ বার্তাসমূহৰ বাবে ব্যৱহৃত হৈ আহিছে।
- সেইবাবে ইয়াৰ ওপৰত বিতর্কৰো সৃষ্টি হৈছে যে এই আধুনিক গণ মাধ্যম প্রকৃততে ফলদায়ক উন্নয়নশীল মাধ্যম হিচাপে কার্যকৰণত সমর্থ হৈছে নে নাই।
- পৰম্পৰাগত লোক মাধ্যমত গ্রহণযোগ্য জতুৰা ঠাঁচৰ উপাদান কার্যকৰী বিশেষত্ব আৰু মনোৰঞ্জনৰ উপাদান স্বাভাৱিকভাৱে উপলব্ধ, এনে ধৰণৰ মাধ্যম উন্নয়নমূলক সংযোগৰ বাবে বেছি উপযুক্ত।

- ওপজা মাটিত শিপাই থকা আৰু জনসাধাৰণৰ সুবাসেৰে অৱগাহিত পৰম্পৰাগত মাধ্যম হৃদয় আৰু মনৰ নিচেই ওচৰ চপা। গতিকে ইয়াৰ আবেদন অতি ব্যক্তিগত, আন্তৰিক পর্যায়ৰ। ইয়ে এক উচ্চমানৰ বন্ধুত্বসূলভ সম্পর্কৰ সৃষ্টি কৰে আৰু সেইবাবেই ই খুবেই গ্রহণযোগ্য।
- আমাৰ দেশত উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত লোক মাধ্যমৰ ব্যৱহাৰৰ উদাহৰণৰ অলেখ যদিও সাধাৰণ মাধ্যম বিশেষকৈ বাতৰি কাকত অথবা দূৰদর্শনৰ ব্যৱহাৰৰ দৰে স্থিৰ আৰু নিয়মীয়া নহয়।
- আমাৰ দেশত বহু ধৰণৰ লোক কলাৰ ৰূপ আছে যিবোৰ আজিও খুব প্রাণোজ্জ্বল। এই সকলোবোৰেই সযতন অনুসন্ধান, অধ্যয়ন আৰু তথ্য লিপিবদ্ধকৰণৰ প্রয়োজন।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) দত্ত, ড° অংকুৰণ। গণমাধ্যম আৰু সম্প্রচাৰ সাংবাদিকতা। অসম প্রকাশন পৰিষদ

২) পাটাইৰিয়া, ড° মনোজ। বিজ্ঞান সাংবাদিকতা। গুৱাহাটী, ভিকি পাব্লিচার্চ

ইংৰাজী গ্রন্থ ঃ

1) Dutta, Ankuran, Ray Anamika. *Science Communication in Assam.* Guwahati: DVS Publishers

৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ উন্নয়নমূলক সংযোগ স্থাপন হ'ল পদ্ধতিগতভাৱে প্রক্রিয়াটোৰ সক্রিয়কৰণ, কলা-কৌশল আৰু ধনাত্মকভাৱে সামাজিক পৰিৱর্তনৰ বাবে প্রযোজিত কৰা সংযোগৰ এক মতবাদ।

২ নং প্রশ্নৰ উত্তৰঃ নোৱা চি ক্যুব্রাল

৩ নং প্রশ্নৰ উত্তৰঃ বাতৰি কাকত, অনাতাঁৰ, দূৰদর্শন সামগ্রিকভাৱে অথবা বিকল্প ধৰণে উন্নয়নমূলক সংযোগৰ বার্তাসমূহৰ ব্যৱহৃত হৈ আহিছে।

৪ নং প্রশ্নৰ উত্তৰঃ উন্নয়নমূলক সংযোগৰ বাবে গণ মাধ্যমৰ ব্যৱহাৰৰ ক্ষেত্রত বহু অসুবিধা দেখিবলৈ পোৱা যায়। গণ মাধ্যম প্রায়েই আকাংক্ষিত কার্যকৰণত বিভিন্ন কাৰণত বিফল হয়, যেনে — বিদ্যুতৰ অভাৱ, অত্যাধিক ব্যয়, উচ্চ কাৰিকৰী হোৱাৰ বাবে, যাতায়তৰ দূৰৱস্থা, ইত্যাদি। আকৌ আমি যেতিয়া উন্নয়নশীল যোগাযোগৰ কথা কওঁ, আমি নিশ্চিতভাৱে অনুন্নত অঞ্চল অথবা জনসাধাৰণক লক্ষ্য হিচাপে লওঁ। সেয়ে সচৰাচৰ প্রশ্ন উদয় হয় যে জনসাধাৰণে সচাঁকৈয়ে এনে ধৰণৰ গণ মাধ্যমৰ ওচৰ চাপিব পাৰেনে আৰু তেওঁলোকে আকাংক্ষিত বার্তাসমূহ হৃদয়ংগম কৰিবলৈ সক্ষমনে। তদুপৰি এই

মাধ্যমবোৰ প্ৰায়েই সুদুৰ বিদেশৰ অথবা নৈৰ্ব্যক্তিক হোৱাৰ লগতে আচৰণ পৰিবৰ্তন আহৰণত সমস্যা সৃষ্টি কৰে বুলি প্ৰায়েই বিবেচনা কৰা হয়। ইয়াৰ ফলত অভিপ্ৰেত বাৰ্তাসমূহৰ লোকচান হয়। ইয়াৰ উপৰি তেওঁলোকৰ কাৰণে গণ মাধ্যম হ'ল খুবেই জাক-জমকীয়া, নৈৰ্ব্যক্তিক আৰু অবিশ্বাসী।

৫ নং প্ৰশ্নৰ উত্তৰঃ বিকাশমূলক মাধ্যম হিচাপে পৰম্পৰাগত মাধ্যমে গণ মাধ্যমক অতিক্ৰম কৰিছে কিয়নো লোক মাধ্যমত গ্ৰহণযোগ্য জতুৰা ঠাঁচৰ উপাদান, কাৰ্যকৰী বিশেষত্ব আৰু মনোৰঞ্জনৰ উপাদান স্বাভাৱিকভাৱে উপলব্ধ, সেয়ে এনে ধৰণৰ মাধ্যমে গ্ৰামীন সমাজত প্ৰয়োগ কৰি অসাধাৰণভাৱে প্ৰভাৱান্বিত কৰা দেখা যায়।

৬ নং প্ৰশ্নৰ উত্তৰঃ সংযুক্ত ৰাষ্ট্ৰীয় পৰিবেশমূলক কাৰ্যক্ৰম (UNEP)

৭ নং প্ৰশ্নৰ উত্তৰঃ লোক মাধ্যম ব্যৱহাৰত প্ৰাক্ আৱশ্যকতাসমূহ হ'ল —

ক) গ্ৰামীন জনসাধাৰণক বুজি পোৱা।

খ) গ্ৰাম্য দৰ্শকক এই মাধ্যম ব্যৱহাৰৰ জৰিয়তে পুনঃ সৃজনৰ সুবিধা প্ৰদান, তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰা আৰু উন্নয়নমূলক কাৰ্যসূচীত অংশগ্ৰহণৰ কাৰণে তেওঁলোকক নিশ্চয়তা প্ৰদান কৰা।

৮ নং প্ৰশ্নৰ উত্তৰঃ মুকুন্দ দাস

৯ নং প্ৰশ্নৰ উত্তৰঃভাৰতীয় গণ নাট্য সংগ (IPTA)



৫.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ঃ 'উন্নয়নমূলক সংযোগ' অভিধাটো কোনে আৰু কোন চনত উদ্ভাৱন কৰিছিল?

প্ৰশ্ন ২ঃ 'বিজ্ঞান জাথা' মানে কি?

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দত উত্তৰ দিয়ক) -

প্ৰশ্ন ১ঃ উন্নয়নমূলক সংযোগ আৰু উন্নয়নমূলক মাধ্যম বুলিলে কি বুজে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ উন্নয়নমূলক সংযোগ হিচাপে পৰম্পৰাগত মাধ্যম উপযুক্ত হয় বুলি আপুনি ভাবেনে?

প্ৰশ্ন ৩ঃ উন্নয়নমূলক যোগাযোগ হিচাপে পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰৰ সুবিধাসমূহ কি কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক) -

প্ৰশ্ন ১ঃ আমাৰ দেশত উন্নয়নমূলক সংযোগৰ বাবে ব্যৱহৃত পৰম্পৰাগত লোক মাধ্যম আৰু গণ মাধ্যমৰ স্থিতি কি কি?

প্ৰশ্ন ২ঃ উন্নয়নমূলক মাধ্যম হিচাপে ব্যৱহৃত পৰম্পৰাগত মাধ্যম আৰু গণ মাধ্যমৰ মাজত থকা পাৰ্থক্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ উন্নয়নৰ উদ্দেশ্যত লোকমাধ্যম আৰু গণমাধ্যম প্ৰয়োগ কৰাৰ আপেক্ষিক সুবিধা তথা অসুবিধাবোৰ কি কি?

*** ***** ***

অধ্যায় ৬ ঃ পৰম্পৰাগত লোকমাধ্যম আৰু ভাৰতীয় সংস্কৃতি

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ লোক-পৰম্পৰাৰ বৈশিষ্ট্য
৬.৩.১ লোক-পৰম্পৰাৰ বৈশিষ্ট্য
৬.৩.২ পৰম্পৰাগত মাধ্যমৰ ভূমিকা
৬.৪ সামাজিক লোকাচাৰ প্ৰচাৰৰ ক্ষেত্ৰত গণমাধ্যম
৬.৪.১ পৰম্পৰাগত মাধ্যম আৰু সামাজিক লোকাচাৰ
৬.৪.২ আধুনিক গণমাধ্যম আৰু সামাজিক লোকাচাৰ
৬.৫ ভাৰতীয় সংস্কৃতিৰ তথ্য সম্প্ৰচাৰৰ মঞ্চ হিচাপে লোকমাধ্যম
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্ৰগতিৰ খতিয়ান
৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব—

- লোক-পৰম্পৰাৰ বৈশিষ্ট্যসমূহ
- সামাজিক লোকাচাৰৰ যোগাযোগত সংবাদ মাধ্যম কেনেদৰে ব্যৱহাৰ হয়
- ভাৰতীয় সংস্কৃতিৰ তথ্য লোকমাধ্যমে কেনেদৰে প্ৰচাৰ কৰে।

৬.২ পৰিচয়

লোক-পৰম্পৰাই সমাজ এখনৰ সাংস্কৃতিক মূল্য আৰু ৰীতি-নীতি প্ৰতিফলিত কৰে। এই গোটটোত ভাৰতৰ লোক-পৰম্পৰাৰ আভাস পোৱা যাব আৰু ভাৰতীয় সংস্কৃতিৰ তথ্য প্ৰচাৰৰ ক্ষেত্ৰত ইয়াক কেনেদৰে ব্যৱহাৰ কৰা হয় তাক জানিব পাৰিব। তদুপৰি সামাজিক লোকাচাৰক সংবাদ মাধ্যমে কেনেদৰে যোগাযোগত ব্যৱহাৰ কৰে তাকো এই আধ্যায়টোত আলোচনা কৰা হৈছে।

৬.৩ লোক পৰম্পৰাৰ বৈশিষ্ট্য

ভাৰতীয় সমাজৰ সংস্কৃতি আৰু ৰীতি-নীতিৰ ওপৰত ভিত্তি কৰি লোক-পৰম্পৰা গঢ় লৈ উঠিছে। ই জনসাধাৰণৰ দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈ আহিছে। তেওঁলোকৰ সুখ-দুখ, প্ৰত্যাশা আৰু জল্পনা-কল্পনা আদি সকলোবোৰ পৰম্পৰাগত মাধ্যম অথবা লোক-পৰম্পৰাৰ জৰিয়তে প্ৰকাশ পায়।

পৰম্পৰা আৰু সামাজিক মূল্যৰ ভেটিতহে সমাজ এখনৰ উন্নতি নিৰ্ভৰশীল। উন্নয়ন অপৰিহাৰ্য, কিন্তু পৰম্পৰাক অৱহেলা কৰি নহয়। উন্নয়ন প্ৰক্ৰিয়াত যদি পৰম্পৰাৰ মূল্য সংযোজন কৰা নহয়,তেনেহলে আধুনিকীকৰণৰ ধাৰণা অসাৰ হৈ পৰিব। সৱল সমাজ এখনৰ বাবে সংস্কৃতি আৰু পৰম্পৰা সদায়ে সজীৱ হৈ থাকিব লাগিব।

ভাৰতবৰ্ষত পৰম্পৰাগত কলা অতি পুৰণিকালৰে সৃষ্টি। জনসাধাৰণৰ মনোৰঞ্জন, সৃজনীমূলক প্ৰকাশ আৰু সমাজৰ একতাৰ প্ৰয়োজনত ইয়াৰ আৰম্ভণি ঘটিছিল। নাটক, নৃত্য, সংগীত আৰু বেলাড, হস্তশিল্প আৰু সুকুমাৰ কলা, পুতলা নাচ, জনশ্ৰুতি, সাধুকথা আৰু ধৰ্মীয় চৰ্চা ইত্যাদি ৰূপত পৰম্পৰাগত মাধ্যমৰ বিকাশ ঘটিছিল। পুৰণি কালৰে পৰা এই লোককলা আৰু পৰম্পৰাগত মাধ্যমক মনোৰঞ্জনৰ উপৰিও সামাজিক, সাংস্কৃতিক, ধৰ্মীয় আৰু ৰাজনৈতিক উদ্দেশ্যতো ব্যৱহাৰ কৰি অহা হৈছে।

জীৱনৰ গতিশীল প্ৰকৃতি বুজি উঠাৰ বাবে সমাজৰ পৰম্পৰাগত মূল্য, ৰীতি-নীতি আৰু সামাজিক লোকাচাৰৰ বিকাশৰ মাধ্যম হৈছে লোক-পৰম্পৰা। সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰয়োজনীয় সালসলনি কৰিও ইয়াৰ বিশুদ্ধতা বজাই ৰখাৰ প্ৰয়োজন।

১৯০৪ চনৰ জুলাই মাহত 'স্বদেশী সমাজ' নামৰ বিখ্যাত বক্তৃতাত ৰবীন্দ্ৰনাথ ঠাকুৰে পৰম্পৰাগত মাধ্যমৰ বিষয়ে এনেদৰে প্ৰকাশ কৰিছে—

> "কলাৰ সকলো পৰম্পৰাগত গাঁথনিত স্থিতিস্থাপকতাৰ পৰ্যাপ্ত সুবিধা থাকিব লাগে। সংস্কৃতিৰ লগত জড়িত ধাৰণাসমূহৰ স্থায়ীত্ব আৰু পৰম্পৰা পৰিৱেশনৰ বিকাশ সংবেদনশীল আৰু সৱল হোৱাৰ লগতে জীৱনৰ বিভিন্ন দিশৰ প্ৰতি সহায়ক হ'ব লাগে। নাটকীয় আৰু সংগীতিক ৰূপত নৈতিক শিক্ষাৰ লগতে মনোৰঞ্জনৰ বাবে আত্মপ্ৰকাশৰ হেতু পৰম্পৰাগত মাধ্যমে আমাৰ মনক সন্তুষ্টি প্ৰদান কৰে। পৰম্পৰাগত মাধ্যমে আমাৰ পূৰ্বপুৰুষসকলৰ পৰম্পৰা আৰু সংস্কৃতিক সংৰক্ষণ আৰু সজীৱ ৰূপত সংবৰ্দ্ধন কৰি আহিছে।"

গ্ৰাম্য ভাৰত হৈছে পৰম্পৰাগত লোক কলাৰ সম্ভান্ত উত্তৰাধিকাৰ। সমাজ সচেতনতাৰ প্ৰতিমাপক ৰূপে ইয়াৰ এক বৰ্ণাঢ্য ইতিহাস আছে। সামাজিক পৰিৱেশ আৰু বৃহত্তৰ স্বাৰ্থৰবাবে এইবোৰ কাল্পনিকভাৱে সৃষ্টি কৰা হৈছিল। সময় আৰু পৰিস্থিতি অনুসৰি মানুহৰ জীৱনশৈলীৰ পৰিবৰ্তন হলেও গীত-মাত, বেলাড, লোকনাট্য, চিত্ৰ-ভাস্কৰ্য অথবা হস্তশিল্প, তথা বিভিন্ন অঞ্চলৰ নৃত্য আদিয়ে পৰম্পৰাক সজীৱ কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

সমাজ বিপ্লৱ, স্বাধীনতা আন্দোলন, অস্তিত্বৰ সংগ্ৰাম আৰু শতিকাজুৰি চলি অহা ন্যায় প্ৰাপ্তিৰ যুঁজখনত পৰম্পৰাগত মাধ্যমৰ ভূমিকা যথেষ্ট। বৰ্তমান সময়ত এনে মাধ্যমসমূহে বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বেছি ভাগ শিল্পী পৰিয়ালৰ যুৱ প্ৰজন্মই এইবোৰ শিকিবলৈ আগ্ৰহী নহয় আৰু ইয়াক জীয়াই ৰখাতো গুৰুত্ব নিদিয়া পৰিলক্ষিত হৈছে। তেওঁলোকৰ বেছিভাগেই এতিয়া লাভজনক সুযোগৰ সন্ধানত ব্ৰতী। সেয়ে এনে পৰম্পৰাগত মাধ্যমক বিভিন্ন স্থানত জনসাধাৰণৰ সমৰ্থন, চৰকাৰী সংস্থা, গৱেষক, সাংস্কৃতিক কৰ্মী আদিয়ে জীয়াই ৰাখিবলৈ চেষ্টা কৰি আহিছে। পৰম্পৰাগত মাধ্যমক আগবঢ়াই নিয়াৰ লগতে ইয়াক জীয়াই ৰখাৰ বাবে গ্ৰাম্য শিল্পীসকলক এই সমূহে নিয়োগ কৰি আহিছে। নিজস্ব নাট্যকৰ্মৰ অহৰহ লোককলাৰ ব্যৱহাৰ কৰি থকা নাট্য কৰ্মীসকলৰ উপৰিও সংগীত আৰু নাটক শাখাই এনে লোক পৰম্পৰাৰ উদ্ধাৰৰ হকে কাম কৰি আহিছে।

ভাৰতীয় সমাজত পৰম্পৰাগত মাধ্যমৰ গুৰুত্বক কোনোপধ্যে নুই কৰিব নোৱাৰি। আন্তঃব্যক্তিত্বমূলক বৈশিষ্ট্য, সময়ৰ তাগিদা অনুসৰি মানুহৰ প্ৰত্যাশা পূৰণৰ সামৰ্থ ইয়াৰ প্ৰদৰ্শনত প্ৰতিফলিত হয় বাবে পৰম্পৰাগত মাধ্যমক অৱজ্ঞা কৰা অসম্ভৱ। সেয়ে ই শিক্ষিত আৰু অশিক্ষিত সকলোৰে ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। গ্ৰামাঞ্চলৰ মানুহবোৰ ইয়াৰ লগত জড়িত থকাৰ বিপৰীতে নগৰাঞ্চলৰ মানুহে ইয়াক মনোৰঞ্জনৰ মাধ্যম হিচাপে লয়। সেয়ে দুয়ো প্ৰকাৰৰ মানুহৰ মগজুত ই ক্ৰিয়া কৰে। সেয়ে লোক-পৰম্পৰাৰ সংৰক্ষণ প্ৰয়োজনীয় হৈ পৰিছে।

৬.৩.১ লোক-পৰম্পৰাৰ বৈশিষ্ট্য

লোক-পৰম্পৰাৰ মৌলিক বৈশিষ্ট্যসমূহ হ'ল—

ক) এইবোৰ অঞ্চল আৰু সংস্কৃতিকেন্দ্ৰিক, সেয়ে ই সদায় মানুহৰ অন্তৰ জয় কৰে।

খ) লোক-পৰম্পৰা অতি স্থিতিস্থাপক। যেতিয়াই প্ৰয়োজন অনুভৱ কৰা যায় কোনো বাৰ্তা তাৎক্ষণিকভাৱে লাগিলে পৰিৱেশনৰ সময়তে পৰিৱৰ্তন সাধন কৰা হয়। ইয়াৰ জৰিয়তে চলি থকা সমস্যা, উপাখ্যান অথবা ইতিহাস আৰু যিকোনো বিষয় দেখুৱাব পাৰি।

গ) পৰম্পৰাগত নাটকক অতি প্ৰভাৱশালী আৰু মনোৰঞ্জনমূলক কৰাৰ বাবে সংগীত, সংলাপ, হাস্যৰস নৃত্য, পুতলা নাচ, জনশ্ৰুতি আদি সংযোজন কৰা হয়।

ঘ) পৰিচিত ভাষা, স্থানীয় দোৱানৰ ব্যৱহাৰে শ্ৰোতা-দৰ্শকক বাৰ্তা বুজি পোৱাত সহায় কৰাৰ লগতে ই নৃত্য, নাটক, পুতলা নাচ, গীত আদি পৰিৱেশন কৰোতে সমগ্ৰ পৰিৱেশটো আয়ত্তলৈ আনে।

ঙ) এনে ধৰণৰ বিষয়বস্তুৱে সংস্কৃতি আৰু পৰম্পৰাৰ বিকাশ ঘটায়।

চ) মনোৰঞ্জনৰ জৰিয়তে প্ৰয়োজনীয় তথা প্ৰাসংগিক সামাজিক, ৰাজনৈতিক আৰু ধৰ্মীয় বাৰ্তা কোনো ধৰণৰ ভাবানুভূতিক আঘাত নকৰাকৈ প্ৰচাৰ কৰে।

ছ) শিক্ষিত, অশিক্ষিত সকলো বয়সৰ উভয় লিংগৰ মানুহৰ গ্রহণযোগ্য।

জ) প্রদর্শন সম্পূর্ণ হোৱাৰ পিছত বা প্রদর্শনৰ মাজতে দর্শকে মত প্রকাশৰ স্বাধীনতা আৰু সুবিধা পোৱাৰ বাবে ই জনসাধাৰক সন্তুষ্ট কৰিব পাৰে।

ঝ) দর্শকে যদি সন্তুষ্টি লাভ কৰে তেন্তে তাৎক্ষণিকভাৱে পুনৰ প্রদর্শন কৰাৰ দাবী জনাব পাৰে।

ঞ) গ্রাম্য সমাজক সকলো সময়তে নিৰীক্ষণ কৰে।

৬.৩.২ পৰম্পৰাগত মাধ্যমৰ ভূমিকা

পৰম্পৰাগত মাধ্যমৰ এটা অতি গুৰুত্বপূর্ণ উপাদান হৈছে বার্তাৰ প্রেৰক আৰু লাভ কৰোঁতা একেখন সমাজতে একে পৰম্পৰা, সামাজিক ৰীতি-নীতি মানি চলে। সেয়ে লোকমাধ্যমে সদায়ে সমাজ এখনৰ সংস্কৃতি আৰু লোকাচাৰক অন্তর্ভূক্ত কৰে তথা ই এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ বার্তা সৰবৰাহত সহায় কৰে।

উপাখ্যান আৰু দৈনন্দিন ৰীতি-নীতি, বিশ্বাস আৰু মূল্যবোধ, বাস্তৱ জীৱনৰ ঘটনাৰাজি, জীৱ-জন্তু আৰু প্রকৃতিৰ লগত মানুহৰ সম্পর্ক আৰু সিহঁতৰ ভয়, ইচ্ছা আৰু আনন্দ আদি বিষয় বস্তুৰ জৰিয়তে পৰম্পৰাগত মাধ্যমে মানুহৰ মনত সাঁচ বহুৱায় আৰু মনঃপূত মূল্যবোধলৈ পৰিৱর্তিত কৰে। মানুহবোৰে ধাৰণা আৰু বার্তাবোৰ স্বতঃস্ফূতভাৱে গ্রহণ কৰে।

যৌতুক, আত্মসন্মানাথে হত্যা অথবা HIV/AIDSৰ প্রতিৰোধ আদিৰ দৰে স্পর্শকাতৰ বিষয়বোৰ পৰম্পৰাগত মাধ্যমে নিজৰ আওঁতালৈ আনি লয়। বর্তমান সময়ত কন্যা শিশুৰ বিষয়ে যথেষ্ট প্রচাৰ চলোৱা হৈছে। পৰম্পৰাগত মাধ্যমৰ জৰিয়তে লক্ষ্মীবাঈ, ৰেজিয়া চুলতানা, জয়মতী আদিৰ দৰে মহিয়সীৰ উদাহৰণেৰে কন্যা শিশু এটিয়ে কেনেদৰে সমাজ পোহৰাব পাৰে তাক দেখুওৱা হয়। আৰু ইতিহাসৰ বিভিন্ন চৰিত্রৰ জ্ঞান আনন্দ আৰু স্থায়ীত্বৰ বিষয়ে নাটক পৰিৱেশনৰ জৰিয়তে প্রচাৰ চলোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পৰম্পৰাগত মাধ্যম সন্দর্ভত ৰবীন্দ্রনাথ ঠাকুৰে কি কৈ গৈছে?

.....

.....

প্রশ্ন নং ২ ঃ বিভিন্ন সময়ত পৰম্পৰাগত মাধ্যমে কি ভূমিকা পালন কৰি আহিছে?

.....

.....

৬.৪ সামাজিক যোগাযোগৰ লোকাচাৰৰ ক্ষেত্ৰত গণমাধ্যম

সামাজিক লোকাচাৰে এখন সমাজৰ বিকাশ আৰু উন্নয়ন সূচায়। পৰম্পৰাগত আৰু বৈদ্যুতিক মাধ্যম দুয়োবিধে সামাজিক লোকাচাৰৰ যোগাযোগত গুৰুত্বপূৰ্ণ ভূমিকা লয়। পৰম্পৰাগত মাধ্যমে সময় পৰিৱৰ্তনৰ লগে লগে বিষয়বস্তুৰ গুণাগুণৰ স্থায়ীত্ব পৰিৱৰ্তন কৰি অহাৰ দৰে বৈদ্যুতিক মাধ্যমেও সমাজৰ ৰুচিৰ ওপৰত ভিত্তি কৰি পৰিৱৰ্তনৰ সূচনা কৰে।

পৰম্পৰাগত মাধ্যমক অধিক গ্ৰহণযোগ্য কৰি তুলিবলৈ তেওঁলোকে নেতৃত্বশীল ব্যক্তিসকলৰ (যেনে— পঞ্চায়তৰ মুৰব্বী অথবা স্থানীয় শিক্ষকসকল) সহায় লয়। এওঁলোকৰ গাঁৱৰ মানুহৰ মাজত যথেষ্ট প্ৰভাৱ থাকে। প্ৰয়োজনত মানুহৰ মানসিকতাৰ পৰিৱৰ্তনত গুৰুত্বপূৰ্ণ ভূমিকা লয়। এনে ব্যৱস্থাই পৰম্পৰাগত মাধ্যম শক্তিশালী আৰু জনপ্ৰিয় কৰি তোলে। আনকি বৈদ্যুতিক মাধ্যমৰ গৱেষকসকলে দৰ্শকৰ গ্ৰহণযোগ্যতা আৰু সামাজিক লোকাচাৰ কেনেকৈ গ্ৰহণযোগ্য কৰি তুলিব পাৰি সেয়া জানিবলৈ তৃণমূল পৰ্যায়ত মানুহৰ লগত কথা পতাৰ যত্ন কৰে। শ্ৰোতা-দৰ্শকৰ একমাত্ৰ দাবী হৈছে— বাৰ্তা সত্য হ'ব লাগে আৰু সামাজিক লোকাচাৰো সত্য হোৱা উচিত।

৬.৪.১ পৰম্পৰাগত মাধ্যম আৰু সামাজিক লোকাচাৰ

পৰম্পৰাগত মাধ্যম সাধাৰণ গ্ৰাম্য জীৱনৰ স্পন্দন আৰু পৰম্পৰাৰ উৎকৃষ্ট বাৰ্তাবাহক। আদিতে কেৱল মনোৰঞ্জনৰ লক্ষ্যৰেই পৰম্পৰাগত মাধ্যমৰ আৰম্ভণি হৈছিল। আধুনিক কালত ই যিবোৰ অশিক্ষিত আৰু দুখীয়া হৈ আছে তেওঁলোকৰ মাজত খবৰ দিওঁতা, শিক্ষকৰ দৰে বিশ্বাসী কাৰক হিচাপে কাম কৰে।

বৈদ্যুতিক মাধ্যমৰ আগ্ৰাসনত কিছুমান জনপ্ৰিয় লোকমাধ্যমৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহি পৰিছে। শিল্পীৰ নিম্ন আয়ো ইয়াৰ অন্যতম কাৰণ। কিন্তু সংগীত আৰু নাটক শাখা বা সামাজিক কৰ্মী দল, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ গোট আদিৰ দৰে সংগঠনৰ সহায়ত পৰম্পৰাগত মাধ্যমৰ অস্তিত্ব অটুট থাকিব আৰু সামাজিক লোকাচাৰ আৰু বাৰ্তা প্ৰচাৰ অব্যাহত ৰাখিব।

বিশেষকৈ স্থানীয় শিল্পী আৰু বৃত্তিমূলক শিল্পীৰ দলে পৰিবেশন কৰা পৰম্পৰাগত মাধ্যমৰ দূৰণিবটীয়া গ্ৰামাঞ্চলতো প্ৰৱেশ কৰিব পৰা যথেষ্ট ক্ষমতা আছে। পাকিস্তান সীমান্তৰ পাঞ্জাৱ, ৰাজস্থান অথবা চীন সীমান্তৰ অৰুণাচল প্ৰদেশৰ দুৰ্গম অঞ্চলতো লোকমাধ্যমৰ প্ৰসাৰ তথা প্ৰচাৰ হয় আৰু ই শিক্ষা, মনোৰঞ্জনমূলক দায়িত্ব পালন কৰে। সেয়ে ভাৰতীয় সামাজিক ৰীতি-নীতি, মূল্যবোধ আৰু সামাজিক লোকাচাৰৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বিশ্বাসযোগ্য আহিলা হৈছে পৰম্পৰাগত মাধ্যম।

শ্ৰীমন্ত শংকৰদেৱ, চৈতন্য মহাপ্ৰভু, ৰাজা ৰামমোহন ৰায় আদিৰ দৰে সমাজ সংস্কাৰকসকলে ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতিৰ বাৰ্তা প্ৰচাৰৰ বাবে পৰম্পৰাগত

মাধ্যম কেনেদৰে ব্যৱহাৰ কৰিছিল সেই কথা আমাক ইতিহাসে কয়। স্বাধীনতা আন্দোলনৰ সময়ত সুব্ৰমণিয়ম ভাৰতী, ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু অন্যান্য মুক্তি যুঁজাৰুসকলে গ্ৰাম্য জনতাৰ লগত যোগাযোগ কৰাৰ বাবে পৰম্পৰাগত মাধ্যমৰ আনকি জনসাধাৰণক সজাগ কৰাৰ বাবে মহাত্মা গান্ধীয়েও ধৰ্মীয় বক্তৃতা আৰু পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ কৰিছিল।

বৰ্তমান যুগতো পৰিষ্কৰণ কাৰ্যসূচী, যেনে— স্বচ্ছ ভাৰত, পৰিয়াল পৰিকল্পনা, HIV/AIDS, শিশু কন্যাৰ সুৰক্ষা, প্ৰসূতি আৰু শিশু স্বাস্থ্য আদিৰ বাৰ্তা প্ৰেৰণতো পৰম্পৰাগত মাধ্যমে গুৰুত্ব বহন কৰি আহিছে। পুতলা নাচ আৰু বাটৰ নাট এতিয়াও অতি জনপ্ৰিয়। লোকনাট্য আৰু নৃত্যানুষ্ঠানো এই ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়।

যদি এজন বেংক বিষয়াই পোনপটীয়াকৈ বেংক একাউণ্ট খোলাৰ কথা কয়, ধন জমা ৰখাৰ কথা কয় আৰু হাস্পতালত শিশু জন্ম দিয়া কথা কয়, মানুহে সেইবোৰ কথাত গুৰুত্ব নিদিয়ে। কিন্তু গীত-নৃত্য আৰু সুন্দৰ সংলাপৰ জৰিয়তে পুতলা নাচ অথবা নাটকৰে যদি একেখিনি কথা কোৱা হয় তেন্তে ফলাফল লাভ কৰা যায়।

সময়ৰ পৰিৱৰ্তন হলেও পৰম্পৰাগত মাধ্যমৰ কেতবোৰ মূল্যবোধৰ পৰিৱৰ্তন হোৱা নাই। উদাহৰণ স্বৰূপে জ্যেষ্ঠজনক সন্মান, সাধুতা আৰু কঠোৰ শ্ৰম, প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ, যৌতুক প্ৰথাৰ প্ৰতি ঘৃণা আদি। বিবাহ, উৎসৱত গোৱা সাধাৰণ লোকগীতে নৱজাতকৰ জন্ম উদযাপন, নৱদম্পতীলৈ জীৱনৰ বাৰ্তা প্ৰেৰণ, মাতৃ আৰু শাহু-বোৱাৰীলৈ বাৰ্তা প্ৰেৰণৰ দৰে কামবোৰ কৰে। এটা বিহুগীতে প্ৰযুক্তি নিৰ্ভৰ মানুহৰ সৃষ্টিশীলতা কেনেদৰে হ্ৰাস পাইছে আৰু লৱনীয়ে ৰাজনীতিৰ বেয়া কামৰ বিষয়ে কয়।

পৰম্পৰাগত মাধ্যমৰ জৰিয়তে যেতিয়া সামাজিক লোকাচাৰৰ যোগাযোগ কৰা হয়, তেতিয়া মানুহৰ আৱেগ প্ৰকাশ পায়।

৬.৪.২ আধুনিক গণমাধ্যম আৰু সামাজিক লোকাচাৰ

বিস্তৃত অঞ্চললৈ একেটা সময়তে বাৰ্তাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত গণমাধ্যমে শক্তিশালী ভূমিকা পালন কৰে। সেয়ে ভাল-বেয়া দুয়োটাই যোগাযোগৰ বাবে এই গুৰুত্বপূৰ্ণ মাধ্যম। অৱশ্যে এইটো কথা সঁচা যে গণমাধ্যমে প্ৰচাৰ কৰা বাৰ্তাই সকলোকে সমানে প্ৰভাৱান্বিত নকৰিবও পাৰে। কিন্তু প্ৰচাৰৰ ক্ষেত্ৰ বিস্তৃত হোৱা হেতুকে গৰিষ্ঠসংখ্যক দৰ্শকে ইয়াৰ জৰিয়তে আকৃষ্ট হয়।

ৰেডিঅ'ঃ আগতে ৰেডিঅ'ৰ জৰিয়তে কৃষকসকলক উদ্দেশ্যি প্ৰচাৰ কৰা অনুষ্ঠানবোৰত কেৱল কৃষি প্ৰযুক্তিৰ উদ্ভাৱনতে গুৰুত্ব দিয়া হোৱা নাছিল। আনকি কৃষিৰ পুৰণি পদ্ধতিকো গুৰুত্ব দিছিল। ঔদ্যোগিক উন্নয়নৰ লগে লগে এনে অনুষ্ঠানবোৰত অধিক উপাৰ্জনৰ হেতু পুৰণি পদ্ধতিবোৰৰ সলনি হাইব্ৰীড প্ৰযুক্তিৰ ব্যৱহাৰেৰে নতুন ৰাসায়নিক সাৰ আৰু ৰাসায়নিক পদ্ধতি কৃষিকাৰ্যত ব্যৱহাৰৰ কথা কবলৈ লোৱা হ'ল। কিন্তু এতিয়া পুনৰ অধিক গৱেষণাৰ অন্তত উন্নত প্ৰযুক্তিৰ ব্যৱহাৰে খেতিয়কৰ লগতে খাদ্য গ্ৰহণ

কৰোতাৰ শৰীৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ পিছৰে পৰা কৃষিৰ জৈৱিক আৰু পৰম্পৰাগত পদ্ধতি ব্যৱহাৰৰ কথা অনুষ্ঠানবোৰত প্ৰচাৰ কৰা হয়। কৃষি সন্দৰ্ভত জনসাধাৰণৰ প্ৰাথমিক বিশ্বাস পুনৰ ঘূৰি আহিল।

টেলিভিশ্যন ঃ ঠিক তেনেদৰে টেলিভিশ্যনতো মানুহৰ বিশ্বাস আৰু ধাৰণাৰ পৰিৱৰ্তন প্ৰতিফলিত হৈছে। কিছুমান অনুষ্ঠানত মহিলাক গতানুগতিক দিশত প্ৰকাশ কৰি অহা হৈছে। অৱশ্যে, সাম্প্ৰতিক সময়ত পৰিৱৰ্তনৰ প্ৰেক্ষাপটত সকলো ক্ষেত্ৰত মহিলাৰ সাফল্যৰ অনুষ্ঠানো পৰিৱেশন কৰা হয়। আজিকালি কিছুমান সামাজিক নিষিদ্ধকৰণৰ বিষয়ে, যেনে— সমকামিতা (যিটো অতীত কালৰে পৰা মানৱ সমাজৰ এটা অংশ), একক মাতৃত্ব, বিবাহ-বিচ্ছেদ, পাৰিবাৰিক হিংসাৰ বিৰুদ্ধে ব্যৱস্থা আদি টেলিভিশ্যনত মুকলিকৈ আলোচনা কৰা হয়। আগতে বহুতো টিভিৰ অনুষ্ঠানত যৌথ পৰিয়াল ব্যৱস্থাক উৎসাহিত কৰা হৈছিল যদিও এতিয়া একক পৰিয়াল কথা অধিক দেখুওৱা হয়।

চিনেমা ঃ গণমাধ্যমৰ অন্যতম জনপ্ৰিয় মাধ্যম যাক সমাজৰ দাপোণ আখ্যা দিয়া হয়। চিনেমাই যোৱা শতিকাৰ পৰা সামাজিক লোকাচাৰ যোগাযোগত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰথম অৱস্থাত ভাৰতীয় চিনেমাত ৪০ৰ দশকলৈকে ভাৰতীয় মহিলাক সৱল ৰূপত প্ৰতিষ্ঠা কৰা হৈছিল। অৱশ্যে এগৰাকী বা দুগৰাকী ঐতিহাসিক মহিলাৰ ক্ষেত্ৰতহে এনে আছিল। তদুপৰি চিনেমাত শ্ৰমিক শ্ৰেণীটোক নিম্ন চিন্তাধাৰাৰ আৰু পৰনিৰ্ভৰশীল হিচাপে প্ৰতিবিম্বিত কৰা হৈছে। কেৱল পৰম্পৰা আৰু ৰীতি-নীতিতে গুৰুত্ব দিছিল।

পঞ্চাশৰ পৰা ষাঠিৰ দশকত কেতবোৰ পৰিৱৰ্তন পৰিলক্ষিত হয়। নিম্ন শ্ৰেণী সমূহৰ আন্দোলন, মহিলাৰ মাজত পশ্চিমীয়া সংস্কৃতিৰ জনপ্ৰিয়তা আৰু ভোগবাদী সমাজ ব্যৱস্থাৰ চিনেমাবোৰত প্ৰতিফলন ঘটিছিল। সত্তৰৰ পৰা নৱ্বৈৰ দশকলৈকে নায়িকাই সৱল আৰু বৃত্তিগতভাৱে সক্ৰিয়, আৰ্থিক দিশত স্বাধীন চৰিত্ৰৰ ভূমিকাত অভিনয় কৰে। তদুপৰি সমাজৰ নিম্ন শ্ৰেণীৰ মানুহক লৈ ৰচনা কৰা বিষয়বস্তুৱে চিনেমাত প্ৰভাৱ বিস্তাৰ কৰিব ল'লে।

একবিংশ শতিকাৰ পৰা দৰ্শকৰ ৰুচিৰ যিকোনো বিষয়ক লৈ চিনেমা নিৰ্মাণ কৰিব ল'লে। এগৰাকী মহিলাই জীৱনৰ প্ৰতিটো সিদ্ধান্ত লোৱাৰ অধিকাৰ,কিন্নৰৰ জীৱন সংগ্ৰাম, একক অভিভাৱকত্বৰ মুকলি প্ৰচাৰ, বাৰ নৰ্তকী, যৌন কৰ্মী, সকলো বয়সৰ মানুহৰ মাজত বিবাহৰ ধাৰণা সলনি আদিৰ দৰে বৃত্তিগত বিষয়বোৰতো চিনেমা নিৰ্মাতাসকলে নিজৰ কাৰ্যক্ষেত্ৰৰ প্ৰসাৰ ঘটালে।

এনেদৰে, সমাজ এখনৰ লোকাচাৰ আৰু বৈশিষ্ট্য গণমাধ্যমত ভালদৰে প্ৰতিফলিত হয় আৰু সমাজৰ প্ৰতি শ্ৰেণীৰ মানুহৰ লগত যোগাযোগ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সামাজিক লোকাচাৰৰ যোগাযোগৰ বাবে গণমাধ্যম কিয় ব্যৱহাৰ কৰা হয় ?

.....

.....

প্রশ্ন নং ৪ ঃ জনসাধাৰণৰ মাজলৈ যোৱাত পৰম্পৰাগত মাধ্যম কিদৰে অধিক কার্যদক্ষ ?

.....

.....

.....

৬.৫ ভাৰতীয় সংস্কৃতিৰ তথ্য সম্প্রচাৰৰ মঞ্চ হিচাপে লোকমাধ্যম

ভাৰতীয় সংস্কৃতি হৈছে সহিষ্ণুতা, সম্প্রীতি আৰু জ্ঞানৰ সংমিশ্রণ। সমাজ এখনৰ সংস্কৃতি বহু কাৰকৰ ওপৰত নির্ভৰশীল। ইয়াৰ ভিতৰত মানুহৰ কথা-বার্তা, আচৰণ, তেওঁলোকে কি পিন্ধে, কি খায়, তেওঁলোকৰ কাম-কাজ, ধর্মীয় আৰু সামাজিক বিশ্বাসৰ ওপৰত নির্ভৰ কৰি তেওঁলোকৰ কাম, আন্তঃগাঁথনিত ব্যৱহৃত নির্মাণশৈলী, শিক্ষা আৰু সকলো ধ্রুপদী আৰু লোকমাধ্যম অন্তর্ভুক্ত হয়। এইবোৰ তেওঁলোকৰ আচৰণত প্রতিফলিত হয়।

ভাৰতীয় সভ্যতা অতি প্রাচীন, সংস্কৃতিয়ে বৈচিত্র্যৰ মাজত ঐক্য এই দর্শনক প্রতিফলিত কৰে। ভাৰতভূমি জ্ঞানৰ শক্তিগৃহ, প্রাচীন কালৰ দিনৰে পৰা আৱিষ্কাৰ আৰু উদ্ভাৱনৰ ক্ষেত্রত অগ্রণী হোৱাৰ লগতে সম্ভ্রান্ত শিক্ষা, মহাকাব্য ধর্মীয় আৰু দার্শনিক লিখাৰে আগৰণুৱা। বিভিন্ন জাতি জনগোষ্ঠীৰ ভিতৰত কিছুমান খিলঞ্জীয়া হোৱাৰ বিপৰীতে একাংশ প্রব্রজন আৰু একাংশ পা�ৰিপার্শ্বিক কাৰণত ভাৰতলৈ অহা। সেয়ে ভাৰতত বহু সংস্কৃতিৰ ঐতিহ্য গঢ়ি উঠাত সহায়ক হ'ল।

খাদ্যাভ্যাস, পোছাক, গহণা, ধর্মীয় ৰীতি-নীতি, ভাষা, দোৱান, উৎসৱ, বিশ্বাস আদি একেলগ হৈ ভাৰতৰ পৰম্পৰাগত মাধ্যমৰ আত্মা নির্ধাৰণত সহায় কৰিছে। কেৱল সংগীতেই নহয়, বাদ্যযন্ত্রয়ো সমাজৰ সংস্কৃতি প্রতিফলিত কৰে। সেয়ে আধুনিক গণমাধ্যমৰ তুলনাত পৰম্পৰাগত মাধ্যমে প্রকৃতার্থত ভাৰতীয় সংস্কৃতি প্রতিফলিত কৰে। ই ভাৰতীয় সংস্কৃতি ভিন্ন প্রদর্শন প্রতিফলিত কৰে।

যিকোনো পৰম্পৰাগত মাধ্যমক গাঁও এখনত মাত্র উৎসৱ হিচাপেহে উদ্‌যাপন কৰা হয়। মানুহক পৰিচালিত কৰা ই এটা গুৰুত্বপূর্ণ পথ। যেতিয়া কোনো এখন গাঁৱত নৌট ংকী বা অংকীয়া নাট বা যাত্রা পৰিৱেশন কৰা হয় তেতিয়া খেতিয়ক, গৃহিণী, কাঠমিস্ত্রি আৰু শ্রমিক, শিশুৰ পৰা জ্যেষ্ঠজনলৈকে দৈনন্দিন কাম-কাজ সোনকালে শেষ কৰাৰ পৰিকল্পনা কৰে। সুন্দৰ

পোছাক পিন্ধি অতি আনন্দেৰে অনুষ্ঠানলৈ গৈ এজনে আনজনৰ সৈতে মত বিনিময়ৰ মাজেৰে প্রদর্শন উপভোগ কৰে। এনে অনুষ্ঠান পৰিৱেশনে তেওঁলোকৰ মনক সতেজতা প্রদান কৰে।

সমগ্র ভাৰততে নৌটংকী, ৰামলীলা, যাত্রা, যক্ষগান থেৰুকট্টু, ভাৰাই, অংকীয়া নাট, তামাশা আৰু পৰাড়া, গংগী, ভিল্লুপাট্টু, বুৰ্ৰাকথা, দসকথিয়া, কৰিগান আৰু নাম-কীর্ত্তন, পুতলা নাচ আদিও ভাৰতীয় সংস্কৃতিৰ তথ্য প্রচাৰৰ হকে ব্যৱহাৰ কৰা হয়। মানুহৰ জীৱনযাত্রা, নীতিকথা, প্রয়োজনীয় নীতি, ইতিহাস, প্রবাদপুৰুষ, ধর্মীয় কাহিনী আৰু মানুহৰ মাজত প্রভাৱ পেলোৱা কাৰকসমূহ আমাৰ সম্ভ্রান্ত সভ্যতা আদি লোককলাৰ লগত জড়িত সকলোবোৰে সময়ে সময়ে বার্তা বহন কৰি আহিছে।

জ্যেষ্ঠ সংবাদ মাধ্যম আৰু যোগাযোগ ধাৰাভাষ্যকাৰ পি চি যোশীয়ে যোগাযোগ আৰু ৰাষ্ট্রীয় সংবাদ মাধ্যমত সংস্কৃতি উদ্ধাৰৰ বাবে কেনেদৰে লোকমাধ্যমৰ ব্যৱহাৰ কৰা উচিত তাৰ বিষয়ে উল্লেখ কৰিছে। তেওঁ পর্যবেক্ষণ কৰিছিল—

ক) লোক-পৰম্পৰাত মনো�ৰঞ্জন দিওঁতা, মনোৰঞ্জন পাওঁতা আৰু সৃষ্টিশীল শিল্পীসকলে সমাজক একত্রিত কৰে।

খ) সমাজৰ অপশক্তিৰ বিৰুদ্ধে যুঁজাৰ বাবে কলা আৰু সংস্কৃতিয়ে সমাজৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত অৰিহণা যোগায়।

গ) লোককলাত মানুহৰ মাজত শ্রেণী আৰু বয়সৰ বৈষম্য নাথাকে। সকলোৱে উপভোগ কৰে, পূর্ণ সহযোগ আৰু সমর্থন আগবঢ়ায়।

ঘ) বিষয়বস্তু, প্রবাদপুৰুষ, ধর্মীয় কথা, কল্পনা আৰু প্রতীক চিহ্নবাদৰ ভিত্তিত পৰম্পৰাগত মাধ্যম গঠন হয় আৰু ধ্রুপদী কলা আৰু সংস্কৃতিৰ ক্ষেত্রত বিশেষ ভূমিকা লয়। লোক আৰু ধ্রুপদী পৰম্পৰাৰ সংমিশ্রণৰ সময়খিনিতে শিক্ষা আৰু সংস্কৃতিৰ পুনৰ সৃষ্টি হৈছিল।

বিখ্যাত নাট্যকর্মী, যেনে— অসমৰ ফণী শর্মা, উত্তৰ ভাৰতৰ হাবিব তনভীৰ, পশ্চিমবংগৰ বাদল চির্কাৰ, বিজন ভট্টাচার্য আৰু সমসাময়িক নাট্যকর্মী মণিপুৰৰ কানহায়ালাল, ৰতন থিয়াম আদিয়ে নিজৰ নিজৰ ৰাজ্যৰ পৰম্পৰাক সজীৱ কৰি ৰাখি মানুহৰ মাজলৈ লৈ যোৱাৰ বাবে পৰম্পৰাগত লোকনাট্যৰ আভাসেৰে নাট্যকর্ম আগবঢ়াই নিছে।

আধুনিক গণমাধ্যমৰ কিছু ক্ষেত্রত বৈষম্য পৰিলক্ষিত হয়। এই গণমাধ্যম সামর্থবান ব্যক্তিয়েহে উপভোগ কৰিব পাৰে আৰু পশ্চিমীয়া প্রভাৱত প্রাপ্তবয়স্কসকলৰ উপভোগ্য হৈ পৰে। গোলকীকৰণৰ লগে লগে আধুনিক গণমাধ্যমে বিশেষ সম্প্রদায়ৰ প্রয়োজন পূৰণৰ ক্ষেত্রত অসংবেদনশীল হৈ পৰে। কিন্তু পৰম্পৰাগত গণমাধ্যমে সামাজিক, সাংস্কৃতিক আৰু নৈতিক শিক্ষা প্রদানেৰে প্রত্যেক শ্রেণীৰ মানুহৰ প্রয়োজনীয়তা পূৰণ কৰে। কেৱল ৰীতি-নীতি, দোৱান, বিষয়বস্তু, সাজ-সজ্জা আদিয়েই নহয়, পৰম্পৰাগত মাধ্যমে সমাজৰবাবে প্রাসংগিক পূর্বপুৰুষৰ অৱদান আদিৰ বিষয়েও জনাৰ সুযোগ দিয়ে আৰু দৈনন্দিন জীৱনত মানুহক প্রয়োজনীয় বার্তা প্রেৰণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সাংস্কৃতিক প্রচাৰৰ ক্ষেত্রত পৰম্পৰাগত মাধ্যম কিয় ব্যৱহাৰ কৰা হয়?

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ নাটকৰ জৰিয়তে পৰম্পৰাগত মাধ্যমৰ প্রচাৰত জড়িত কেইজনমান প্রখ্যাত নাট্যকর্মীৰ নাম লিখক।

.....

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতত লোক-পৰম্পৰা ইয়াৰ সংস্কৃতিৰ পৰা গঢ় লৈ উঠা।
- প্রকৃতার্থত সমাজৰ উন্নয়নৰ বাবে পৰম্পৰাগত মূল্যৰ ওপৰত প্রক্রিয়াটো প্রতিষ্ঠিত হ'ব লাগিব।
- ৰবীন্দ্রনাথ ঠাকুৰে বিশ্বাস কৰিছিল যে, সময়ৰ পৰিৱর্তনৰ সৈতে খাপ খোৱাকৈ প্রত্যেক পৰম্পৰাগত মাধ্যমসমূহ স্থিতিস্থাপক হোৱা উচিত আৰু আমাৰ পূর্বপুৰুষসকলৰ পৰম্পৰা বজাই ৰখাৰ প্রয়োজন।
- স্বাধীনতা আন্দোলন, সামাজিক আৰু সাংস্কৃতিক আন্দোলনত পৰম্পৰাগত মাধ্যমে গুৰুত্বপূর্ণ ভুমিকা পালন কৰিছিল। আনকি ন্যায় আৰু অস্তিত্বৰ সংগ্রামতো ইয়াৰ ব্যৱহাৰ হৈছিল।
- গ্রাম্য আৰু চহৰৰ মানুহে পৰম্পৰাগত মাধ্যমৰ পৰা উৎসাহ পোৱাৰ লগতে বার্তাবোৰ ভালদৰে বুজি পায়।
- ধৰণবোৰ অঞ্চল আৰু সংস্কৃতিকেন্দ্রিক।
- পৰম্পৰাগত মাধ্যম কেৱল মনোৰঞ্জনমূলকেই নহয়, ই শিথিল আৰু আন্তঃব্যক্তিমূলক, সকলো বয়সৰ লোক আৰু লিংগৰ মাজত গ্রহণযোগ্য।

- বৈদ্যুতিক মাধ্যমৰ প্ৰসাৰ ক্ষেত্ৰ অতি বিস্তৃত। সেয়ে সামাজিক লোকাচাৰৰ যোগাযোগৰ ক্ষেত্ৰত ইয়াক ব্যৱহাৰ কৰা হয়।
- সামাজিক লোকাচাৰ তথা বৈশিষ্ট্যৰ বাৰ্তা প্ৰচাৰৰ ক্ষেত্ৰত ৰেডিঅ', টেলিভিশ্যন আৰু চিনেমাৰ দৰে গণমাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা লয়।
- দূৰণিবটীয়া তথা দুৰ্গম অঞ্চলবোৰতো সামাজিক লোকাচাৰ যোগাযোগৰ ক্ষেত্ৰত পৰম্পৰাগত মাধ্যম ফলপ্ৰসূ হয়। ই লাগিলে ৰাজস্থান, পাঞ্জাৱৰ মৰু অঞ্চলেই হওক বা অৰুণাচলৰ পাহাৰ অথবা পাকিস্তান সীমান্তই হওক।
- পৰম্পৰাগত মাধ্যম গ্ৰাম্য জীৱনৰ স্পন্দন আৰু সংস্কৃতিৰ বাৰ্তাবাহক।
- পি চি যোশীৰ বিশ্বাসমতে, সংস্কৃতি পুনৰ সৃষ্টিত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ কৰা উচিত।
- গাঁও এখনত লোকমাধ্যমৰ প্ৰদৰ্শন উৎসৱৰ দৰে হয়।
- ভাৰতৰ মহান নাট্যকৰ্মীসকলে তেওঁলোকৰ কামত লোক-পৰম্পৰাৰ ব্যৱহাৰ কৰিছে।



৬.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Kumar, Keval J. (2010), *Mass Communication in India*. Mumbai : Jaico Publishing House.
2) Micheal Traben (ed.) (2003) *Globalisation, Mass Media and Indian Cultural Values*. New Delhi : ISPK.
3) Sharma, Suresh K., Sharma, Usha (2004) *Cultural and Religious Heritage of India*. New Delhi : Mittal Publication.

৬.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ৰবীন্দ্ৰনাথ ঠাকুৰে বিশ্বাস কৰিছিল যে, সময়ৰ পৰিৱৰ্তনৰ সৈতে খাপ খোৱাকৈ প্ৰত্যেক পৰম্পৰাগত মাধ্যম স্থিতিস্থাপক হোৱা উচিত আৰু আমাৰ পূৰ্বপুৰুষসকলৰ পৰম্পৰা বজাই ৰখাৰ প্ৰয়োজন।

২নং প্ৰশ্নৰ উত্তৰ ঃ স্বাধীনতা আন্দোলন, সামাজিক আৰু ৰাজনৈতিক আন্দোলনত পৰম্পৰাগত মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে ন্যায় আৰু অস্তিত্ব ৰক্ষাৰ বাবে মানুহে কৰা আন্দোলনতো ভূমিকা অপৰিসীম।

৩নং প্ৰশ্নৰ উত্তৰ ঃ গণমাধ্যম সামাজিক লোকাচাৰৰ যোগাযোগত ব্যৱহাৰ কৰা হয়। কাৰণ গণমাধ্যমৰ প্ৰসাৰ ক্ষেত্ৰ অতি ব্যাপক আৰু একে সময়তে ই বিস্তৃত স্থান সামৰি ল'ব

পাৰে। সেয়ে সংখ্যা গৰিষ্ঠ জনসাধাৰণে ইয়াক বিচাৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ দূৰণিবটীয়া তথা দুৰ্গম অঞ্চলবোৰতো পৰম্পৰাগত মাধ্যম সামাজিক লোকাচাৰৰ যোগাযোগৰ ক্ষেত্ৰত পৰম্পৰাগত মাধ্যম অতি ফলপ্ৰসূ হয়। ই লাগিলে ৰাজস্থান, পাঞ্জাৱৰ মৰু অঞ্চলেই হওক বা অৰুণাচলৰ পাহাৰ আৰু পাকিস্তান সীমান্তই হওক। তদুপৰি পৰম্পৰাগত মাধ্যমৰ আন্তঃব্যক্তি প্ৰকৃতিয়ে মানুহক অধিক গ্ৰহণীয় কৰি তোলে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক গণমাধ্যমসমূহ কেতিয়াবা বৈষম্যৰ বলি হয়। কেৱল ব্যয় কৰিব পৰা সকলেহে ইয়াৰ সুবিধা লাভ কৰে। গণমাধ্যমৰ গোলকীকৰণৰ লগে লগে বিশেষ কিছুমান সমাজৰ ক্ষেত্ৰত ই গুৰুত্বহীন হৈ পৰিছে। কিন্তু পৰম্পৰাগত মাধ্যম প্ৰত্যেকখন সমাজৰ মানুহৰ অভাৱ আৰু প্ৰত্যাশাক নিজা দৃষ্টিকোণেৰে নৈতিক, সামাজিক আৰু সাংস্কৃতিক শিক্ষাৰ জৰিয়তে নিজৰ অস্তিত্ব বাহাল ৰাখিব পাৰিছে। ই কেৱল ৰীতি-নীতি, প্ৰবচন, ধাৰা আৰু কাহিনীৰ উপজীব্যই সমাজৰ বাবে প্ৰাসংগিক নহয়, পূৰ্বপুৰুষৰ পৰম্পৰা বজাই ৰাখি, জনসাধাৰণক দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় বাৰ্তা তথা তথ্য প্ৰদান কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ অতীতৰ বিখ্যাত নাট্যকৰ্মী, যেনে— ফণী শৰ্মা, হবিব তনভীৰ, বাদল চিৰ্কাৰ, বিজন ভট্টাচাৰ্য আৰু সমসাময়িক নাট্যকৰ্মী, যেনে— কানহায়ালাল, ৰতন থিয়াম আৰু অন্যান্য যুৱ নাট্যকৰ্মীসকলে তেওঁলোকৰ নাটকত পৰম্পৰাগত মাধ্যমৰ ব্যৱহাৰ কৰিছে।



৬.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ পৰম্পৰাগত মাধ্যম কেৱল স্থানীয় শিল্পীয়েহে পৰিৱেশন কৰে নেকি?

প্ৰশ্ন ২ ঃ সামাজিক লোকাচাৰৰ যোগাযোগত চিনেমাই কেনেদৰে সহায় কৰে?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ সমাজত পৰম্পৰাগত মাধ্যমৰ ভূমিকা কি?

প্ৰশ্ন ২ ঃ লোক-পৰম্পৰাৰ বৈশিষ্ট্যবোৰ কি কি?

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ 'ভাৰতৰ লোক-পৰম্পৰা ভাৰতীয় সমাজৰ সংস্কৃতি আৰু ৰীতি-নীতিৰ ভিত্তিত গঢ় লৈ উঠা।' —আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সামাজিক লোকাচাৰৰ যোগাযোগৰ পৰম্পৰাগত মাধ্যমে কেনেদৰে সহায় কৰে?

প্ৰশ্ন ৩ ঃ ভাৰতীয় সংস্কৃতিৰ তথ্য প্ৰচাৰত লোকমাধ্যমে সহায় কৰেনে?

*** ***** ***

অধ্যায় ৭ ঃ পৰম্পৰাগত লোকমাধ্যম আৰু ইয়াৰ প্ৰাসংগিকতা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ভাৰতীয় গ্ৰাম্য অঞ্চলৰ পৰম্পৰাগত লোকমাধ্যমসমূহ

৭.৩.১ লোক নাট

৭.৩.২ লোকগীত

৭.৩.৩ বৰ্ণনাত্মক আখ্যান

৭.৩.৪ ধৰ্মীয় চিন্তাধাৰা

৭.৩.৫ পুতলা নাচ

৮.৪ গ্ৰাম্য উন্নয়নত লোকমাধ্যমৰ প্ৰভাৱ

৮.৫ বিভিন্ন ক্ষেত্ৰত লোকমাধ্যমৰ প্ৰয়োগ

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্ৰগতিৰ খতিয়ান

৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব—

- ভাৰতবৰ্ষৰ গ্ৰাম্য অঞ্চলত প্ৰচলিত বিভিন্ন প্ৰকাৰৰ পৰম্পৰাগত লোকমাধ্যমৰ বিষয়ে
- লোকমাধ্যমৰ জৰিয়তে গ্ৰাম্য বিকাশৰ কি প্ৰভাৱ তাক প্ৰশংসা কৰা সম্যক জ্ঞান
- পৰম্পৰাগত লোকমাধ্যমসমূহৰ বিভিন্ন ক্ষেত্ৰত হোৱা ব্যৱহাৰ বিশদভাৱে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

এই অধ্যায়ত আপোনালোকে পৰম্পৰাগত লোকমাধ্যমসমূহক ভাৰতবৰ্ষৰ গ্ৰাম্য অঞ্চলত কিদৰে গ্ৰহণ কৰে তাৰ এক সম্যক ধাৰণা পোৱাৰ লগতে কেনেকৈনো লোকমাধ্যমসমূহে গ্ৰাম্য বিকাশত সহায় কৰিছে সেই বিষয়ে জানিব পাৰিব। ইয়াৰ লগতে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহে কেনেকৈ এই মাধ্যমবোৰ ব্যৱহাৰ কৰে তাকো জানিব পাৰিব।

৭.৩ ভাৰতীয় গ্ৰাম্য অঞ্চলৰ পৰম্পৰাগত লোকমাধ্যমসমূহ

লোকমাধ্যম কোনো এটা ধৰ্ম, জাতি-জনগোষ্ঠীৰ স্বকীয় বৈশিষ্ট্য। লোকমাধ্যম হ'ল এনে এক ব্যৱস্থা যাৰ জৰিয়তে কোনো এটা সম্প্ৰদায়ে নিজৰ ৰীতি-নীতি, আৱেগ-অনুভূতিবোৰ প্ৰকাশ কৰিব পাৰে। লোক মাধ্যমৰ জৰিয়তে আমাৰ ভাৱধাৰাবোৰ অধিক প্ৰাণৱন্ত হৈ উঠে।

অতীজতে ভাৰতবৰ্ষত জনগণৰ মাজত বাৰ্তা প্ৰেৰণ কৰিবলৈ পৰম্পৰাগত লোকমাধ্যম-সমূহকেই প্ৰধান আহিলা ৰূপে ব্যৱহাৰ কৰা হৈছিল। ভাৰতবৰ্ষৰ এক নিজা ইতিহাস আছে আৰু লোকমাধ্যমৰ ক্ষেত্ৰত ভাৰত যথেষ্ট চহকী। লোকমাধ্যমৰ ভাগসমূহ হ'ল— নাটক, নৃত্য, সংগীত, মুকাভিনয়, সাধুকথা আৰু পুতলা নাচ। পৰম্পৰাগত লোকমাধ্যমক পাঁচটা ভাগত ভাগ কৰা হৈছে— লোক নাট, লোকগীত, বৰ্ণনামূলক আখ্যান , যেনে— মালিতা , সাধুকথা, ধৰ্মীয় আখ্যান আৰু পুতলা নাচ।

৭.৩.১ লোক নাট

ভাৰতীয় লোক নাটৰ এক বিশাল বিচিত্ৰতা আছে। প্ৰত্যেকটো অঞ্চলৰে এক নিজস্ব উপস্থাপন শৈলী থকাৰ লগতে লোকনাটত সেই বিশেষ অঞ্চলটোৰ লগত জড়িত হৈ থাকে। যি কি নহওক, এনে নাটত প্ৰত্যেকটো অঞ্চলৰে শৈলী উপস্থিত থাকিলেও কিছু ক্ষেত্ৰত সংস্কৃত নাটৰ পৰা কিছু বৈশিষ্ট্য লোৱাৰ লগতে সংস্কৃতনাটৰ সাদৃশ্য থকা দেখা পোৱা যায়। প্ৰতিটো অঞ্চলতে দেখা পোৱা এক বৈশিষ্ট্য হ'ল 'সূত্ৰধাৰ' আৰু 'বিদূষক'ৰ চৰিত্ৰ লোক নাটৰ অন্যান্য বৈশিষ্ট্যসমূহ ধ্ৰুপদী নাটকৰ পৰা সংগ্ৰহ কৰা। যেনে— মঞ্চৰ প্ৰাৰম্ভিক কাৰ্যসমূহ (অনুষ্ঠানৰ প্ৰথমে প্ৰাৰ্থনা আৰু অন্তিম সময়ত আশীৰ্বাদ দিয়াৰ ব্যৱস্থা), মুখা আৰু ৰূপসজ্জা, নাটৰ শৈলীপূৰ্ণ ভংগিমা। পৰম্পৰাগত লোক নাটসমূহত সংগীত আৰু সংগীত পৰিৱেশনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাধাৰণতে লোক নাটসমূহ মুকলি ঠাইত পৰিৱেশন কৰা হয়। ইয়াত অংশগ্ৰহণ কৰা প্ৰতিজন ব্যক্তি দৰ্শকসকলৰেই তেজ-মঙহৰ সম্পৰ্ক থকা আত্মীয়। লোক নাটসমূহত বিশেষকৈ মহাভাৰত, ৰামায়ণৰ কাহিনী, যেনে— সীতাহৰণ, লৱ-কুশৰ লগতে ঐতিহাসিক কিছু কাহিনীৰ লখিন্দৰ-বেউলা, সাৱিত্ৰী-সত্যৱান, ৰজা হৰিশ্চন্দ্ৰ, তেজীমলা, সতী জয়মতী; প্ৰেমমূলক কাহিনী যেনে- মিৰি-জীয়ৰী আদিৰ লগতে সামাজিক কাহিনীসমূহো অন্তৰ্ভুক্ত হয়। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত প্ৰচলিত লোক নাটৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

যাত্ৰা ঃ যাত্ৰা হ'ল পশ্চিমবংগত প্ৰচলিত লোক নাট। যদিও ১৫ শতিকাৰ পৰাই যাত্ৰা প্ৰচলিত হৈ আহিছিল, তথাপি ১৮ শতিকাতহে যাত্ৰাই জনপ্ৰিয়তা লাভ কৰে। ১৯ শতিকাত বিভিন্ন খুহুতীয়া, সামাজিক তথা ৰাজনৈতিক বিষয়ত যাত্ৰা প্ৰদৰ্শিত হৈছিল। 'অধিকাৰী' আৰু 'জুৰি' এই বিশেষ চৰিত্ৰ দুটাই ধ্ৰুপদী সংগীতৰ জৰিয়তে এখন যাত্ৰা নাটৰ মূল চৰিত্ৰসমূহৰ ব্যাখ্যা কৰিছিল। পৰৱৰ্তী সময়ত 'জুৰি' চৰিত্ৰটো 'বিবেক' চৰিত্ৰলৈ সলনি কৰা হয়।

নৌটংকী ঃ নৌট ংকী উত্তৰ প্ৰদেশত প্ৰচলিত এবিধ পৰম্পৰাগত লোক নাট। বিশেষকৈ কাণপুৰ, লক্ষ্ণৌ আৰু হাথৰসৰ দৰে চহৰত এই লোক নাটবিধ খুবেই জনপ্ৰিয়। ইয়াৰ উপৰি পাঞ্জাৱ, হাৰিয়ানা আৰু ৰাজস্থানৰ গ্ৰাম্য অঞ্চলত নৌট ংকী প্ৰদৰ্শন কৰা হয়। প্ৰদৰ্শনকাৰীসকলে নাট প্ৰদৰ্শন কৰাৰ পূৰ্বে 'চাওবোলা' নামৰ প্ৰাৰ্থনাৰে 'ৰংগা' (সূত্ৰধাৰ) চৰিত্ৰটোৰে নাটৰ আৰম্ভণি কৰে। এটা সময়ত নৌট ংকীত কেৱল পুৰুষসকলেহে অংশগ্ৰহণ কৰিব পাৰিছিল। বৰ্তমান সময়ত মহিলাসকলেও অংশগ্ৰহণ কৰে। নৌট ংকীত হিন্দু আৰু মুছলমানসকলৰ সংস্কৃতিৰ এক সংমিশ্ৰণ দেখিবলৈ পোৱা যায়।

ভাওনা ঃ ভাওনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এক অমিয় সৃষ্টি। ভাওনাই অসম, পশ্চিমবংগ, উৰিষ্যা, মথুৰা আৰু বৃন্দাবনৰ সাংস্কৃতিক সাদৃশ্যৰ কথা প্ৰকাশ কৰে। ভাওনাত সূত্ৰধাৰে নাটখনিৰ কাহিনী ভাগ আগুৱাই নিয়ে। সূত্ৰধাৰে ব্ৰজাৱলী ভাষাত শ্লোক আৰু বচনসমূহ আওৰোৱাৰ লগতে নৃত্য আৰু গীতৰ মাজেৰে আগবাঢ়ে। সূত্ৰধাৰৰ উপৰি ভাওনাত গায়ন-বায়নৰ (খোল, তালেৰে বাদ্য সংগত কৰা লোকসকল) এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে। গুৰুজনাই ১৬ শতিকাতেই ভাওনাৰ ৰচনা কৰিছিল।

তমাছা ঃ মহাৰাষ্ট্ৰত তমাছা বহুলভাৱে জনপ্ৰিয়। তামাশা মূলতঃ প্ৰাৰ্থনা অথবা আৰতিৰ দৰে। 'গোলান' (ভগৱান শ্ৰীকৃষ্ণৰ দধি মথনৰ কাহিনীক লৈ), 'লাভানিশ' (আখ্যানমূলক), চাৱাল-জাৱাৰি (শিৱ-পাৰ্বতীৰ কাহিনী) আৰু মুৰডা (সাধু আৰু গুণী ব্যক্তিসকলৰ সন্মানৰ্থে) প্ৰদৰ্শন কৰা হয়। তমাছাত মহিলাই মূল নৰ্তকীৰ ভূমিকা পালন কৰে।

থেৰুকথু ঃ তামিলনাডুৰ লোক নাটসমূহৰ ভিতৰত থেৰুকথু অন্যতম। যাৰ অৰ্থ হ'ল 'বাটৰ নাট'। খেতি ভাল হ'বৰ বাবে আয়োজন কৰা 'মৰিয়াম্মান' উৎসৱৰ সময়ত থেৰুকথু প্ৰদৰ্শিত কৰা হয়। ইয়াত সংলাপসমূহ অভিনয় কৰাসকলৰ লগতে 'সূত্ৰধাৰ' আৰু 'বাফনে'সকলে প্ৰক্ষেপ কৰে। থেৰুকথুৰ কাহিনীভাগ মহাভাৰত-ৰামায়ণকে আদি কৰি ধৰ্মীয় গ্ৰন্থসমূহৰ পৰা লোৱা হয়।

এয়া মাথোঁ ভাৰতবৰ্ষত দেখা পোৱা কেইটামান লোক নাটৰ আভাস। এই লোক নাটসমূহৰ উপৰিও ৰামলীলা, ৰাসলীলা, গুজৰাটৰ 'ভবাই', কাশ্মীৰৰ 'ভন্দ পাথেৰ', কৰ্ণাটকৰ 'আকাশ গংগা' অন্যতম।

৭.৩.২ লোকগীত

লোক নাটসমূহৰ দৰেই ভাৰতবৰ্ষত সাংস্কৃতিক আৰু ভৌগোলিক বিচিত্ৰ্যতাৰে ভৰা ইয়াৰ লোকগীতসমূহবো যথেষ্ট আদৰ আছে। লোকগীতবোৰতো প্ৰত্যেকটো সম্প্ৰদায় তথা অঞ্চলৰ এক নিজস্ব শৈলী দেখিবলৈ পোৱা যায়। 'ভাৰতবৰ্ষৰ পৰম্পৰাগত লোকমাধ্যম' শীৰ্ষক গ্ৰন্থখন শ্যাম পাৰমাৰে উল্লেখ কৰিছে যে ভাৰতত ৩০০তকৈও অধিক লোকগীত শৈলী আছে। তেওঁ লোকগীতসমূহক তলত উল্লেখ কৰা ধৰণে ভাগ কৰিছে—

ভক্তিগীত ঃ আধ্যাত্মিকতাৰ ভাৱ থকা গীতবোৰ ইয়াৰ ধ্রুপদী সংগীতৰ সৈতে সাদৃশ্য থাকে।

উৎসৱ-পার্বণৰ লগত জড়িত গীতঃ ঋতুকেন্দ্রিক, উৎসৱ-পার্বন, কর্ম আৰু প্রেম-প্রীতিৰ লগত জড়িত গীত জনজাতীয় গীত।

উদাহৰণ স্বৰূপে ঃ পশ্চিমবংগৰ বাউল গীত, গুজৰাটৰ গার্বা, অসমৰ বিহু, ৰাজস্থানৰ ঘূমৰ, কাশ্মীৰৰ চাক্ৰি, কেৰালাৰ কিলাকালি পাট্টো, মধ্যপ্রদেশৰ দাদাৰিয়া আদি।

৭.৩.৩ বর্ণনামূলক আখ্যান

বর্ণনামূলক আখ্যানসমূহ বিশেষকৈ গীতৰ মাধ্যমেৰে আগবঢ়াই নিয়া হয়। দেশপ্রেমমূলক, সামাজিক তথা জাতীয় একতা, বিভিন্ন সাংস্কৃতিক আৰু অর্থনৈতিক বিষয়ক লৈ আখ্যানসমূহ ৰচিত হয়। কেইটামান জনপ্রিয় আখ্যানৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

বুৰ্ৰাকথা ঃ বুৰ্ৰাকথা অন্ধ্রপ্রদেশ আৰু তেলেংগানাৰ গ্রাম্য অঞ্চলত প্রচলিত। তিনিজন ব্যক্তিৰে গঠিত বুৰ্ৰাকথাৰ মূল প্রদর্শনকাৰীজনক 'কথাকাডো' বুলি জনা যায়। তেওঁ নৃত্যৰ লগতে কাহিনীটোও পাঠ কৰে।

'ৰাজকীয়া' চৰিত্রটোৱে কাহিনী আৰু সমাজ তথা ৰাজনৈতিক অসুবিধাবোৰৰ মাজত এক তুলনা দাঙি ধৰে। কথাকাডোৰ সোঁফালে ৰাজকীয় চৰিত্রটো উপবিষ্ট হোৱাৰ লগতে বাঁওফালে 'হাস্যম' চৰিত্রটো দেখিবলৈ পোৱা যায়। হাস্যম চৰিত্রটোৱে বাদ্য সংগত কৰাৰ লগতে দর্শকৰ বাবে হাস্যৰসৰ যোগান ধৰে । বুৰ্ৰাকথাৰ কাহিনীসমূহ ৰামায়ণ, মহাভাৰতৰ লগতে ঐতিহাসিক, সামাজিক তথা ৰাজনৈতিক বিষয়সমূহক লৈ কৰা হয়।

দশকথীয়া ঃ ওড়িশাত প্রচলিত বর্ণনামূলক আখ্যান। দশকথীয়া দুজন ব্যক্তিয়ে উপস্থাপন কৰিব পাৰে। 'গায়কা'(গায়ক) আৰু 'পালীয়া'(সহায়ক) এই বিশেষ চৰিত্র দুটাৰ জৰিয়তে মহাভাৰত-ৰামায়ণৰ কাহিনীসমূহ, সাধুকথা, বিখ্যাত যুদ্ধৰ কাহিনীবোৰ এক বিশেষ শৈলীৰে সংগীতৰ মাধ্যমেৰে প্রকাশ কৰা হয়। ইয়াৰ উপৰি দশকথীয়াত হাস্যৰসৰো উপস্থিতি দেখিবলৈ পোৱা যায়।

ভাৰতবর্ষত পোৱা আন বর্ণনামূলক আখ্যানসমূহ হ'ল উত্তৰ প্রদেশৰ আলহা, পঞ্জাৱৰ নাকাল, তামিলনাড়ুৰ ভিল্লুপাট্টু, মহাৰাষ্ট্রৰ পৌৰাৰা ইত্যাদি।

৭.৩.৪ ধর্মীয় চিন্তাধাৰা

ধর্মীয় চিন্তাধাৰাসমূহকো লোকমাধ্যমতা গীত অথবা কাহিনীৰ জৰিয়তে প্রকাশ কৰা হয়। মূল প্রদর্শনকাৰী 'কথাকাৰ' এনে এজন ব্যক্তি যাৰ সকলো ৰীতি-নীতি, ধর্মীয়

গ্ৰন্থ, কাহিনীৰ ওপৰত গভীৰ জ্ঞান থকাৰ উপৰিও সংগীত আৰু অভিনয়ো সুন্দৰকৈ কৰাৰ দক্ষতা থাকে। ধৰ্মীয় চিন্তাধাৰাসমূহ বিভিন্ন নামেৰে পৰিচিত— হৰিকথা, কথা, কীৰ্ত্তন আৰু প্ৰবচন।

৭.৩.৫ পুতলা নাচ

পৰিৱেশ্য কলাৰ আটাইতকৈ পুৰণি ৰূপটোৱেই হ'ল পুতলা নাচ। মহাভাৰত আৰু ৰামায়ণতো পুতলা নাচৰ বিষয়ে উল্লেখ আছে। পুতলা নাচৰ জৰিয়তে জনসাধাৰণৰ মাজত বিভিন্ন সামাজিক বিষয়ক লৈ সজাগতা সৃষ্টি কৰিব পাৰি। পুতলা নাচ বিশেষকৈ গাঁৱৰ বজাৰ, বিদ্যালয় আৰু য'ত মানুহৰ সমাগম বেছি হয় তেনেকুৱা স্থানত কৰা হয়। পুতলা নাচ ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধলৈকে সকলোৱে বুজি পোৱা এক পৰম্পৰাগত লোকমাধ্যম। ভাৰতবৰ্ষত বেছিকৈ প্ৰচলিত পুতলা নাচকেইবিধ হ'ল— হাতেৰে কৰা পুতলা নাচ, লাখুটিৰে দেখুওৱা পুতলা নাচ (বাঁহেৰে নিৰ্মিত), ৰছীৰে দেখুওৱা পুতলা নাচ, ছাঁয়া পুতলা নাচ।

হাতেৰে কৰা পুতলা নাচ ঃ এইবিধ পুতলা নাচ বিশেষকৈ ওড়িশা, কেৰালা আৰু তামিলনাড়ুত দেখিবলৈ পোৱা যায়। প্ৰদৰ্শনকাৰীয়ে আঙুলিৰ সহায়েৰে চৰিত্ৰসমূহ উপস্থাপন কৰে।

বাঁহেৰে নিৰ্মিত পুতলা নাচ ঃ এইবিধ পুতলা নাচ পশ্চিমবংগত বেছিকৈ দেখিবলৈ পোৱা যায়। এইবিধ পুতলা আকাৰত ডাঙৰ আৰু পুতলা নচোৱা ব্যক্তিজনে কঁকালত মজবুতকৈ বান্ধি লয়।

ৰছীৰে দেখুওৱা পুতলা নাচ ঃ সাধাৰণতে এইবিধ পুতলা নাচেই বেছিকৈ দেখিবলৈ পোৱা যায়। বিশেষকৈ ৰাজস্থান, ওড়িশা, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, অসম আৰু তামিলনাড়ুত এনে পুতলা নাচ খুবেই জনপ্ৰিয়। পুতলা নচুৱা ব্যক্তিজনে আঙুলিপুতলা বন্ধাৰছীবোৰ মেৰিয়া কৌশলগতভাৱে পুতলাসমূহক নচুৱায়।

ছাঁয়া পুতলা নাচ ঃ ছাঁয়া পুতলা নাচত পোহৰৰ সহায়েৰে এখন কাপোৰত পুতলাবোৰৰ চৰিত্ৰসমূহ উপস্থাপন কৰা হয়। ছাঁয়া নাচ বিশেষকৈ অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, কেৰালা আৰু ওড়িশাত জনপ্ৰিয়। ইয়াৰ লগতে অধিক সংখ্যক ঠাইত ৰঙীন ছাঁয়া পুতলা ব্যৱহাৰ কৰা হয়।

ওপৰত উল্লেখ কৰা লোকমাধ্যমসমূহৰ উপৰিও ভাৰতবৰ্ষত দেখিবলৈ পোৱা আন আন লোকমাধ্যমসমূহ হ'ল— মধ্যপ্ৰদেশৰ ভিল আৰু ভিলালা জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ 'পিঠোৱা' নামৰ চিত্ৰশিল্প। চত্তিছগড়ৰ ৰাজৱাৰ সম্প্ৰদায়ৰ 'লিপাই', মালৱাৰ মানদানা দেৱাল চিত্ৰশিল্প, মধ্যপ্ৰদেশৰ নিমাৰ আৰু টানৱাৰঘাৰ অঞ্চলৰ লগতে অসমৰ মহোহো উৎসৱ আদি। এইবোৰৰ উপৰি বিভিন্ন পৰম্পৰাগত নক্সা, মজিয়াত আঁকা চিত্ৰ, ৰংগোলী আদিয়েও ভাৰতীয় লোককলাক সমৃদ্ধ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তমাশা কোনখন ৰাজ্যত প্রচলিত—

ক) তামিলনাড়ু খ) পশ্চিমবংগ

গ) কেৰালা ঘ) মহাৰাষ্ট্র

প্রশ্ন নং ২ ঃ নৌট ংকী ক'ত জনপ্রিয়—

ক) পশ্চিম ভাৰতত খ) দক্ষিণ ভাৰতত

গ) পূব ভাৰতত ঘ) উত্তৰ ভাৰতত

প্রশ্ন নং ৩ ঃ ছাঁয়া পুতলাসমূহত কিছুমান লাঠী নাইবা মাৰি জোৰা লগোৱা থাকে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৪ ঃ ওড়িশা বর্ণনামূলক আখ্যানক দশকথীয়া বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

৭.৪ গ্রাম্য উন্নয়নত লোকমাধ্যমৰ প্রভাৱ

গ্রাম্য উন্নয়ন বুলি ক'লে কোনো এক গ্রাম্য অঞ্চলৰ সামাজিক, ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক দিশত হোৱা সামগ্রিক উন্নয়নৰ কথা সূচায়। গ্রাম্য উন্নয়নৰ বাবে প্রয়োজনীয় কথাটো হ'ল উন্নয়নে জনসাধাৰণৰ চুব লাগিব। পুৰণি বিকাশৰ আর্হিটোত তৃতীয় বিশ্বৰ দেশসমূহৰ নগৰীকৰণ, ঔদ্যোগীকৰণ আৰু মূলধন বৃদ্ধিৰ জৰিয়তে অর্থনৈতিক উন্নয়নত অধিক গুৰুত্ব দিয়া হৈছিল। যি কি নহওক, খুব কম সময়ৰ ভিতৰতে উন্নয়নৰ এই আর্হিটো বিফল হয় । তাৰ পৰিৱর্তে থলুৱা লোকসকলৰ ৰুচিৰ ওপৰত গুৰুত্ব প্রদান কৰি এক বিকল্প আর্হি তৈয়াৰ কৰা হয়। এই বিকল্প আর্হিটোৱে জনসাধাৰণৰ সক্রিয় অংশগ্রহণ আৰু দৰিদ্রসকলৰ উন্নয়নত গুৰুত্ব প্রদান কৰিছিল।

বিদ্বান লোক আৰু উন্নয়নৰ অনুশীলনকাৰীসকলে বুজি পাইছিল কিদৰে যোগাযোগৰ মাধ্যমেৰে তৃতীয় বিশ্বৰ দেশসমূহলৈ উন্নয়ন আনিব পাৰি। এইক্ষেত্রত যোগাযোগে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে যাৰ জৰিয়তে একেবাৰে তৃণমূল পর্যায়তো উন্নয়ন সম্ভৱ হৈ উঠে।

আধুনিক গণমাধ্যমসমূহে এতিয়াও অধিকাংশ লোকৰ কায চাপিব পৰা নাই আৰু ই বর্তমানেও নগৰকেন্দ্রিক হৈয়ে আছে। অৱশ্যে গাঁও আৰু চহৰ অঞ্চলৰ প্রতিটো অসুবিধাৰ কথা আধুনিক গণমাধ্যমসমূহেই দাঙি ধৰে। উন্নয়নশীল দেশ বোৰৰ অশিক্ষিতৰ হাৰে আধুনিক গণমাধ্যমসমূহৰ গ্রাম্য অঞ্চলত প্রৱেশৰ এক হেঙাৰ ৰূপে থিয় দিছে। পথত আন এক কাৰণ হ'ল উপযুক্ত আন্তঃগাঁথনিৰ অভাৱ। ইয়াৰ উপৰি গ্রাম্য অঞ্চলবোৰে গণমাধ্যমসমূহক এতিয়াও অবিশ্বাস্য, চৌখিন আৰু অব্যক্তিগত মাধ্যম হিচাপে গণ্য কৰি আহিছে।

পৰম্পৰাগত লোকমাধ্যসমূহে সাংস্কৃতিক, আধ্যাত্মিক ভাৱেৰে কোনো এটা সম্প্রদায়ৰ বিষয় এটাক আগবঢ়াই লৈ যোৱাৰ লগতে অশিক্ষিতসকলৰ মাজত শিক্ষাৰো পোহৰ বিলায়।

লোকমাধ্যমসমূহৰ বিস্তৃতি বিশাল। কিয়নো স্থানীয় ভাষাসমূহেই ইয়াৰ যোগাযোগৰ মাধ্যম। পৰম্পৰাগত লোকমাধ্যমসমূহে সম্প্ৰদায়সমূহৰ লগত এক সুন্দৰ ভাৱ স্থাপন কৰে আৰু সেই সম্প্ৰদায়টোৰ ধৰ্মীয় ৰীতি-নীতি, সামাজিক আচাৰ-ব্যৱহাৰ আদি উপস্থাপন কৰে ।

১৯৭২ চনতে তৃতীয় বিশ্বৰ দেশসমূহৰ উন্নয়নৰ বাবে কিদৰে লোকমাধ্যমক ব্যৱহাৰ কৰিব পাৰি তাৰ বাবে ইউনেস্ক'য়ে লণ্ডনত এলানি সভাৰ আয়োজন কৰিছিল। সভাত পৰিকল্পনাৰ বাবে লোকমাধ্যম আৰু আধুনিক গণমাধ্যম ব্যৱহাৰৰ ওপৰত আলোচনা হৈছিল। এই কাৰ্যসূচীৰ ফলস্বৰূপেই বিশ্বৰ বিভিন্ন ঠাইত বহুতো সভা আৰু কৰ্মশালা অনুষ্ঠিত হৈছিল। ভাৰত চৰকাৰে উন্নয়নৰ ক্ষেত্ৰত লোকমাধ্যমৰ সম্ভাৱনীয়তা ইউনেস্ক'ই গ্ৰহণ কৰাৰ আগতেই বুজি পাইছিল। সেয়েহে প্ৰথম পঞ্চ বাৰ্ষিক পৰিকল্পনাত ইলেক্ট্ৰ'নিক মাধ্যমৰ পৰা একাষৰীয়াকৈ ৰাখি লোকমাধ্যমক গ্ৰাম্য অঞ্চলত বিভিন্ন চৰকাৰী আঁচনি বাস্তৱায়িত কৰিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল।

এক ঐতিহাসিক দৃশ্যপটৰ পৰা চাবলৈ গ'লে লোকমাধ্যমে উন্নয়নৰ লগতে সামাজিক আৰু ৰাজনৈতিক সজাগতা অতীজৰে পৰা সৃষ্টি কৰি আহিছে। ব্ৰিটিছ ঔপনিৱেশবাদৰ বিৰুদ্ধে মহাত্মা গান্ধীয়ে সামাজিক আৰু ৰাজনৈতিক অভিযানত লোকমাধ্যম ব্যৱহাৰ কৰিছিল। ১৯৪০ চনত ইণ্ডিয়ান পিপ্‌লছ থিয়েটাৰ এছ'চিয়েশ্যনে সামাজিক তথা ৰাজনৈতিক সজাগতাৰ বাবে পশ্চিমবংগৰ যাত্ৰা, গুজৰাটৰ ভৱাই, মহাৰাষ্ট্ৰৰ তমাশা, অন্ধ্ৰপ্ৰদেশৰ বুৰাকথাক সফলতাৰে ব্যৱহাৰ কৰিছিল। প্ৰাক্ স্বাধীনতা কালতো উন্নয়নৰ বিভিন্ন বাৰ্তা প্ৰেৰণৰ বাবে গ্ৰাম্য লোকসকলৰ মাজত লোকমাধ্যম ব্যৱহাৰ কৰা হৈছিল। সামাজিক আৰু ৰাজনৈতিক যোগাযোগত লোককলাৰ গুৰুত্ব বুজি জৱাহৰলাল নেহেৰুৱে কৈছিল—

> ভাৰতত 'জনতাৰ নাটক' উন্নত কৰাৰ বাবে মই খুবেই আগ্ৰহী। মই ভাবো ইয়াত যথেষ্ট সুবিধা আছে । কাৰণ ইয়াত জনতাৰ ৰীতি-নীতিসমূহকেই মুখ্য হিচাপে ধৰা হয়। অন্যহাতে, ইয়াক মুকলিভাৱে প্ৰদৰ্শন কৰাবো থল আছে। ইয়াৰ উপৰি মই ভাবো এই দিশত অগ্ৰসৰ হ'বলৈ এক প্ৰয়াসৰ প্ৰয়োজন (আই-পি-টি-এ, বুলেটিন, ১৯৪৩)।

চৰকাৰী পক্ষ, উন্নয়ন সংস্থা আৰু অনুশীলনকাৰীসকলৰ উপৰিও বেচৰকাৰী সংস্থাসমূহেও উন্নয়নমূলক কাম-কাজ আৰু সজাগতাৰ বাবে লোকমাধ্যম ব্যৱহাৰ কৰে। উদাহৰণ স্বৰূপে, পৰিৱেশ সংৰক্ষণৰ বাবে গঢ়ি উঠা চিপ্‌কো আন্দোলন আৰু এপিকো আন্দোলনৰ সময়ত লোকগীতসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। একেধৰণে দক্ষিণ ভাৰতৰ পশ্চিম ঘাট সংৰক্ষণৰ সময়তো প্ৰকৃতি সংৰক্ষণকাৰীসকলে লোককলাৰ সহায় লৈছিল। ১৯৪২ চনত মেক্‌ব্ৰাইড কমিচনৰ 'মেনি ভইছেছ, ওৱান ওৱৰ্ল্ড' শীৰ্ষক প্ৰতিবেদনতো লোকমাধ্যমৰ গুৰুত্ব উল্লেখ কৰা হৈছিল।

> "পৰম্পৰাগত লোকমাধ্যমসমূহ উপযুক্ত যোগাযোগৰ মাধ্যম হিচাপ দেখা দিছে। কোনো এটা সম্প্ৰদায় অথবা অঞ্চলৰ অন্ধবিশ্বাস, পৰম্পৰাগত ধ্যান-ধাৰণাসমূহক নাইকিয়া কৰাৰ বাবে ই এক উপযুক্ত মাধ্যম । লোকমাধ্যমৰ অনুশীলনকাৰীয়ে কোনো এটা বাৰ্তা উপস্থাপনৰ বাবে নাইবা সাধাৰণ জনসাধাৰণক প্ৰভাৱিত কৰিবলৈ জনপ্ৰিয়

কলা ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ জৰিয়তে যোগাযোগৰ আন মাধ্যমসমূহক অতিক্রম কৰাটো নুবুজায়।"

গ্রাম্য অঞ্চলসমূহত লোকমাধ্যমৰ যথেষ্ট প্রভাৱ আছে। লোকমাধ্যমৰ জৰিয়তে সমাজৰ বিকাশত বাধা হ'ব পৰা আচৰণ, চিন্তাধাৰা সলনি কৰিব পাৰি। ভাৰতবর্ষত প্রত্যেকটো সম্প্রদায়ৰ নিজা নিজা লোকসংস্কৃতি আৰু লোকমাধ্যম আছে। এইছ-আই-ভি এইডছৰ দৰে বিষয়ৰ ওপৰত সজাগতা সৃষ্টিৰ বাবে বিভিন্ন সম্প্রদায়ৰ মাজত কাম কৰিবলৈ লোকশিল্পীক প্রশিক্ষণ তথা নিযুক্তি দিয়া হয়। উদাহৰণ স্বৰূপে, উত্তৰ প্রদেশৰ সংস্কৃতি সেৱা সংস্থান নামৰ এটি থিয়েটাৰ গ্রুপে ৰাজ্যখনৰ বিভিন্ন সামাজিক বিষয়ক লৈ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে কাম কৰি আহিছে। তেওঁলোকে বিশেষকৈ এইছ-আই-ভি এইডছ, পলিঅ' সজাগতা, নিচাসক্তি, বিভিন্ন চৰকাৰী আঁচনি আৰু যুৱকসকলৰ বাবে থকা বিভিন্ন আঁচনি প্রচাৰৰ কাম কৰে। একেধৰণে ১৯৯৪ চনত জন্ম হোৱা জিলা প্রাথমিক শিক্ষা কার্যসূচীত পুতলা নাচ ব্যৱহাৰ কৰা হয়। পুতলা নাচকো শিশু শিক্ষা, আধুনিক কৃষি পদ্ধতি, শৌচালয় নির্মাণ এইধৰণৰ বিষয়ত ব্যৱহাৰ কৰিব পাৰি।

যোৱা কেইটামান দশকৰ পৰা যোগাযোগৰ ক্ষেত্রখনত প্রযুক্তিবিদ্যাই যথেষ্ট অৰিহনা আগবঢ়াইছে। কিন্তু এইটো কথাও ঠিক যে বর্তমানেও গ্রাম্য অঞ্চলসমূহত লোকমাধ্যমসমূহ জীয়াই আছে। গ্রাম্য জীৱনৰ আচৰণ, চিন্তাধাৰাৰ এক সঠিক পৰিৱর্তনৰ বাবে লোকমাধ্যম নিতান্তই প্রয়োজনীয়। যিহেতু লোকমাধ্যমসমূহ গঞাৰ আৱেগৰ লগত জড়িত, সেয়েহে গ্রাম্য অঞ্চলৰ প্রত্যেকজন ব্যক্তিয়ে ইয়াক সহজে বুজি পায়। লোকমাধ্যম এক শক্তিশালী মাধ্যম যাৰ জৰিয়তে একোখন গাঁৱত শক্তি, স্বচ্ছতা, খোৱাপানীৰ ব্যৱস্থা, যুৱ চামৰ বাবে কাৰিকৰী কৌশলৰ উন্নয়ন, কৃষি ব্যৱস্থাত বিজ্ঞানসন্মত ব্যয়, ছোৱালীৰ শিক্ষা ব্যৱস্থা, স্বাস্থ্য, পৰিয়াল কল্যাণৰ দৰে বিভিন্ন বিষয়ত সজাগতা সৃষ্টি কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ গ্রাম্য উন্নয়ন মানে —

ক) সামাজিক-ৰাজনৈতিক বিকাশ খ) অর্থনৈতিক বিকাশ

গ) সাংস্কৃতিক বিকাশ ঘ) ওপৰৰ আটাইকেইটা

প্রশ্ন নং ৬ ঃ গ্রাম্য অঞ্চলত লোকমাধ্যমসমূহ গ্রহণ কৰা হয় কাৰন —

ক) ই এটা বৌদ্ধিক মাধ্যম খ) ই এটা আধুনিক মাধ্যম

গ) ই এটা সহযোগী মাধ্যম ঘ) মনোহক মাধ্যম

৭.৫ বিভিন্ন ক্ষেত্ৰত লোকমাধ্যমৰ ব্যৱহাৰ

কেইবা শতিকা আগৰে পৰাই লোকমাধ্যম যোগাযোগৰ এক আহিলা ৰূপে ব্যৱহাৰ হৈ আহিছে। যদিও সময়ে সময়ে কোনো এক বিষয় উপস্থাপনৰ বাবে ইয়াত কিছু সালসলনি ঘটোৱা হয় তথাপি ইয়াৰ বৈশিষ্ট্যসমূহ অটুট থাকে আৰু ই কাৰো বাবে অসুবিধাৰ সৃষ্টি নকৰে। আগতেই উল্লেখ কৰা হৈছে যে লোকমাধ্যমৰ ব্যৱহাৰৰ ধাৰণাটো আমাৰ দেশত নতুন নহয়। স্বাধীনতা আন্দোলনকাৰীসকলেও ব্ৰিটিছৰ বিৰুদ্ধে লোকমাধ্যমক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। প্ৰাক্ স্বাধীনোত্তৰ কালত গ্ৰাম্য অঞ্চলত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত লোক মাধ্যম ব্যৱহাৰ কৰা হৈছিল। তদুপৰি চৰকাৰী সংবাদ গোটসমূহেও সজাগতা সৃষ্টিৰ বাবে লোকমাধ্যমকে প্ৰাধান্য দি আহিছে।

ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয় ঃ ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয়ে গ্ৰাম্যভিত্তিক চৰকাৰী বিভিন্ন আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে । সঞ্চালকালয়ৰ অধীনত ২০৭ ক্ষেত্ৰ প্ৰচাৰণ গোটৰ লগতে ২২টা আঞ্চলিক নিৰীক্ষণ কাৰ্যালয় আছে। এইবোৰে বিশেষকৈ ৰাজহুৱা সভা, ফটো প্ৰদৰ্শনী, বিভিন্ন ধৰণৰ মনোৰঞ্জনধৰ্মী অনুষ্ঠানৰ জৰিয়তে ৰাইজৰ সৈতে যোগাযোগ স্থাপন কৰে।

সংগীত আৰু নাট বিভাগ ঃ ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনস্থ সংগীত আৰু নাট বিভাগ হ'ল এটা প্ৰচাৰ মাধ্যম সংবাদ গোট। সংগীত আৰু নাট বিভাগ লোকমাধ্যমৰ প্ৰসাৰতাৰ লগতেই জড়িত। শব্দ আৰু পোহৰৰ সহায়েৰে বিভিন্ন ধৰণৰ সামাজিক বিষয়ত সজাগতা সৃষ্টিৰ বাবে বিভাগটোৱে নাট, পুতলা নাচ আদিৰ সহায় লয়। ইয়াৰ সমগ্ৰ দেশতে ১০টা আঞ্চলিক কেন্দ্ৰ আৰু ৯টা উপকেন্দ্ৰ আছে। সংগীত আৰু নাট বিভাগে বিভিন্ন বিভাগৰ লগত, যেনে— ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয়, জিলা স্বাস্থ্য সংস্থা, পৰিয়াল কল্যাণ বিভাগ, নেহেৰু যুৱ কেন্দ্ৰ, খণ্ড উন্নয়ন বিভাগ আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনসমূহৰ লগত সহযোগিতা ৰাখি চলে।

চৰকাৰী সংবাদ গোটসমূহৰ উপৰিও বিভিন্ন বেচৰকাৰী সংস্থায়ো উন্নয়নৰ বিষয় বোৰ লোকমাধ্যমৰ জৰিয়তে ৰাইজৰ মাজলৈ লৈ যায় আৰু জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে সেই সম্প্ৰদায়ত সহজলভ্য সমলকে ব্যৱহাৰ কৰে। উদাহৰণ স্বৰূপে, উত্তৰ প্ৰদেশৰ সংস্কৃতি সেৱা সংস্থান থিয়েটাৰ গ্ৰুপটোৱে এইছ-আই-ভি এইডছৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰি আছে। একেদৰে ৰাজস্থানৰ 'পাপেটৰছ অব্ দি ছ'চিয়েল ৱৰ্ক এণ্ড ৰিছার্ছ চেণ্টাৰ', যাক বেৱাৰফুট কলেজ বুলি জনা যায়, নামৰ সংস্থাটোৱে মানৱ অধিকাৰ, শিক্ষা, স্বাস্থ্য আদি বিষয়ত জনসাধাৰণৰ মাজত সজাগতা আনিবলৈ হাতেৰে নচুৱাব পৰা পুতলা তৈয়াৰ কৰে।

চিলোৱা উন্নয়ন খণ্ড জনসাধাৰণৰ মাজত জনপ্ৰিয় হোৱা পুতলা নাচৰ চৰিত্ৰটো হ'ল 'জ'খিম চাচা'। সমাজৰ বিভিন্ন বিষয়ক লৈ জনসাধাৰণৰ বাবে তথ্য যোগান ধৰাই আছিল ৩৬৫ বছৰীয়া জ্ঞানী বৃদ্ধৰূপে উপস্থাপন কৰা চৰিত্ৰটোৰ মূল উদ্দেশ্য। নলবাৰী ৰাস মহোৎসৱতো পুতলা নাচৰ জৰিয়তে স্বাস্থ্য, এইডছ নিয়ন্ত্ৰণৰ বাবে সজাগতা সৃষ্টিৰ চেষ্টা চলোৱা হৈছিল। কামটোৱে দৰ্শকৰ পৰা যথেষ্ট সঁহাৰি পোৱা পৰিলক্ষিত হৈছে।



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতত পৰম্পৰাগত লোকমাধ্যমসমূহক পাঁচটা ভাগত ভাগ কৰা হৈছে— লোক নাট, লোকগীত, বৰ্ণনামূলক আখ্যান, ধৰ্মীয় চিন্তা-চৰ্চা, পুতলা নাচ।
- যাত্ৰা, ভাওনা, নৌটংকী, থেৰুকথো আৰু তমাশা ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰদৰ্শিত লোক নাট।
- ভাৰতত বাউল, বিহু, ঘোমাৰ, চাক্‌বিৰ দৰে প্ৰায় ৩০০ মান লোকগীত শৈলী আছে। শ্যাম পাৰমাৰে লোকগীতক তিনিটা ভাগত ভাগ কৰিছে— ভক্তিগীত, উৎসৱ-পাৰ্বণৰ লগত জড়িত গীত আৰু জনজাতীয় গীত।
- ধৰ্মীয় চিন্তাধাৰাসমূহক বিভিন্ন নামেৰে জনা যায় যেনে- হৰিকথা, কথা, কীৰ্ত্তন আৰু প্ৰবচন।
- ভাৰতবৰ্ষত প্ৰচলিত পুতলা নাচসমূহ হ'ল— আঙুলিৰ সহায়েৰে কৰা পুতলা নাচ, বাঁহেৰে নিৰ্মিত পুতলা নাচ, ৰছীৰে দেখুওৱা পুতলা নাচ, ছাঁয়া পুতলা নাচ।
- প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত সিদ্ধান্ত লোৱা হয় যে লোকমাধ্যমক বৈদ্যুতিক মাধ্যমৰ পৰা একাষৰীয়াকৈ ৰাখি গ্ৰাম্য অঞ্চলত বিভিন্ন চৰকাৰী আঁচনি বাস্তৱায়িত কৰিবৰ বাবে ব্যৱহাৰ কৰা হ'ব।
- পৰম্পৰাগত লোকমাধ্যমসমূহেৰে সম্প্ৰদায় এটাৰ ক্ষতি হ'ব পৰা কথাবোৰত সজাগতা সৃষ্টি লগতে সম্প্ৰদায়টোৰ ধৰ্মীয় ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ জৰিয়তে উপস্থাপনৰ মানুহৰ সৈতে এটা সুন্দৰ সম্পৰ্ক স্থাপন কৰিব পাৰি।
- ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয় এক বৃহৎ গ্ৰাম্যভিত্তিক যোগাযোগ মাধ্যম। ই চৰকাৰী আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰায়।
- সংগীত আৰু নাট বিভাগে আন বিভাগসমূহ, যেনে— ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয়, জিলা স্বাস্থ্য সংস্থা, পৰিয়াল কল্যাণ বিভাগ, নেহেৰু যুৱ কেন্দ্ৰ, খণ্ড উন্নয়ন বিভাগ আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ লগত সহযোগিতা ৰাখি চলে।



৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Ghosh, Sampa, Banerjee, Utpal K. (2012), *Indian Puppets.* Abhinav Publications.

2) Kumar, Kevel, J. (2010), *Mass Communication in India*, Mumbai: Jaico Publishing House.

3) Parmar, Shyam (1975), *Traditional Folk Media in India*. Gekha Books.

4) Kumar, Shyalendra (June, 2012) *Role of Folk Media in Nation Building*, Voice of Research, Vol. 1 issue 2.

5) Vijaya, N. (1988), *The Role of Traditional Folk Media in Rural Area : A Sociological Analysis*. Andhra Pradesh : Gian Publishing House.

৭.৮ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ঘ) মহাৰাষ্ট্ৰ


২নং প্ৰশ্নৰ উত্তৰ ঃ ঘ) উত্তৰ প্ৰদেশ

৩নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ

৪নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৫নং প্ৰশ্নৰ উত্তৰ ঃ ঘ) ওপৰৰ আটাইকেইটা

৬নং প্ৰশ্নৰ উত্তৰ ঃ গ) সহযোগী মাধ্যম



৭.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ পৰম্পৰাগত মাধ্যম বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ গ্ৰাম্য উন্নয়ন মানে কি?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিয়ক) ঃ

প্ৰশ্ন ১ ঃ টোকা লিখক ঃ

ক) স্বাধীনতাৰ সময়ত পৰম্পৰাগত লোকমাধ্যমৰ ভূমিকা

খ) যাত্ৰা

প্ৰশ্ন ২ ঃ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিত ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয় তথা সংগীত আৰু নাটক বিভাগে কেনেধৰণৰ ভূমিকা পালন কৰে?

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক) ঃ

প্ৰশ্ন ১ ঃ পুতলা নাচৰ বিভিন্ন ভাগবোৰ উদাহৰণ সহকাৰে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ পৰম্পৰাগত লোকমাধ্যমৰ ভূমিকাক আধুনিক গণমাধ্যমসমূহে সঁচাকৈ নাইকিয়া কৰিছে নেকি? উদাহৰণ সহকাৰে বিচাৰ কৰক।

*** ***** ***



প্রসঙ্গ পুথি

ইংৰাজী গ্ৰন্থঃ

1) Mukhopadhyay, Durgadas (1994), *Folk Arts & Social Communication*. Publications Division, Government of India.
2) Parmar, Shyam (1975), *Traditional Folk Media in India***.** Gekha Books.
3) Kumar, Keval J. (2012), *Mass Communication in India*. Mumbai : Jaico Publishing House.
4) Garghi Balawant (1991), *Folk Theater of India*. Calcutta : Rupa & Co.
5) Malhan, P. N. (1985), *Communication : Yesterday, Today and Tomorrow*, New Delhi : Publication Division.
6) Malik, Madhu (1983), *Traditional Forms of Communication and the Mass Media in India*, Paris, UNESCO.
7) Ahmed, Kasim Ali (2012), *Folklore of Assam*. Guwahati : SBH Publishers.
8) Datta, Birendranath (1999), *Folklore Foragings in India's North East*. Guwahati : Anundoram Barooah Institute of Language.
9) Das, Jagesh (2005), *Folklore of Assam*. New Delhi : National Book Trust.
10) Dutta, Ankuran, Ray Anamika. *Science Communication in Assam.* Guwahati: DVS Publishers
11) Kumar, Keval J. (2010), *Mass Communication in India*. Mumbai : Jaico Publishing House.
12) Micheal Traben (ad.) (2003) *Globalisation, Mass Media and Indian Cultural Values*. New Delhi : ISPK.
13) Sharma, Suresh K., Sharma, Usha (2004) *Cultural and Religious Heritage of India*. New Delhi : Mittal Publication.
14) Ghosh, Sampa, Banerjee, Utpal K. (2012), *Indian Puppets.* Abhinav Publications.
15) Kumar, Shyalendra (June, 2012) *Role of Folk Media in Nation Building*, Voice of Research, Vol. 1 issue 2.
16) Vijaya, N. (1988), *The Role of Traditional Folk Media in Rural Area : A Sociological Analysis*. Andhra Pradesh : Gian Publishing House.

অসমীয়া গ্ৰন্থঃ

১) দত্ত, ড° অংকুৰণ। গণমাধ্যম আৰু সম্প্ৰচাৰ সাংবাদিকতা। অসম প্ৰকাশন পৰিষদ

২) পাটাইৰিয়া, ড° মনোজ। বিজ্ঞান সাংবাদিকতা। গুৱাহাটী, ভিকি পাব্লিচার্চ